www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

□ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সুখী হ'বৰ বাবে কোনো চমু বাট নাই। সুখী হোৱাৰ বাটত কিছু কষ্ট আৰু যন্ত্ৰণা থাকে। — স্পিৰিট চায়েন্স

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

□ প্ৰথম বছৰ □ সংখ্যা- ১৮৫ □ বুধবাৰ □ ৬ মে', ২০২৬ চন □ Volume/Year- I □ Issue- 185 □ Wednesday □ 6th May, 2026 □ Asom Barta, Majuli □ PRGI Reg. No.- ASASS/25/A2361 □ Price- Rs. 10 □ Total Page- 8

'পৱন খেৰাৰ সংবাদমেলে বিজেপিক জয়লাভ কৰাত সহায় কৰিলে'

## পৱন খেৰাক পেৰা খুৱাই আপ্যায়ন কৰিম!



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৫ মে' ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৫ মে'ত কংগ্ৰেছ নেতা পৱন খেৰাক তীব্ৰ সমালোচনা কৰে। নিৰ্বাচনী প্ৰচাৰৰ সময়ত খেৰাই সম্বোধন কৰা সংবাদমেলখনেই অসমত বিজেপিক বিপুল জয়লাভ কৰাত পৰোক্ষভাৱে সহায় কৰা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে দাবী কৰে। গুৱাহাটীত সংবাদ মাধ্যমৰ আগত শৰ্মাই ধেমেলীয়া ভংগীত কয় যে যদি আৰক্ষীয়ে পৱন খেৰাক অসমলৈ চমন জাৰি কৰে, তেন্তে তেওঁ খেৰাক বহু □ ৬ পৃষ্ঠাত

■ ১০৮ আসন লাভ কৰিও ১০খন আসনৰ প্ৰয়োজন টিভিকেক ■

## দুসপ্তাহৰ ভিতৰত তামিলনাডুত চৰকাৰ গঠন কৰিব বিজয় থালাপতিয়ে

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৫ মে' ঃ** চিনেমা জগতৰ পৰা সক্ৰিয় ৰাজনীতিত প্ৰৱেশ কৰিয়েই তামিলনাডুৰ ৰাজনীতিত পৰিৱৰ্তনৰ ধুমুহা আনিবলৈ সক্ষম হৈছে দক্ষিণ ভাৰতৰ চুপাৰষ্টাৰ বিজয় থালাপতিয়ে। নিৰ্বাচনৰ ছমাহ আগতে তেওঁ তামিলাগা ভেট্ৰি কাজাগাম (টিভিকে) নামৰ ৰাজনৈতিক □ ৬ পৃষ্ঠাত

টিভিকে বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত বিজয়



■ দলীয় নেতা নিৰ্বাচন, আৰু শপতগ্ৰহণ অনুষ্ঠানৰ পূৰ্বপ্ৰস্তুতি আৰম্ভ ■

# তৃতীয়বাৰৰ বাবে চৰকাৰ গঠনৰ প্ৰস্তুতি বিজেপিৰ

### প্ৰাক্তন ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা পৰ্যবেক্ষক, হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়ব সিং চৈনীক সহ-পৰ্যবেক্ষক হিচাপে নিযুক্তি



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৫ মে' ঃ** অসমত তৃতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰিবলৈ বিজেপিয়ে প্ৰস্তুতি আৰম্ভ কৰিছে। দলটোৰ কেন্দ্ৰীয় নেতৃত্বই ৰাজ্যৰ ৰাজনৈতিক পৰিস্থিতি পৰ্যবেক্ষণ আৰু চৰকাৰ গঠন প্ৰক্ৰিয়া তদাৰক কৰিবলৈ পৰ্যবেক্ষক নিযুক্তি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। বিজেপিৰ প্ৰাক্তন ৰাষ্ট্ৰীয় সভাপতি জগত প্ৰকাশ নাড্ডাক অসমৰ বাবে পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। নাড্ডাই অসমত দলীয় বিধায়িনী দলৰ বৈঠক, নতুন বিধায়কসকলৰ মাজৰ পৰা দলীয় নেতা নিৰ্বাচন, আৰু শপতগ্ৰহণ অনুষ্ঠানৰ পূৰ্বপ্ৰস্তুতিৰ দায়িত্ব সম্পন্ন কৰিব। নাড্ডাৰ লগত কাম কৰিবলৈ হাৰিয়ানাৰ □ ৬ পৃষ্ঠাত



কেন্দ্ৰীয় কেবিনেটৰ ডাঙৰ ঘোষণা

## দেশত আৰম্ভ হ'ব 'কপাহ বিপ্লৱ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৫ মে' ঃ** কৃষকৰ স্বাৰ্থত কেন্দ্ৰীয় মন্ত্ৰীসভাই এক ডাঙৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন কেবিনেটে কপাহ খেতিৰ ক্ষেত্ৰত এক নতুন বিপ্লৱৰ সূচনা কৰাৰ লগতে □ ৬ পৃষ্ঠাত

## বোকাজানত কংগ্ৰেছ নেতা ৰতন ইংতিৰ ঘৰত পেট্ৰল বোমা আক্ৰমণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৫ মে' ঃ** অসম বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছতে ডিফুৰ বোকাজান অঞ্চলত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছে। যোৱা নিশা দুৰ্বৃত্তই জিলা কংগ্ৰেছ কমিটিৰ সভাপতি তথা বোকাজান সমষ্টিৰ □ ৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰী নিৰ্বাচনৰ দায়িত্ব অমিত শ্বাহক

## ৯ মে'ত পশ্চিমবংগত বিজেপি চৰকাৰৰ শপতগ্ৰহণ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৫ মে' ঃ** পশ্চিমবংগত বিজেপিৰ ছুনামি নামি আছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিয়ে ২০০তকৈও অধিক □ ৬ পৃষ্ঠাত



■ সংবাদমেলত দাবী অগপ সভাপতিৰ ■

## দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ বাবে ৰাইজে কংগ্ৰেছক প্ৰত্যাখ্যান কৰিলে; অগপ সভাপতি অতুল বৰাৰ দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৫ মে' ঃ** বিধানসভা নিৰ্বাচনত এনডিএৰ অভূতপূৰ্ব জয়ৰ পাছতে অসম গণ পৰিষদৰ (অগপ) সভাপতি অতুল বৰাই মঙলবাৰে সংবাদমেল অনুষ্ঠিত কৰি কংগ্ৰেছৰ দুৰ্নীতি আৰু □ ৬ পৃষ্ঠাত

□ নিৰ্বাচন আয়োগৰ বিৰুদ্ধে গণতন্ত্ৰ হত্যাৰ অভিযোগ □

## পদত্যাগ নকৰে মমতা বেনাৰ্জীয়ে!

'পদত্যাগৰ প্ৰশ্নই নুঠে, ৰাজপথৰ সংগ্ৰাম তীব্ৰতৰ কৰিম'; ইণ্ডিয়া মিত্ৰজোঁটৰ সমৰ্থন লাভ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৫ মে' ঃ** পশ্চিম বংগৰ নিৰ্বাচনী ফলাফলৰ পাছত পদত্যাগ কৰা প্ৰসঙ্গত কোনো নম্ৰতা প্ৰদৰ্শন নকৰিলে বিদায়ী মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে। মঙলবাৰে সংবাদ মাধ্যমৰ আগত তেওঁ স্পষ্টভাৱে জনাই দিয়ে যে পদত্যাগ কৰাৰ বাবে কোনো কাৰণ নাই, কাৰণ তেওঁলোক নিৰ্বাচনত পৰাস্ত হোৱাই নাই। বেনাৰ্জীয়ে এই নিৰ্বাচনী ফলাফলক এক 'নৈতিক জয়' হিচাপে অভিহিত কৰে। তেওঁ □ ৬ পৃষ্ঠাত




মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সংবাদমেল; অখিল গগৈক কটাক্ষ

## সাংবিধানিকভাৱে এইবাৰ নাথাকিব বিৰোধী দলপতি

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৫ মে' ঃ** বিধানসভা নিৰ্বাচনৰ ফলাফল আৰু নতুন চৰকাৰ গঠনৰ প্ৰেক্ষাপটত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক সংবাদমেল অনুষ্ঠিত কৰি কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। সংবাদমেলত তেওঁ ৰাজ্যৰ ৰাজনৈতিক পৰিস্থিতি, বিৰোধী দল, কংগ্ৰেছ নেতা অখিল গগৈ, তথা আন আন বিষয়ত প্ৰশ্নোত্তৰ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই স্পষ্টকৈ কয় যে সাংবিধানিকভাৱে এইবাৰ অসমত কোনো বিৰোধী □ ৬ পৃষ্ঠাত

"অখিল মোৰ লগত বেলেগ, কংগ্ৰেছৰ লগত বেলেগ, মিডিয়াৰ লগতো বেলেগ।"



## কংগ্ৰেছৰ প্ৰথম আনুষ্ঠানিক সংবাদমেল; ফলাফল স্বীকাৰ

বিজেপি নেতৃত্বক অভিনন্দন শুভকামনা গৌৰৱ গগৈৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৫ মে' ঃ** বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ পিছত প্ৰদেশ কংগ্ৰেছে প্ৰথম আনুষ্ঠানিক সংবাদমেল অনুষ্ঠিত কৰে। ৰাজীৱ ভৱনত আয়োজিত এই সংবাদমেলত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কেইবাটাও □ ৬ পৃষ্ঠাত

দুলু আহমেদৰ বিতৰ্কিত মন্তব্য

## টকা পালে গাহৰিও খাব একাংশ সংখ্যালঘুৱে

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৫ মে' ঃ** ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ পাছতে তৃণমূল কংগ্ৰেছৰ নেতা দুলু আহমেদে এক বিতৰ্কিত মন্তব্য কৰি সমগ্ৰ ৰাজ্যত চাঞ্চল্যৰ সৃষ্টি কৰিছে। হাজো-শুৱালকুছি সমষ্টিত □ ৬ পৃষ্ঠাত



অগপ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, বিপিএফ সভাপতি হাগ্ৰামা মহিলাৰীৰ উপস্থিতি

## নতুন চৰকাৰ গঠনৰ প্ৰস্তুতি; হিমন্ত বিশ্ব শৰ্মাৰ বাসগৃহত মিত্ৰদলৰ নেতাৰ আলোচনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৫ মে' ঃ** বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ লগে লগে অসমত নতুন চৰকাৰ গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ফলাফল ঘোষণাৰ পাছৰ দিনা, মঙলবাৰে (৫ মে') মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দিছপুৰস্থিত বাসগৃহত দুই মিত্ৰদল অসম গণ পৰিষদ (অগপ) আৰু বড়োলেণ্ড পিপলছ ফ্ৰণ্ট (বিপিএফ)ৰ নেতৃত্বৰ লগতে শাসকী দল বিজেপিৰ নেতৃত্ব একত্ৰিত হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰী বাসগৃহত উপস্থিত হৈছিল □ ৬ পৃষ্ঠাত



## কংগ্ৰেছৰ ১৮ সংখ্যালঘু বিধায়কক লৈ প্ৰশ্ন এনেকুৱা ফলাফল বিশ্বাস কৰিব পৰা নাই; অখিল গগৈৰ আচৰিত প্ৰতিক্ৰিয়া

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৫ মে' ঃ** বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ পাছতে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ সমষ্টিৰ বিজয়ী প্ৰাৰ্থী অখিল গগৈয়ে এক আশ্চৰ্য মিশ্ৰিত প্ৰতিক্ৰিয়া □ ৬ পৃষ্ঠাত



# ডুমডুমা জাতীয় বিদ্যালয়ত অগ্নিকাণ্ড; নটা কোঠা ভস্মীভূত

## এঘাৰ লক্ষাধিক টকাৰ সম্পত্তি জুইত জাহ



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৪ মে' ঃ** যোৱা নিশা সংঘটিত এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনাত ডুমডুমা নগৰৰ পৰা এক কিলোমিটাৰ নিলগৰ বিছাজানত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত অৱস্থিত ডুমডুমা জাতীয় বিদ্যালয়ৰ নটা কোঠা জুইত সম্পূৰ্ণৰূপে জাহ যায়। জানিব পৰা মতে যোৱা নিশা প্ৰায় ১১-৩০ বজাত বিদ্যালয়খনৰ পুৰণি কেঁচা গৃহটিত অগ্নিকাণ্ডৰ সূত্ৰপাত হয় আৰু পলকতে জুইৰ লেলিহান শিখা সমগ্ৰ গৃহটিলৈ সম্প্ৰসাৰিত হয়। ওচৰ চুবুৰীয়া ৰাইজ আৰু সেই সময়ত ৰাষ্ট্ৰীয় ঘাইপথেৰে গৈ থকা সদৌ মৰাণ ছাত্ৰ সন্থা আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেইগৰাকীমান নেতা-কৰ্মীয়ে জুই দেখি তেওঁলোকে বিদ্যালয় কৰ্তৃপক্ষ আৰু অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়ে। অগ্নিনিৰ্বাপক বাহিনীৰ লোক ঘটনাস্থলীত উপস্থিত হৈ অগ্নি নিৰ্বাপনৰ চেষ্টা চলায়। ডুমডুমাৰ উপৰিও ডিগবৈ আৰু তিনিচুকীয়াৰ পৰাও অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী আহি শেষ নিশা দুইমান বজাত অগ্নিনিৰ্বাপন কৰিবলৈ সক্ষম হয়। এই অগ্নিকাণ্ডত বিদ্যালয়খনৰ পাঁচটা শ্ৰেণীকোঠা, শিক্ষক-শিক্ষয়িত্ৰীৰ জিৰণি কোঠা আৰু তিনিটা অতিৰিক্ত কোঠাসহ মুঠ নটা কোঠা সম্পূৰ্ণ আচবাবসহ জুইত জাহ যায়। লগতে শিক্ষকৰ জিৰণি কোঠাত থকা এটা গেছ চিলিণ্ডাৰ বিস্ফোৰণ হয়। অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ এতিয়াও স্পষ্ট হোৱা নাই যদিও কূটাঘাতৰ আশংকাও নুই কৰিব নোৱাৰি। ঘটনাস্থলীত ডুমডুমা সমজিলাৰ আৰক্ষী অধীক্ষক, ডুমডুমা থানাৰ ভাৰপ্ৰাপ্ত বিষয়াকে ধৰি আৰক্ষীৰ লোক উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। ইপিনে এই অগ্নিকাণ্ডৰ বাতৰি সম্প্ৰচাৰ হোৱাৰ পিছতেই আজি পুৱাৰে পৰা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা সমিতিৰ বিষয়ববীয়া, শুভাকাংক্ষী, স্থানীয় ৰাইজ, প্ৰাক্তন শিক্ষাৰ্থী, বিভিন্ন দল সংগঠনৰ নেতৃবৃন্দই বিদ্যালয় চৌহদত উপস্থিত হৈ এই দুৰ্ভাগ্যজনক ঘটনাটোৰ বাবে দুখ প্ৰকাশ কৰে। ইয়াৰ পাছতেই বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি অৰ্জুন বৰুৱাৰ পৌৰোহিত্যত এখন জৰুৰী ৰাজহুৱা সভা অনুষ্ঠিত হয়। পৰিচালনা সমিতিৰ সম্পাদক জিতু ডেকাই বিদ্যালয়খনে সন্মুখীন হোৱা এই জটিল সময়ত ৰাইজৰ সহযোগিতা কামনা কৰে। সভাই বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জীৱনৰ যাতে কোনো ক্ষতি নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি ৰাইজৰ দান-বৰঙণিৰে অতি শীঘ্ৰে কেইটামান অস্থায়ী কোঠা নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু তাৰ বাবে এখন নিৰ্মাণ সমিতি গঠন কৰি দিয়ে। সভাত অহা বুধবাৰৰ পৰা বিদ্যালয়ৰ শ্ৰেণীসমূহৰ পাঠদান নিয়মীয়াকৈ চলাই নিবলৈও সিদ্ধান্ত গ্ৰহণ কৰা হয়। আজিৰ সভাই ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতৰ কথা চিন্তা কৰি বিদ্যালয়খন পুনৰ গঢ় দিয়াত সহযোগিতা আগবঢ়াবলৈ ডুমডুমাবাসী ৰাইজক আৰ্থিক আৰু কায়িক, সকলোধৰণৰ সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। ইপিনে ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাইও আজি পুৱা বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি অৰ্জুন বৰুৱাক ফোন কৰি ঘটনাটোৰ সম্পৰ্কত খা-খবৰ লয় আৰু তেখেতৰ তৰফৰ পৰা সকলোধৰণৰ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

# নলবাৰীৰ পূব পানীগাঁৱৰ নৱজ্যোতি সংঘৰ সৌজন্যত একাদশ বাৰ্ষিক ৰঙালী বিহুৰ আয়োজন

**অসম বাৰ্তা, চামতা, ৪ মে' ঃ** নলবাৰী জিলাৰ পূব পানীগাঁৱৰ নৱজ্যোতি সংঘৰ সৌজন্যত তথা পূব পানীগাঁৱৰ ৰাইজৰ সহযোগত ১০ মে'ত এদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে একাদশ বাৰ্ষিক ৰঙালী বিহু উদ্‌যাপনৰ আয়োজন কৰা হৈছে। সেই উপলক্ষ্যে সংঘটোৰ স্থায়ী সমিতিৰ সভাপতি কুশল হালৈ, সম্পাদকদ্বয় দ্বীপেন হালৈ(টিকু) আৰু চন্দন হালৈৰ তত্ত্বাৱধানত অক্ষয় হালৈক সভাপতি, হৰগোবিন্দ হালৈ আৰু মৃদুল বৰ্মনক উপ সভাপতি, হৰিহৰ বৰ্মনক কাৰ্যকৰী সভাপতি, ৰাজকুমাৰ ডেকা আৰু মিণ্টু হালৈক সম্পাদক হিচাপে লৈ এখন ৰঙালী বিহু উদ্‌যাপন সমিতি গঠন কৰা হৈছে। কাৰ্যক্ৰমণিকা অনুসৰি, পুৱা ৮ বজাত নৱজ্যোতি সংঘৰ পতাকা উত্তোলন কৰিব সংঘৰ সভাপতি কুশল হালৈয়ে আৰু ৰঙালী বিহুৰ পতাকা উত্তোলন কৰিব ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি অক্ষয় হালৈয়ে। তাৰপিচত শ্বহীদ তৰ্পণ, গছপুলি ৰোপণ আদি কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। পুৱা ৯ বজাত ভেশচন প্ৰতিযোগিতা উদ্বোধন কৰিব পূব পানীগাঁও প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ৰঞ্জিত ভূ এঞাই। প্ৰতিযোগিতাখন পৰিচালনা কৰিব বিদ্যালয়খনৰ সহকাৰী শিক্ষয়িত্ৰী ভাৰতী হালৈ, নিশা ভৰালী আৰু মুনমী নাথে। পুৱা ১০ বজাত খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰিব বিদ্যালয়খনৰ প্ৰধান শিক্ষক সোণ কুমাৰ বৰ্মনে। পুৱা ১১ বজাত প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ অনুষ্ঠিত কৰিবলগীয়া কুইজ প্ৰতিযোগিতাখন উদ্বোধন কৰিব নলবাৰীৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা বনগাঁৱৰ জেকেকে শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যই। প্ৰতিযোগিতাখন পৰিচালনা কৰিব শিক্ষক কমল কুমাৰ তালুকদাৰে। তাৰপিচত চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰিব তাঁতিপাৰা প্ৰাথমিক বিদ্যালয়, নিজ পকোৱাৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰসন্ন বৈশ্যই। বিয়লি ৪ বজাত বঁটা বিতৰণী সভা আৰু সম্বৰ্দ্ধনা অনুষ্ঠানত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা জনোৱা হ'ব। বিয়লি ৫ বজাত প্ৰাণৰ শিল্পী, বিশ্বকণ্ঠ জুবিন গাৰ্গ, নাগাৰা সূৰ্য ৰামচৰণ ভৰালী, আন্তঃ ৰাষ্ট্ৰীয় বাঁহীবাদক দীপক শৰ্মাৰ প্ৰতিচ্ছবিৰ সন্মুখত একোগছিকৈ বন্তি জ্বলাব অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক বসন্ত কুমাৰ হালৈ, মুদ্ৰণ আৰু লেখন সামগ্ৰী সঞ্চালকালয়, অসমৰ অৱসৰপ্ৰাপ্ত বিষয়া প্ৰতুল হালৈ আৰু নিৰ্মল হালৈ কলেজ, পাটাছাৰকুছিৰ সহকাৰী অধ্যাপিকা ড° স্মিতা ডেকাই। বিয়লি ৫-৩০ বজাত অসমীয়া গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিব বিশিষ্ট সমাজকৰ্মী মুকুল বৰ্মনে। সন্ধিয়া ৭-৩০ বজাত আমন্ত্ৰণমূলক বিহু হুছৰি প্ৰদৰ্শন কৰোৱা হ'ব। নিশা ৮ বজাত শৰৎ চন্দ্ৰ শৰ্মা আৰু কুঞ্জপ্ৰিয়া দেৱী সোঁৱৰণী মঞ্চ উদ্বোধন কৰিব আদৰ্শ বালিকা বিদ্যাপীঠ, পানীগাঁৱৰ শিক্ষক নাৰায়ণ হালৈয়ে। নিশা ৯ বজাত সাংস্কৃতিক অনুষ্ঠানৰ উদ্বোধন কৰিব অসম অলিম্পিক সন্থাৰ সহকাৰী সম্পাদক ত্ৰিনয়ন বৰ্মনে। সাংস্কৃতিক অনুষ্ঠানত ৰহিম ৰাজ, নৱ দাস আৰু প্ৰিয়ংকা কলিতাই সংগীত পৰিবেশন কৰিব। উল্লেখ্য যে, ভেশচন প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ২০১ টকা, দ্বিতীয় পুৰস্কাৰ ১০১ টকা লগতে নিচুকণি বঁটা প্ৰদান কৰা হ'ব। অসমীয়া গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতাৰ ভৰ্তি মাচুল ১০১ টকা নিৰ্ধাৰণ কৰাৰ বিপৰীতে প্ৰথম পুৰস্কাৰ ১,৫০১ টকা, দ্বিতীয় পুৰস্কাৰ ১,৩০১ টকা আৰু তৃতীয় পুৰস্কাৰ হিচাপে ১,১০১ টকা প্ৰদান কৰা হ'ব।

## বগীনদী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভিতৰতে সৰ্বাধিক নম্বৰ লাভ কৰি গৌৰৱ কঢ়িয়ালে কাঠমিস্ত্ৰীৰ জীয়ৰী কবিতা চুতীয়াই

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৪ মে' ঃ** লখিমপুৰ জিলাৰ কদম ৰাজহচক্ৰৰ অন্তৰ্ভুক্ত বচাচুকৰ কষ্ট কৰি জীৱন চলোৱা কাঠ আৰু পকা মিস্ত্ৰীৰ জীয়ৰী কবিতা চুতীয়াই বগীনদী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভিতৰতে সদ্যঘোষিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত কলা শাখাত সৰ্বাধিক নম্বৰ লাভ কৰি সমগ্ৰ বগীনদী অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ৰাজমিস্ত্ৰী হিচাপে কৰ্ম কৰি খোৱা জয়ন্ত চুতীয়া আৰু মাতৃ জান্তি চুতীয়াই অশেষ কষ্টেৰে নিজ জীয়ৰীক অধ্যয়ন কৰোৱাই ছিল। কিন্তু চৰকাৰী মাধ্যমত অধ্যয়ন কৰিও যে সুন্দৰ ফলাফল অৰ্জন কৰিব পাৰে, এই কথা প্ৰমাণ কৰিলে কবিতা চুতীয়াই। ছাত্ৰীগৰাকীয়ে ৮২ শতাংশ নম্বৰ লাভ কৰি উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। ছাত্ৰীগৰাকীয়ে কোনোধৰণৰ ব্যক্তিগত টিউচন লোৱা নাছিল। ছাত্ৰীগৰাকীয়ে ৰিটেইল ট্ৰেড বিষয়ত ৯২, দৰ্শন বিষয়ত ৯১, অসমীয়া বিষয়ত লেটাৰ নম্বৰসহ তথা ইংৰাজীত ৬৯, ইকনমিক্স ৭৭ আৰু ৰাজনীতি বিজ্ঞানত ৭৮ নম্বৰেৰে মুঠ ৪১০ নম্বৰ লাভ কৰে। ছাত্ৰীগৰাকীৰ এই সফলতাত গাঁওবাসী উৎফুল্ল হৈ পৰিছে। ভৱিষ্যতে এগৰাকী অধিবক্তা হোৱাৰ মন ছাত্ৰীগৰাকীৰ।

## বিলাসী বাহনত মৃত অৱস্থাত গোধন উদ্ধাৰ; বিহালীত চাঞ্চল্য

**অসম বাৰ্তা, জিনজিয়া, ৪ মে' ঃ** বিহালী আৰক্ষী থানাৰ অন্তৰ্গত বিহালী ২নং বৰালী মৰাত বিহালী আৰক্ষীৰ নাকা চেকিঙত ASO1 GA 5458 বিলাসী বাহন খনত ৩টা গোধন উদ্ধাৰ কৰে। উল্লেখ্য যে এটা গোধন মৃত অৱস্থাত উদ্ধাৰ কৰে। তথ্য মতে বিহালী ২ নং বৰালীমৰা ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত বিহালী আৰক্ষী থানাৰ সহকাৰী পৰিদৰ্শক প্ৰাঞ্জল শইকীয়াৰ নেতৃত্বত নাকা চেকিং চলি আছিল, সেই সময়তে গহপুৰ দিশৰ পৰা বিশ্বনাথ চাৰিআলি অভিমুখে গৈ থকা উক্ত বাহনখন ৰখাই আৰু বাহনত অবৈধ ভাৱে গোধন সৰবৰাহ লোক কেইজন আৰক্ষী দেখি পলাই যায়। বিলাসী বাহনত এনে ঘটনা সংঘটিত হোৱাত উদ্বেগ প্ৰকাশ কৰিছে বিহালী সচেতন লোকে। বৰ্তমান বিহালী আৰক্ষীয়ে গোধন সহবাহন জব্দ কৰি থানালৈ লৈ যায় আৰু গোধনৰ চিকিৎসাৰ ব্যৱস্থা কৰে।

## বছৰ বছৰ ধৰি চলি থকা সমস্যাত ক্ষুব্ধ ৰাইজ; চৰকাৰী ব্যৱস্থাৰ দাবী তীব্ৰ

# গোলকগঞ্জত গংগাধৰ নৈৰ ভয়ংকৰ গৰাখহনীয়া; শতাধিক পৰিয়াল গৃহহীন

**অসম বাৰ্তা, গোলকগঞ্জ, ৪ মে' ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জৰ পূৱ গাইখোৱা গাঁৱত গংগাধৰ নৈৰ গৰাখহনীয়াই পুনৰ ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। বাৰিষাৰ আৰম্ভণিৰ লগে লগে তীব্ৰ হৈ পৰা এই গৰাখহনীয়াই অঞ্চলটোত বসবাস কৰা লোকসকলক গভীৰ সংকটত পেলাইছে। বহু পৰিয়াল এতিয়া আতংকৰ মাজতে দিন-ৰাতি পাৰ কৰিবলগীয়া হৈছে। স্থানীয় বাসিন্দাসকলৰ অভিযোগ অনুসৰি, গাঁওখনত বছৰ বছৰ ধৰি গৰাখহনীয়া চলি আহিছে। প্ৰতি বছৰে শতাধিক পৰিয়াল গৃহহীন হৈ পৰে আৰু বহুলোক নিজৰ ভিটামাটি হেৰুৱাই অন্য ঠাইলৈ স্থানান্তৰিত হ'বলগীয়া হয়। এইবাৰো ইতিমধ্যে কেইবাটাও গৃহ ভাঙি পৰিছে আৰু শ শ বিঘা খেতিমাটি নদীৰ বুকুত বিলীন হৈছে। গাঁওবাসীয়ে অভিযোগ কৰে যে, ইমান গুৰুত্বপূৰ্ণ সমস্যাৰ পিছতো প্ৰশাসন, জনপ্ৰতিনিধি তথা চৰকাৰৰ পৰা কোনো স্থায়ী সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। ফলত ৰাইজৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। উল্লেখযোগ্য যে, অসম চৰকাৰৰ 'অসম মালা ৩.০' ফ্লেগশ্বিপ পৰিকাঠামো উন্নয়ন প্ৰকল্পৰ অধীনত সোণাহাটস্থিত ITCৰ পৰা গোলকগঞ্জ বজাৰ হৈ শৌলমাৰীলৈকে ১২৭বি নং ৰাষ্ট্ৰীয় ঘাইপথ উন্নয়ন আৰু উন্নতীকৰণৰ কামৰ ঘোষণা কৰা হৈছিল। ২০২৬ চনৰ ১৩ মাৰ্চত পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী তথা ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে এই প্ৰকল্পৰ শুভ উদ্বোধন কৰে। কিন্তু এতিয়ালৈকে কাম আৰম্ভ নোহোৱাত ৰাইজৰ মাজত অসন্তোষ বৃদ্ধি পাইছে। বৰ্তমান গাইখোৱা গাঁৱৰ হাজাৰ হাজাৰ লোক গৰাখহনীয়াৰ আতংকত নিদ্ৰাহীন ৰাতি পাৰ কৰিছে আৰু চৰকাৰক শীঘ্ৰে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে।

## অসমৰ উদীয়মান সাঁতোৰবিদৰ শ্ৰীলংকাৰ 'পাল্ক ষ্ট্ৰেইট' ঐতিহাসিক অভিযান

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৪ মে' ঃ** অহা ৫ মে', মঙ্গলবাৰ ২০২৬ তাৰিখে শ্ৰীলংকাৰ পৰা ভাৰতৰ ধনুষ্কোডি পৰ্যন্ত বিস্তৃত 'পাল্ক ষ্ট্ৰেইট'ত অসমৰ প্ৰতিভাশালী সাঁতোৰবিদসকলে এক দুঃসাহসিক ওপেন ৱাটাৰ অভিযানত অংশগ্ৰহণ কৰিবলৈ সাজু হৈছে। এই কঠিন সমুদ্ৰপথত একক শাখাত আডিত্ৰী ৰয় চৌধুৰী আৰু কমল কৃষ্ণ দাসে নিজৰ দক্ষতা প্ৰদৰ্শন কৰিব। আনহাতে, ৰিলে শাখাত কিউচেংহান ফুকন, জানভী ডাকুৱা আৰু কাংকিতা দাসে দলীয় প্ৰচেষ্টাৰে এই দুৰ্গম জলপথ অতিক্ৰম কৰাৰ লক্ষ্য লৈ আগবাঢ়িছে। অসম সাঁতোৰ সংস্থাৰ প্ৰচাৰ সচিব মুকুটেশ্বৰ গোস্বামীয়ে গুৱাহাটীত সংবাদ মাধ্যমক জনাই যে, এই উদ্যোগে ৰাজ্যখনৰ ওপেন ৱাটাৰ সাঁতোৰত নতুন দিগন্ত উন্মোচন কৰিছে। সংস্থাৰ সাধাৰণ সম্পাদক ভাস্কৰ ৰঞ্জন দাসে অসমৰ অগ্ৰগতিক লৈ সন্তোষ প্ৰকাশ কৰি সকলো সাঁতোৰবিদলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। কঠিন স্ৰোত, বতৰৰ অনিশ্চয়তা আৰু মানসিক দৃঢ়তাৰ পৰীক্ষাৰ মাজেৰে এই অভিযান অসমৰ ক্ৰীড়া ইতিহাসত এক স্মৰণীয় অধ্যায় হিচাপে পৰিগণিত হ'ব বুলি আশা কৰা হৈছে।

## জাঁজীৰ প্ৰণৱ কুমাৰ দত্ত ৰেডিঅ' শ্ৰোতা সংঘ "মৰম আকলুৱা" পৰিয়ালত যোগদান

**অসম বাৰ্তা, জাঁজী, ৪ মে' ঃ** ২০২১ চনৰ ২০ জানুৱাৰীত জন্ম হোৱা অসমৰ জনপ্ৰিয় শ্ৰোতা সংঘৰ "মৰম আকলুৱা" পৰিয়ালত যোগদান কৰিছে শিৱসাগৰ জিলাৰ জাঁজীৰ প্ৰণৱ কুমাৰ দত্তই। আনহাতে এই সংঘত অসমৰ বিভিন্ন জিলাৰ শ্ৰোতা লগ লাগি মাছখোৱা যোৰকটা কাঠগাঁৱত গঠন হৈছিল। উল্লেখ্য যে এই সংঘ প্ৰতিষ্ঠাপক নীলোৎপল দুৱৰাকে মুখ্য কৰি এই শ্ৰোতা সংঘ জনপ্ৰিয়তা আজি বহুগুণে বৃদ্ধি পাইছে। আকাশবাণীৰ এজন নিয়মীয়া শ্ৰোতা পত্ৰলেখক শিৱসাগৰ জিলাৰ জাঁজী খাটোৱাল গাঁৱৰ প্ৰণৱ কুমাৰ দত্তৰ যোগদানে সংঘটো বহু গুণে আগুৱাই নিয়াৰ লগতে শক্তিশালি কৰিব।

## বিহালীৰ ৰতোৱাত এডাল প্ৰকাণ্ড মচুৰা গম সাপ উদ্ধাৰ

**অসম বাৰ্তা, জিনজিয়া, ৪ মে' ঃ** বিশ্বনাথ জিলাৰ অন্তৰ্গত বিহালী সমষ্টিৰ ৰতোৱাত বন বিভাগ আৰু সৰ্প মানৱ পুণ্য প্ৰসাদ খাউণ্ডে উদ্ধাৰ কৰে এডাল প্ৰকাণ্ড মুচুৰা গম সাপ। ৰতোৱাৰ দেৱজিত বৰাৰ ঘৰৰ কাষতে ৰাখি থোৱা কাঠৰ মাজত সোমাই আছিল প্ৰায় তিনি ঘণ্টা ধৰি। সাপ ডাল প্ৰত্যক্ষ কৰাৰ পাছতে গৃহস্থই পাৰ্ভে আঞ্চলিক বন বিভাগত খবৰ দিয়ে। বন বিভাগৰ এটা দলৰ লগতে সৰ্প মানৱ পুণ্য প্ৰসাদ খাউণ্ড উপস্থিত হৈ সাপ ডাল উদ্ধাৰ কৰি পাৰ্ভে বনাঞ্চলত এৰি দিয়াৰ বাবে লৈ যায়। সৰ্প মানৱ পুণ্য প্ৰসাদ খাউণ্ডে যোৱা বৰ্ষটোত প্ৰায় ১০০ ডালৰো অধিক সাপ উদ্ধাৰ কৰিছে বুলি জানিবলৈ দিয়ে।

## পথালিপাহাৰ টোল গেটৰ সমীপত ব'হাগী বিদায় সন্মিলনৰ প্ৰস্তুতি

**অসম বাৰ্তা, বান্দৰদেৱা, ৪ মে' ঃ** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, খেৰাজখাত আঞ্চলিক, সদৌ অসম দেউৰী ছাত্ৰ সন্থা, বান্দৰদেৱা আঞ্চলিক আৰু পিঠাগুৰি, ৰাজগড়, বান্দৰদেৱা, হাৰমতী দেউৰী ৰাইজৰ উদ্যোগত অসমীয়া জাতিৰ স্বাভিমান, অসমীয়াৰ আয়ুস ৰেখা, অতি হেঁপাহৰ ৰঙালী বিহুটিক বিদায় জনোৱাৰ উদ্দেশ্যে পঞ্চদশ সংখ্যক ব'হাগী বিদায় সন্মিলন খনি অহা ২৪ আৰু ২৫ ব'হাগ (ইং, ৮, আৰু ৯ মে') ২০২৬ তাৰিখ শুক্ৰ আৰু শনিবাৰে লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী পথালিপাহাৰ টোল গেটৰ সমীপৰ কুণ্ডিমামা তিনিআলিৰ বিহুবাকৰিত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰিবলৈ আয়োজন কৰা হৈছে। সেয়েহে উক্ত দুয়োদিনৰ সকলো কাৰ্যসূচীত জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো ৰাইজৰ সহায় সহযোগিতা উপস্থিতি কামনা কৰিছে বিহু উদ্‌যাপন সমিতিৰ সভাপতি আৰু প্ৰধান সম্পাদক ক্ৰমে ৰমেন দেউৰী, যুগল ভূ এঞা, সম্পাদকদ্বয় ৰাজা দেউৰী আৰু বসন্ত দত্তই।

## গৰৈমাৰীত ৰঙালী বিহু উদ্‌যাপন

**অসম বাৰ্তা, গৰৈমাৰী, ৪ মে' ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰী আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ ৩৭ সংখ্যক বাৰ্ষিক ৰঙালী বিহু ২ মে'ত দিনজোৰা কাৰ্যসূচীৰে গৰৈমাৰী প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি সিদিনা পুৱা বিহুৰ পতাকা উত্তোলন কৰে গৰৈমাৰী ৰাইজ গয়ৰহৰ সভাপতি কৈলাস কলিতাই। ইয়াৰ পিছত শ্বহীদ তৰ্পন কৰে পূৱ ছমৰীয়া আৰু গৰৈমাৰী শাখা ছাত্ৰ সন্থাৰ সভাপতি জ্ঞানদ্বীপ কলিতা, সম্পাদক ছাদ্দাম হুছেইন, প্ৰাক্তন সভাপতি আমিনুল হকে। গছপুলি ৰোপণ কৰে বিশিষ্ট সমাজকৰ্মী ডাঃ ফজলুল হক চৌধুৰী, আলিকাষ ৰাজ্যিক চিকিৎসালয়ৰ ফাৰ্মাচিষ্ট আদম আলীয়ে। ১১ বজাত বিভিন্ন খেল ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰে শিক্ষক নাগেশ্বৰ কলিতা আৰু আন্তঃৰাষ্ট্ৰীয় নৌকা খেলুৱৈ বিউটী কলিতাই। সন্ধিয়া বন্তি প্ৰজ্বলন কৰে প্ৰবীন কলিতা, নিতুল কলিতা আৰু নীলমণি কলিতাই। সাংস্কৃতিক মঞ্চ মুকলি কৰে বিশিষ্ট ব্যৱসায়ী উত্তম কলিতাই। নিশা আমন্ত্ৰিত কণ্ঠশিল্পী ৰূপালী কাশ্যপৰ লগতে স্থানীয় শিল্পীয়ে গীত-মাত পৰিবেশন কৰে। সাংস্কৃতিক অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে গৰৈমাৰীৰ ব্ৰহ্মপুত্ৰ ভেলী একাডেমীৰ সভাপতি নুৰুল ইছলাম, মাজৰটোপ গাঁও পঞ্চায়তৰ সভানেত্ৰী লাডলী বেগমকে প্ৰমুখ্য কৰি ভালেসংখ্যক অতিথিয়ে অংশগ্ৰহণ কৰে।

## ফকিৰাগ্ৰামত ৫৮ সংখ্যক ব'হাগ বিহু উদ্‌যাপন

**অসম বাৰ্তা, দোতমা, ৪ মে' ঃ** ফকিৰাগ্ৰাম আঞ্চলিক ৰঙালী বিহু উদ্‌যাপন সমিতিৰ উদ্যোগত আয়োজিত এই বিহু অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ মুকলি কৰে বাওঁখুংগ্ৰী সমষ্টিৰ প্ৰাৰ্থী ৰূপম চন্দ্ৰ ৰায়ে। ৰূপম চন্দ্ৰ ৰায়ৰ লগত উপস্থিত থাকে ফকিৰাগ্ৰাম পৰিষদীয় সমষ্টিৰ পাৰিষদ এজামুল হক আৰু বিশিষ্ট ব্যক্তিসকল। অহা অহা বছৰৰ দৰে এইবেলিও ফকিৰাগ্ৰাম আঞ্চলিক ৰঙালী বিহু উদ্‌যাপন সমিতিয়ে ফকিৰাগ্ৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গণত দুদিনীয়া কাৰ্যসূচীৰে বিহু অনুষ্ঠিত কৰে। প্ৰথম দিনা ৰাতিপুৱা বিহু মইনা আৰু বিহু কুঁৱৰী প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া বিটিচিৰ কাৰ্যবাহী সদস্য কৰ্মেশ্বৰ ৰায়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিহু প্ৰতিযোগিতাৰ মঞ্চ মুকলি কৰে। প্ৰথম দিনীয়া কাৰ্যসূচীত অনুষ্ঠিত মুকলি বিহু প্ৰতিযোগিতাত দূৰ দূৰণিৰ পৰা বিহু হুঁচৰি দলে আহি অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। দ্বিতীয় দিনা অৰ্থাৎ আজিৰ সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ হিচাপে জনপ্ৰিয় কণ্ঠশিল্পী দেৱজিৎ বৰাই সংগীত পৰিৱেশন কৰে।

## দেৰগাঁও সমষ্টিত বিপুল ভোটত বিজয়ী ড° মৃদুল কুমাৰ দত্ত

**অসম বাৰ্তা, দেৰগাঁও, ৫ মে' ঃ** আজি ঘোষণা কৰা বিধানসভা নিৰ্বাচনৰ ঘোষিত ফলাফলত গোলাঘাট জিলাৰ ১০৪নং বিধানসভা সমষ্টিত বিজেপিৰ প্ৰাৰ্থী ড° মৃদুল কুমাৰ দত্ত বিপুল ভোট লাভেৰে জয়ী হয়। ভাৰতীয় জনতা পাৰ্টীৰ এগৰাকী প্ৰবীন নিষ্ঠাবান নেতা দত্তৰ বিজয়ত দেৰগাঁৱত আজি দলীয় কৰ্মী সমৰ্থক সকলে বম ফটকা ফুটাই আবতৰীয়া দেৱালী উদযাপনেৰে আনন্দত মতলীয়া হোৱা দেখা যায়। দত্তৰ নিকটতম প্ৰতিদণ্ডি কংগ্ৰেছৰ সাগৰীকা বৰাই ৫৩০৯৬টা ভোট লাভ কৰাৰ বিপৰীতে ড° মৃদুল কুমাৰ দত্তই লাভ কৰা ভোটৰ পৰিমাণ হ'ল ৯০০৪৯টা। সৰ্বমুঠ ৩৬, ৯৫৩টা ভোটৰ ব্যবধানত কংগ্ৰেছ প্ৰাৰ্থী গৰাকীক পৰাস্ত কৰি প্ৰথমবাৰলৈ ড° মৃদুল কুমাৰ দত্ত অসম বিধানসভালৈ নিৰ্বাচিত হয়। সমষ্টিটোত আপৰ প্ৰাৰ্থী পুলিন গগৈয়ে লাভ কৰে ২৯০২টা ভোট। দেৰগাঁৱত মুঠ ১৭৭৯৩৯ গৰাকী ভোটাৰৰ বিপৰীতে এই নিৰ্বাচনত ভোটদান কৰিছিল ১৪, ৬০৪৭গৰাকী ভোটাৰে। ইয়াৰে নটাত ভোটদান হৈছিল ২৫৮৩টা আৰু নাকচ হৈছিল ৩৩২টা।

## গোৱালপাৰাৰ দুখন আসনত বিজেপিৰ বিজয় ধ্বজা

# দুধনৈত টংকেশ্বৰ ৰাভাৰ অভিলেখ সৃষ্টি কৰি জয়লাভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, দুধনৈ, ৫ মে' ঃ** এমাহজোৰা দীঘলীয়া অপেক্ষাৰ অন্তত আজি ঘোষিত হ'ল বহু প্ৰত্যাশিত বিধানসভা নিৰ্বাচনৰ ফলাফল। গোৱালপাৰা জিলাৰ চাৰিটা সমষ্টিৰ ভিতৰত এই বাৰ সকলোৰে দৃষ্টি নিবদ্ধ হৈ থকা ১৫ নং দুধনৈ (অনুসূচীত জনজাতি) সমষ্টিত বিজেপিৰ প্ৰাৰ্থী তথা ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই এক বৃহৎ জয়লাভ সাব্যস্ত কৰিছে। কেৱল জয়েই নহয়, ভোটৰ ব্যৱধানৰ দিশৰ পৰাও তেওঁ দুধনৈ সমষ্টিৰ নিৰ্বাচনী ইতিহাসত এক নতুন অভিলেখ গঢ়ি বলৈ সক্ষম হৈছে। ভোটগণনাৰ আৰম্ভণিৰে পৰাই প্ৰতিটো ৰাউণ্ডতে অগ্ৰগতি বজাই ৰখা টংকেশ্বৰ ৰাভাই মুঠ ১,০০,৩৫৩টা ভোট লাভ কৰে। তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছ প্ৰাৰ্থী কিশোৰ কুমাৰ ব্ৰহ্মাই লাভ কৰে ৫২, ৭১৬টা ভোট। ফলস্বৰূপে, বিজেপি প্ৰাৰ্থীগৰাকীয়ে ৪৭, ৬৪৭টা বিশাল ভোটৰ ব্যৱধানত জয়ী হৈ বিধানসভালৈ নিজৰ টিকট নিশ্চিত কৰে। জিলাখনৰ আন এক গুৰুত্বপূৰ্ণ সমষ্টি পশ্চিম গোৱালপাৰাতো বিজেপিৰ জয়জয়কাৰ দেখা গৈছে। এই সমষ্টিত বিজেপি প্ৰাৰ্থী পবিত্ৰ ৰাভাই কংগ্ৰেছৰ মাৰ্কলিন মাৰাকক ৩৯, ৯১৭টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। পবিত্ৰ ৰাভাই মুঠ ৯২, ২১৬টা ভোট লাভ কৰাৰ বিপৰীতে মাৰাকৰ ঝুলিত জমা হয় ৫২, ২৯৯টা ভোট। উল্লেখ্য যে পবিত্ৰ ৰাভা কনিষ্ঠতম বিজয়ী প্ৰাৰ্থী। বিজেপিয়ে দুখন আসনত আধিপত্য বিস্তাৰ কৰিলেও জিলাখনৰ আন দুটা সমষ্টিত কংগ্ৰেছে নিজৰ দখল বজাই ৰাখিছে। জলেশ্বৰ সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থী আফতাবউদ্দীন মোল্লাই বিজয় সাব্যস্ত কৰে। আনহাতে গোৱালপাৰা পূব সমষ্টিত বৰ্তমানৰ বিধায়ক কংগ্ৰেছৰ আব্দুল কালাম ৰচিদ আলমে পুনৰবাৰ জয়লাভ কৰি নিজৰ স্থিতি সবল কৰে। দুধনৈৰ ঐতিহাসিক জয়ৰ পাছতে সমগ্ৰ অঞ্চলটোত উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। দুধনৈস্থিত বিজেপি কাৰ্যালয়, ৰাভা হাছং যৌথ মঞ্চৰ কাৰ্যালয়ৰ লগতে টংকেশ্বৰ ৰাভাৰ বাসগৃহত সমৰ্থকৰ লানি নিছিগা সোঁত বৈছে। সমৰ্থকসকলে ফটকা ফুটাই, আবীৰ সানি আৰু ঢোল-তাল বজাই এক আনন্দময় পৰিৱেশৰ সৃষ্টি কৰে। বিজয়ী প্ৰাৰ্থীগৰাকীক ফুলেৰে ওপচাই পেলাই বহু শুভাকাংক্ষীয়ে আগন্তুক দিনত সমষ্টিটোৰ উন্নয়নৰ ধাৰা অধিক ক্ষিপ্ৰ হ'ব বুলি আশা ব্যক্ত কৰে। দুয়োগৰাকী বিজেপি প্ৰাৰ্থীয়ে আগন্তুক দিনত ৰাইজৰ সৈতে একেলগে কামকৰি যাব বুলি সংবাদ মাধ্যমক অৱগত কৰে।

## সাঁতোৰবিদ শ্ৰীলংকাৰ 'পাল্ক ষ্ট্ৰেইট'ত ঐতিহাসিক অভিযানৰ বাবে সাজু

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৫ মে' ঃ** অহা ৫ মে', মঙ্গলবাৰে শ্ৰীলংকাৰ পৰা ভাৰতৰ ধনুষ্কোডি পৰ্যন্ত বিস্তৃত 'পাল্ক ষ্ট্ৰেইট'ত অসমৰ প্ৰতিভাশালী সাঁতোৰবিদসকলে এক দুঃসাহসিক ওপেন ৱাটাৰ অভিযানত অংশগ্ৰহণ কৰিবলৈ সাজু হৈছে। এই কঠিন সমুদ্ৰপথত একক শাখাত আডিত্ৰী ৰয় চৌধুৰী আৰু কমল কৃষ্ণ দাসে নিজৰ দক্ষতা প্ৰদৰ্শন কৰিব। আনহাতে, ৰিলে শাখাত কিউচেংহান ফুকন, জানভী ডাকুৱা আৰু কাংকিতা দাসে দলীয় প্ৰচেষ্টাৰে এই দুৰ্গম জলপথ অতিক্ৰম কৰাৰ লক্ষ্য লৈ আগবাঢ়িছে। অসম সাঁতোৰ সংস্থাৰ প্ৰচাৰ সচিব মুকুটেশ্বৰ গোস্বামীয়ে গুৱাহাটীত সংবাদ মাধ্যমক জনাই যে, এই উদ্যোগে ৰাজ্যখনৰ ওপেন ৱাটাৰ সাঁতোৰত নতুন দিগন্ত উন্মোচন কৰিছে। সংস্থাৰ সাধাৰণ সম্পাদক ভাস্কৰ ৰঞ্জন দাসে অসমৰ অগ্ৰগতিক লৈ সন্তোষ প্ৰকাশ কৰি সকলো সাঁতোৰবিদলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। কঠিন স্ৰোত, বতৰৰ অনিশ্চয়তা আৰু মানসিক দৃঢ়তাৰ পৰীক্ষাৰ মাজেৰে এই অভিযান অসমৰ ক্ৰীড়া ইতিহাসত এক স্মৰণীয় অধ্যায় হিচাপে পৰিগণিত হ'ব বুলি আশা কৰা হৈছে।

অজন্তা নেওগ, অতুল বৰা, বিশ্বজিৎ ফুকন, মৃণাল শইকীয়া আৰু ড° মৃদুল কুমাৰ দত্তৰ বৃহৎ জয়

# গোলাঘাট জিলাত ধূলিসাৎ হ'ল বিৰোধী ঐক্য মঞ্চ

**অসম বাৰ্তা ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৫ মে' ঃ** আজি অসম বিধানসভা নিৰ্বাচনৰ ভোট গণনাত গোলাঘাট জিলাত ধূলিসাৎ হ'ল বিৰোধী ঐক্য মঞ্চৰ আটাইকেইজন প্ৰাৰ্থী। বিশেষকৈ জিলাখনৰ পাঁচোটা বিধানসভা সমষ্টি ক্ৰমে গোলাঘাট, বোকাখাট, সৰুপথাৰ, খুমটাই আৰু দেৰগাঁৱত বিপুল ভোটৰ ব্যৱধানত থমকি ৰ'ব লগা হ'ল বিৰোধী ঐক্যমঞ্চ। ইয়াৰ লগে লগে বিৰোধীৰ সকলো দম্ভ, অহংকাৰ দৰ্প চূৰ্ণ হ'ল গোলাঘাট জিলাত। আজি ঘোষিত নিৰ্বাচনী ফলাফলত জিলাখনৰ গোলাঘাট সমষ্টিত বিজেপি প্ৰাৰ্থী অজন্তা নেওগে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ বিতোপন শইকীয়াক প্ৰায় ৪৩, ৭৫৯টা ভোটৰ ব্যৱধানত পৰাস্ত কৰি বিজয় সাব্যস্ত কৰে। ষষ্ঠ বাৰৰ বাবে গোলাঘাটৰ পৰা বিধায়িকা হিচাপে জয় লাভ কৰা অজন্তা নেওগে মুঠ ১,০২,২১২টা ভোট লাভ কৰাৰ বিপৰীতে ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী বিতোপন শইকীয়াই লাভ কৰে ৫৮, ৪৫৬টা ভোট। একেদৰে বোকাখাট বিধানসভা সমষ্টিত অগপৰ সভাপতি অতুল বৰাই জিলাখনৰ ভিতৰতে সৰ্বাধিক ৬০, ৫৩৭টা ভোটৰ ব্যৱধানত নিকটতম প্ৰতিদ্বন্দ্বী ৰাইজৰ দলৰ প্ৰাৰ্থী হৰিপ্ৰসাদ শইকীয়াক পৰাস্ত কৰে। বোকাখাটৰ পৰা তৃতীয় বাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হোৱা অতুল বৰাই মুঠ ৮০, ৯৮৭টা ভোট লাভ কৰাৰ বিপৰীতে ৰাইজৰ দলৰ প্ৰাৰ্থী হৰিপ্ৰসাদ শইকীয়াই ২০, ৪৫০টা ভোট লাভ কৰিবলৈ সক্ষম হয়। সৰুপথাৰ বিধানসভা সমষ্টিত বিজেপি প্ৰাৰ্থী বিশ্বজিৎ ফুকনে ৫৬, ০৮০টা ভোটৰ ব্যৱধানত নিকটতম প্ৰতিদ্বন্দ্বী অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী জীৱন চুতীয়াক পৰাজিত কৰিবলৈ সক্ষম হয়। সমষ্টিটোৰ পৰা দ্বিতীয়বাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হোৱা বিশ্বজিৎ ফুকনে লাভ কৰে মুঠ ৯৬, ৩৪১ কাম আৰু তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী অজাপৰ জীৱন চুতীয়াই লাভ কৰে ৪০, ২৬১টা ভোট। সেইদৰে খুমটাই বিধানসভা সমষ্টিত বিজেপি প্ৰাৰ্থী মৃনাল শইকীয়াই মুঠ ৫৮, ৪১২ ভোটৰ ব্যৱধানত তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ ৰ'জলীনা তিৰ্কীক পৰাজিত কৰে। খুমটাইৰ পৰা তৃতীয় বাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত মৃণাল শইকীয়াই মুঠ ৯১, ১২৭টা ভোট লাভ কৰাৰ বিপৰীতে কংগ্ৰেছৰ ৰ'জলীনা তিৰ্কীয়ে লাভ কৰে ৩২, ৭১৫ কাম ভোট। ইফালেদি, জিলাখনৰ দেৰগাঁও বিধানসভা সমষ্টিত বিজেপিৰ প্ৰাৰ্থী ড° মৃদুল কুমাৰ দত্তই মুঠ ৩৬, ৯৫৩টা ভোটৰ ব্যৱধানত তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ সাগৰিকা বৰাক পৰাজিত কৰে। প্ৰথম বাৰৰ বাবে বিজেপি বিধায়ক হিচাপে নিৰ্বাচিত ড° মৃদুল দত্তই মুঠ ৯০, ০৪৯টা ভোট লাভ কৰাৰ বিপৰীতে সাগৰিকা বৰাই লাভ কৰে মুঠ ৫৩, ০৯৬টা ভোট।

***অজন্তা নেওগৰ প্ৰতিক্ৰিয়া ঃ***

আজি ষষ্ঠ বাৰৰ বাবে গোলাঘাটৰ পৰা বিজয় সাব্যস্ত কৰা অজন্তা নেওগে নিৰ্বাচনী ফলাফল ঘোষণা হোৱাৰ পিছতে তাৎক্ষণিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সংবাদ মাধ্যমৰ সন্মুখত কয় যে, "আমাৰ এই বিজয় প্ৰত্যাশিত আছিল। বিজেপি আৰু এনডিয়েই অতি পৰিকল্পিতভাৱে এই নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। ৰাজ্যখনৰ সামগ্ৰিক উন্নয়ন আৰু বিকাশৰ বাবেই ৰাইজে এনডিএক আশীৰ্বাদ প্ৰদান কৰিছে। তেওঁ লগতে কয় যে, গোলাঘাট জিলাৰ পৰা নিৰ্বাচিত এনডিএৰ প্ৰতিগৰাকী বিধায়কৰ দায়িত্ব বাঢ়িল। কাৰণ বিগত নিৰ্বাচনত যি হাৰত ভোটাৰ ৰাইজে ভোট প্ৰদান কৰিলে, তাৰ পৰাই সহজে অনুমেয় যে ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি মিত্ৰজোঁটৰ চৰকাৰ খনৰ প্ৰতি গভীৰ আস্থা আছে। ৰাইজৰ এই আস্থাৰ বাবেই অসমত বিজেপি মিত্ৰজোঁটে আজি তৃতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰিবলৈ নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰা বুলি মন্তব্য কৰে অজন্তা নেওগে। নেওগে জিলাখনত পাঁচোটা বিধানসভা সমষ্টিত এনডিএৰ প্ৰাৰ্থী জয়ী হোৱাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নিতীন নবীন, ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, সকলো অংশীদাৰী দলৰ মূৰব্বী কৰ্মকৰ্তা আৰু বিজেপিৰ প্ৰতিটো স্তৰৰ কৰ্মকৰ্তাকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। এইবাৰ বিধানসভা নিৰ্বাচনত অজন্তা নেওগক গোলাঘাট সমষ্টিৰ ৰাইজে বিপুল হাৰত আশীৰ্বাদ প্ৰদান কৰাত সমষ্টিবাসীৰ ওচৰত তেওঁ চিৰদিন ঋণী হৈ থকাৰ কথাও প্ৰকাশ কৰে। অজন্তা নেওগে লগতে নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি গোলাঘাটক এক নতুন গোলাঘাট হিচাপে নিৰ্মাণ কৰাৰ বাবে আগন্তুক দিনত কাম কৰাৰ আশ্বাস দিয়াৰ লগতে এইবাৰ জিলাখনৰ পাঁচগৰাকী বিধায়ক একত্ৰিত হৈ জিলাখনত বহু উন্নয়নমূলক কাম কৰাৰো আশ্বাস প্ৰদান কৰে।

***অতুল বৰাৰ প্ৰতিক্ৰিয়া ঃ***

নিৰ্বাচনী ফলাফল পাছতে সংবাদ মাধ্যমৰ সন্মুখত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অতুল বৰাই বোকাখাতৰ ৰাইজক অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি কয় যে, এনডিএৰ সহযোগী দলসমূহে অতি নিষ্ঠাৰে নিৰ্বাচনী কাম কাজ কৰি ৰাইজৰ মাজলৈ গৈছিল। ২০১৬, ২০২১ তকৈ এইবাৰ বিপুল ভোটৰ ব্যৱধানত বোকাখাট পৰা ৰাইজে তেওঁক তৃতীয় বাৰৰ বাবে সমষ্টিটোৰ পৰা নিৰ্বাচিত কৰাত ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন এন ডি এৰ চৰকাৰৰ প্ৰতি থকা ৰাইজৰ আস্থাকে প্ৰতিয়মান কৰিলে। বিগত সময়ছোৱাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমগ্ৰ ৰাজ্যৰ উন্নয়ন আৰু বিকাশৰ বাবে যেনেদৰে কাম কৰিলে তাৰ বাবেই ৰাজ্যবাসীয়ে বিপুল হাৰত জনাদেশ প্ৰদান কৰিলে বুলি মন্তব্য কৰি অতুল বৰাই কয় যে, এতিয়া আমি পূৰ্বতকৈ বেছি সংকল্পবদ্ধ হ'ব লাগিব আৰু ৰাইজে বিচৰাৰ ধৰণে আমি কাম কৰিব লাগিব। আনহাতেদি বৰাই তিনি গগৈৰ সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰি কয় যে, তিনি গগৈৰ কোনো কাম নাই, কংগ্ৰেছৰ নেতৃত্বত যি ঐক্যৰ কথা কোৱা হয় প্ৰকৃততে নতুন নতুন আঞ্চলিক দলসমূহৰ জন্মদাতা খুদ কংগ্ৰেছেই। কংগ্ৰেছৰ পৃষ্ঠপোষকতাতে অসমত এই দলসমূহৰ জন্ম হৈছিল। কংগ্ৰেছে দীৰ্ঘদিন ধৰি কেন্দ্ৰ আৰু ৰাজ্যৰ শাসনত আছিল যদিও কেৱল দুৰ্নীতি ভ্ৰষ্টাচাৰ নিমজ্জিত হৈ থকাৰ বাবেই আজি ৰাজ্যবাসীয়ে কংগ্ৰেছক আস্থাত লোৱা নাই। কংগ্ৰেছৰ সকলো কেইজন মুখ্যমন্ত্ৰীৰ তুলনাত বিজেপিৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিগত সময়ছোৱাত ৰাজ্যৰ খনৰ বাবে কৰা উন্নয়ন আৰু বিকাশক বৰাই একেমুখে প্ৰশংসা কৰে।

***বিশ্বজিৎ ফুকনৰ প্ৰতিক্ৰিয়াঃ***

নিৰ্বাচনী ফলাফল পাছত সৰুপথাৰ সমষ্টিৰ পৰা পুনৰ বাৰ নিৰ্বাচিত হোৱা বিধায়ক বিশ্বজিৎ ফুকনে সংবাদ মাধ্যমৰ সন্মুখত মন্তব্য কৰি কয় যে, "ৰাইজৰ বিপুল জনাদেশে আমাৰ দায়িত্ব দুগুণে বৃদ্ধি কৰিলে। ৰাইজৰ আশা-আকাংখ্যা, সপোন বাস্তৱত পৰিণত কৰিবৰ বাবে মই বদ্ধপৰিকৰ আৰু সদায়েই দায়বদ্ধ। উন্নয়নৰ সপক্ষে অসমবাসীৰ এই ৰায়দান। সৰুপথাৰ সমষ্টিত উন্নয়নে এইবাৰ আকাশ চুব।" সৰুপথাৰ সমষ্টিৰ পৰা বৃহৎ ব্যৱধানেৰে বিজয় সাব্যস্ত কৰা দ্বিতীয়টো কাৰ্যকালৰ বাবে নৱ-নিৰ্বাচিত বিধায়ক বিশ্বজিৎ ফুকনে ফলাফলৰ অন্তত এনেদৰে মন্তব্য কৰে। তেওঁ লগতে কয় যে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত প্ৰতিষ্ঠা হ'বলগীয়া বলিষ্ঠ চৰকাৰখনে অসমবাসীৰ আশা-আকাংখ্যা পূৰণ কৰিবলৈ নিশ্চিতভাৱে সক্ষম হ'ব। সৰুপথাৰৰ অসম জাতীয় পৰিষদৰ প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী জীৱন চুতীয়াৰ সন্দৰ্ভত কোনো ধৰণৰ মন্তব্য প্ৰকাশ নকৰি শুভ কামনাহে জ্ঞাপন কৰে। বিৰোধী ঐক্য ধূলিসাৎ হোৱা সন্দৰ্ভত বিৰোধী কেৱল কাগজৰহে বাঘ। তেওঁলোকে কেৱল আনক তুচ্ছ তাচ্ছিল্য, সমালোচনা কৰিবহে জানে। ঋণাত্মক ৰাজনীতি পৰিহাৰ কৰি যোগাত্মক, গঠনমূলক ৰাজনীতিৰে ভৱিষ্যতে ভাল বিৰোধী হ'বলৈও তেওঁ আহ্বান জনায়। এটা সময়ত হ'বাৰ ধাৰাবাহিকতাৰে গিণিজ বুক অৱ ৰেকৰ্ডছত গঢ়িব বুলিও কতাক্ষ কৰে। উল্লেখ্য যে, সৰুপথাৰ সমষ্টিৰ ১৮৮৩৬৭ মুঠ ভোটাৰৰ ভিতৰত এইবাৰ ১৪৯৭৭৩ সংখ্যক ভোটাৰে ভোটদান সাব্যস্ত কৰে। বিজেপি প্ৰাৰ্থী বিশ্বজিৎ ফুকনে লাভ কৰে ৫৬০৮০ টা, অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী জীৱন চুতীয়াই ৪০২৬১টা আৰু ঝাৰখণ্ড মুক্তি মৰ্চাৰ প্ৰাৰ্থী চাহিল মুণ্ডাই লাভ কৰে ১১৮১৪টা ভোট।

***মৃনাল শইকীয়াৰ প্ৰতিক্ৰিয়াঃ***

কোনো নিৰ্বাচনী সভা অনুষ্ঠিত নকৰি খুমটাইত তৃতীয় বাৰৰ বাবে বিধায়ক হোৱা মৃণাল শইকীয়াই আজি সংবাদ মাধ্যমক তেওঁৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে, আজি যথেষ্ট ভাল লাগিছে। মই অন্য দল তথা প্ৰাৰ্থীৰ বিৰুদ্ধে বক্তব্য ৰাখি অন্য দলৰ বদনাম কোৱা নাছিলো। সমষ্টিবাসীক মই আহ্বান জনাইছিলোঁ মোক যদি প্ৰচণ্ড কৰে মোক ভোট দিব যদি অইনক প্ৰচণ্ড কৰে তেওক ভোট দিব। সমষ্টিৰ ভোটাৰ সকলে মোক ইমান বিপুল সংখ্যক ভোটত জয়যুক্ত কৰিব বুলি মই ভবা নাছিলোঁ। খুমটাই বাসী ৰাইজে মোৰ ওপৰত ইমান আস্থা আৰু বিশ্বাস ৰখাৰ বাবে ৰাইজক সশ্ৰদ্ধ প্ৰণিপাত আৰু আন্তৰিক ধন্যবাদ জনাই মৃনাল শইকীয়াই। তেওঁ লগতে কয় যে, অসমৰ উন্নয়ন আৰু বিকাশৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লোৱা উদ্যোগৰ বাবেই আজি ৰাজ্যত হিলদল ভাঙি ওলাই আহিল ৰাজ্যবাসী। যাৰবাবে আজি অসমত বিজেপিৰ সপক্ষে জনাদেশ আহিল।

***ড° মৃদুল কুমাৰ দত্তৰ প্ৰতিক্ৰিয়া ঃ***

বিধান সভালৈ দেৰগাওঁ সমষ্টিৰ পৰা প্ৰথম বাৰলৈ নিৰ্বাচিত হোৱা ড° মৃদুল কুমাৰ দত্তই কয় দীৰ্ঘদিনৰ পৰা বিজেপি দলত আছো আৰু প্ৰাৰ্থীত্ব লাভ কৰি ৰাইজৰ বিপুল সমৰ্থন লাভ কৰিলো। এতিয়া দায়িত্ব বাঢ়িল, সমষ্টিটোৰ সৰ্বাংগীণ উন্নয়নেই হব মোৰ প্ৰথম লক্ষ্য।

চিদলী-চিৰাঙত বিপিএফ আৰু বিজনীত বিজেপি

# চিৰাঙৰ দুটা বিধানসভা সমষ্টি এনডিএৰ দখলত

**অসমবাৰ্তা, বিজনী, ৫ মে' ঃ** ঘোষণা কৰা হ'ল ২০২৬ ৰ অসমসহ পাঁচ ৰাজ্যৰ বিধানসভাৰ ফলাফল। চিৰাং জিলাৰ জিলা সদৰ কাজলগাঁওস্থিত উপেন্দ্ৰ নাথ ব্ৰহ্ম মহাবিদ্যালয়ত চিৰাং জিলাৰ দুটা বিধানসভা সমষ্টিৰ ভোট গণনা অনুষ্ঠিত হয়। কাজলগাঁৱত ১৯ নং চিদলী-চিৰাং(জনজাতি) বিধানসভা সমষ্টি আৰু ২০ বিজনী বিধানসভা সমষ্টিৰ ভোটগণনা কৰা হয়। ১৯ নং চিদলী-চিৰাং(জনজাতি) বিধানসভা সমষ্টিত মুঠ ২২ ৰাউণ্ডত আৰু ২০ নং বিজনী বিধানসভা সমষ্টিত মুঠ ১৯ ৰাউণ্ডত ভোট গণনা কৰা হয়। ১৯ নং চিদলী-চিৰাং(জনজাতি) বিধানসভা সমষ্টিত মুঠ চাৰি গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছিল তাৰে ভিতৰত এনডিএ সমৰ্থিত বিপিএফ দলৰ প্ৰাৰ্থী পানীৰাম ব্ৰহ্মই ৩৮ হেজাৰ ৬০১টা ভোটৰ ব্যৱধানত ইপিপিএল দলৰ প্ৰাৰ্থী ৰঞ্জিত বসুমতাৰীক পৰাস্ত কৰে। এনডিএ সমৰ্থিত বিপিএফ দলৰ প্ৰাৰ্থী পানীৰাম ব্ৰহ্মই মুঠ ১ লাখ ১ হেজাৰ ২৭৫টা ভোট লাভ কৰাৰ বিপৰীতে ইপিপিএল দলৰ প্ৰাৰ্থী ৰঞ্জিত বসুমতাৰী লাভ কৰে ৬২ হেজাৰ ৬৭৪টা ভোট লাভ কৰে। বিৰোধী মিত্ৰজোঁট সমৰ্থিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী মতিলাল নাৰ্জাৰীয়ে ১৮ হেজাৰ ৯৭৬ টা, ভোটাৰচ পাৰ্টি ইণ্টাৰনেচনেলৰ প্ৰাৰ্থীয়ে ২ হেজাৰ ৬৯৭টা আৰু ন'টাত ৩ হেজাৰ ৩০২টা ভোট হয়। আনহাতে চিৰাং জিলাৰ অন্যতম সমষ্টি হৈছে ২০ নং বিজনী বিধানসভা সমষ্টি। ২০নং বিজনী বিধানসভা সমষ্টিত মুঠ ১৩ গৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। বিজনী বিধানসভা সমষ্টিত এনডিএ সমৰ্থিত বিজেপি দলৰ প্ৰাৰ্থী অৰূপ কুমাৰ দে জয়লাভ কৰে। বিজেপি দলৰ প্ৰাৰ্থী অৰূপ কুমাৰ দে মুঠ ৭১ হেজাৰ ৭০৮টা ভোট লাভ কৰে। অৰূপ কুমাৰ দে ৩৩ হেজাৰ ৯২৭টা ভোটৰ বৃহৎ ব্যৱধানত ইপিপিএল দলৰ প্ৰাৰ্থী কমল সিং নাৰ্জাৰীক পৰাজিত কৰে। বিজনী বিধানসভা সমষ্টিত অৰূপ কুমাৰ দেৰ বিপৰীতে ইউপিপিএল দলৰ প্ৰাৰ্থী কমল সিং নাৰ্জাৰী ৩৭হেজাৰ ৮৭৮১টা ভোট, নিৰ্দলীয় প্ৰাৰ্থী খুলিলুৰ ৰহমান ২৬ হেজাৰ ৭৫৮টা ভোট, বিৰোধী মিত্ৰজোঁট সমৰ্থিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী ৰজত কান্তি সাহা ৯হেজাৰ ৪৫৬টা ভোট, নিৰ্দলীয় প্ৰাৰ্থী ডিম্বেশ্বৰ বড়ো ৬হেজাৰ ৩৩৮টা ভোট, এ এইউ ডি এফ দলৰ প্ৰাৰ্থী মুছুখা বসুমতাৰী ২ হেজাৰ ৯৮৭টা ভোট, নাছিৰ উদ্দিন খান ২ হেজাৰ ৭৮০টা ভোট, নিৰ্দলীয় প্ৰাৰ্থী কন্দৰ্প ৰায় ১ হেজাৰ ৪৬৯টা ভোট, গণ সুৰক্ষা পাৰ্টিৰ প্ৰাৰ্থী তথা কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ ৯৫৮টা ভোট, নিৰ্দলীয় প্ৰাৰ্থী মনোৰঞ্জন বৰ্মন ৭৯৫টা ভোট, ভাৰতীয় গণ পৰিষদৰ প্ৰাৰ্থী নীলাঞ্জনা চক্ৰৱৰ্তী ৭৮৫টা ভোট, নিৰ্দলীয় প্ৰাৰ্থী প্ৰভাত বসুমতাৰী ৫৭৬টা ভোট, নিৰ্দলীয় প্ৰাৰ্থী আব্দুল হাই নাগৰী ৫৪৫টা ভোট লাভ কৰে আৰু নটাত ২ হেজাৰ ১৫০টা ভোট হয়। বিজনীত শান্তিপূৰ্ণভাৱে ভোটগণনা প্ৰক্ৰিয়া অনুষ্ঠিত হয়।

## ৰূপহীহাটৰ ছাইদৰীয়াত বুজন পৰিমাণৰ ড্ৰাগছসহ গ্ৰেপ্তাৰ ১

**অসম বাৰ্তা, ৰূপহীহাট, ৪ মে' ঃ** ৰূপহীহাটত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। ৰূপহীহাট আৰক্ষী থানাৰ বিষয়া সূৰুজ দত্তই এক গোপন সূত্ৰৰ পম খেদি আজি পুৱা পূৰ ছাইদৰীয়াত ড্ৰাগছৰ বিৰুদ্ধে চলায় অভিযান। আৰক্ষীৰ অভিযানত এটা চাবোনৰ বাকচ ভৰ্তি ড্ৰাগছসহ গ্ৰেপ্তাৰ কৰে এজন সৰবৰাহকাৰীক। ধৃত সৰবৰাহকাৰীজনৰ নাম ফাইজুৰ ৰহমান। আৰক্ষীয়ে জব্দ কৰা ড্ৰাগছখিনিৰ ওজন ১১ গ্ৰাম। ৰূপহীহাট আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত সৰবৰাহকাৰীজনক জেৰা অব্যাহত ৰাখিছে।

গৰৈমাৰীত নিশা বিধায়ক ৰেকিবুদ্দিন আহমেদক উষ্ম আদৰণি

# এই জয়লাভ ছমৰীয়া সমষ্টিৰ উন্নয়ন বিচৰা জনসাধাৰণৰ জয়লাভ ঃ ৰেকিবুদ্দিন আহমেদ



**অসম বাৰ্তা, গৰৈমাৰী, ৫ মে' ঃ** সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত নৱগঠিত ছমৰীয়া সমষ্টিৰ প্ৰথমজন বিধায়ক হিচাপে জয়লাভ কৰা ৰেকিবুদ্দিন আহমেদক যোৱা নিশা গৰৈমাৰীত উষ্ম আদৰণি জনোৱা হয়। উল্লেখ্য যে ইয়াৰ পূৰ্বে ৰেকিবুদ্দিন আহমেদ ছয়গাঁও সমষ্টিৰ পৰা তিনিবাৰকৈ জয়ী হৈছিল। এইবেলি অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ দলৰ প্ৰাৰ্থী ৰেকিবুদ্দিন আহমেদে মুঠ ১, ৪৯, ৭২০ টা, এ আই ইউ ডি এফৰ প্ৰাৰ্থী ইমদাদ হুছেইন ৭১, ০২৪টা, বিজেপি মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী নুৰুল ইছলাম ৯, ৫৭০ টা, নিৰ্দলীয় প্ৰাৰ্থী নুৰুল ইছলাম ৬১৮ টা, নিৰ্দলীয় প্ৰাৰ্থী ছুমাইৰ লস্কৰে ৯৭৩টা আৰু ভাৰতীয় সমাজবাদী দলৰ প্ৰাৰ্থী দিলোৱাৰা হুছেইনে ১, ৩৩১টা ভোট লাভ কৰাৰ বিপৰীতে ন'টাত ১, ৩৩৬টা ভোট পৰে। ইপিনে কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী ৰেকিবুদ্দিন আহমেদ জয়লাভ কৰাৰ পিছত নিশা সহপৰিয়ালে গৰৈমাৰীৰ ৰাজীৱ ভৱনত উপস্থিত হোৱাৰ পিছত চতুৰ্থবাৰৰ বাবে নিৰ্বাচিত ৰেকিবুদ্দিনক দলীয় সমৰ্থকসকলে ফুলৰ মালা আৰু গামোচাৰে উষ্ম আদৰণি জনায়। আনকি নিশা কংগ্ৰেছৰ সমৰ্থকসকলে গৰৈমাৰীৰ ৰাজীৱ ভৱন চৌহদত ফটকা-আতচবাজী ফুটাই আনন্দ উল্লাস কৰা পৰিলক্ষিত হয়। ইপিনে ছমৰীয়া সমষ্টিৰ পৰা প্ৰথমজন বিধায়ক হিচাপে জয়লাভ কৰি নিজৰ প্ৰতিক্ৰিয়াত ৰেকিবুদ্দিন আহমেদে এই জয়লাভ ছমৰীয়া সমষ্টিৰ উন্নয়ন বিচৰা জনসাধাৰণৰ জয়লাভ বুলি কয়।

# এই বিজয় মোৰ নিজৰ নহয়, সমগ্ৰ দুধনৈ সমষ্টিৰ প্ৰতিগৰাকী সচেতন ভোটাৰ আৰু সৰ্বসাধাৰণ ৰাইজৰ বিজয় ঃ টংকেশ্বৰ ৰাভা

সমষ্টিবাসীয়ে উন্নয়ন আৰু শান্তিৰ পক্ষত থিয় দিলে

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ৫ মে' ঃ** প্ৰবল জনমতক শিৰত লৈ নিৰ্বাচনী যুঁজত ৪৭ হেজাৰোধিক ভোটৰ ব্যৱধানত ধৰাশায়ী কৰিলে বিৰোধীক। বিৰাট ব্যৱধানত জয়লাভ কৰি পুনৰ এবাৰ নিজৰ দুৰ্গ অক্ষুণ্ণ ৰাখিলে জনপ্ৰিয় নেতা টংকেশ্বৰ ৰাভাই। বিজয় সাব্যস্ত কৰাৰ পিছতেই সংবাদ মাধ্যমৰ আগত মুখ খুলি তেওঁ কয় এয়া মোৰ নিজৰ নহয়, সমগ্ৰ দুধনৈ সমষ্টিৰ প্ৰতিগৰাকী সচেতন ভোটাৰ আৰু সৰ্বসাধাৰণ ৰাইজৰ বিজয়। এই জয় মোৰ নিজৰ জয় নহয়, বৰঞ্চ সমষ্টিবাসীৰ "সদিচ্ছা আৰু বিশ্বাসৰ জয়" বুলি অভিহিত কৰে। বিজয়ৰ প্ৰমাণপত্ৰ গ্ৰহণ কৰি ৰাভাই সংবাদ মাধ্যমৰ আগত কয়, "মই অত্যন্ত আৱেগিক হৈ পৰিছো। ৰাইজে যি মৰম আৰু আশীৰ্বাদ দিলে, তাৰ ধাৰ মই কামৰ জৰিয়তেহে পৰিশোধ কৰিব পাৰিম। এই বিজয় মোৰ নহয়, এই বিজয় প্ৰতিজন খাটি খোৱা মানুহৰ, যিয়ে উন্নয়ন আৰু প্ৰগতিত বিশ্বাস কৰে। "১৫নং দুধনৈ অনুসূচীত জনজাতি বিধানসভা সমষ্টিৰ নিৰ্বাচনত বিপুল ভোটত জয়লাভ কৰি পুনৰ গেৰুৱা পতাকা উৰুৱাবলৈ সক্ষম হ'ল বিজেপি প্ৰাৰ্থী টংকেশ্বৰ ৰাভা। সংবাদ মাধ্যমৰ আগত টংকেশ্বৰ ৰাভাই কয়, "যোৱা পাঁচ বছৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অসমত যি উন্নয়নৰ গংগা বোৱাইছে, তাৰ প্ৰতি দুধনৈবাসীয়ে আজি পূৰ্ণ সমৰ্থন আগবঢ়াইছে। ৰাইজে উন্নয়ন বিচাৰে, শান্তি বিচাৰে। গতিকে এই জয় আচলতে মোৰ নহয়, এয়া দুধনৈৰ প্ৰতিগৰাকী সচেতন ভোটাৰ ৰাইজৰহে জয়। নিৰ্বাচনী যুঁজখনত দিনে-নিশাই একাকাৰ কৰি কাম কৰা বিজেপি আৰু মিত্ৰজোঁটৰ তৃণমূল পৰ্যায়ৰ কৰ্মকৰ্তা সকলক তেওঁ বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ উল্লেখ কৰে যে বুথ পৰ্যায়ৰ পৰা আৰম্ভ কৰি জিলা সমিতিলৈকে সকলোৰে আন্তৰিক প্ৰচেষ্টাৰ বাবেই আজি এই ফলাফল সম্ভৱ হৈছে। এই জয় ঐতিহাসিক জয়, এক ৰেকৰ্ড। সমষ্টিটোৰ ভৱিষ্যত পৰিকল্পনাৰ বিষয়ে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দি তেওঁ কয় যে গোৱালপাৰা জিলাৰ পিছপৰা অঞ্চলসমূহৰ উন্নয়ন তেওঁৰ প্ৰাথমিক লক্ষ্য হ'ব। বিশেষকৈ যাতায়ত ব্যৱস্থাৰ সংস্কাৰ, স্বাস্থ্য সেৱাৰ সৰলীকৰণ আৰু শিক্ষাখণ্ডৰ আমূল পৰিৱৰ্তনৰ বাবে তেওঁ বদ্ধপৰিকৰ। তেওঁ লগতে কয় যে পশ্চিম গোৱালপাৰাৰ বিধায়কগৰাকীৰ সৈতে সমন্বয় ৰাখি তেওঁ সমগ্ৰ জিলাখনৰ উন্নয়নৰ বাবে কাম কৰি যাব। মুখ্যমন্ত্ৰীৰ বনানঞ্চল উচ্ছেদৰ নিৰ্দেশ সন্দৰ্ভত সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত টংকেশ্বৰ ৰাভাই স্পষ্ট কৰি দিয়ে যে তেওঁ চৰকাৰ আৰু মুখ্যমন্ত্ৰীৰ প্ৰতিটো জনহিতকৰ সিদ্ধান্তৰ সৈতে সদায় একমত। সমষ্টিৰ উন্নয়ন আৰু নীতি-নিয়মৰ স্বাৰ্থত তেওঁ যিকোনো পদক্ষেপ গ্ৰহণ কৰিবলৈ সাজু। টংকেশ্বৰ ৰাভাৰ এই বিজয়ে গোৱালপাৰা জিলাত বিজেপিৰ আধিপত্য পুনৰ প্ৰমাণ কৰিলে। নিৰ্বাচনী প্ৰচাৰৰ সময়ত হোৱা ব্যক্তিগত আক্ৰমণৰ প্ৰসংগ টানি তেওঁ কয় যে ৰাইজে নেতিবাচক ৰাজনীতিক প্ৰত্যাখ্যান কৰিছে। তেওঁৰ মতে, "বিৰোধীয়ে অপপ্ৰচাৰ চলাইছিল, কিন্তু ৰাইজে জানে কোনে তেওঁলোকৰ বাবে কাম কৰে। আজিৰ ফলাফলে প্ৰমাণ কৰিলে যে কামেই কথা কয়।" টংকেশ্বৰ ৰাভাৰ এই বিজয়ৰ খবৰ বিয়পি পৰাৰ লগে লগে সমগ্ৰ অঞ্চলটোত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। ঠায়ে ঠায়ে হাজাৰ হাজাৰ সমৰ্থকে আবীৰ সানি, ঢোলে-দগৰে আনন্দ উল্লাস কৰা দেখা যায়। নিজৰ প্ৰিয় নেতাজনক কাষত পাই একাংশ সমৰ্থকে আবেগিক হৈ পৰাও পৰিলক্ষিত হয়। বিজয় উৎসৱত টংকেশ্বৰ ৰাভাই ৰাইজক উদ্দেশ্যি কয় যে "মই এতিয়াৰ পৰা কোনো দলৰ প্ৰতিনিধি নহয়, মই এই সমষ্টিৰ ৰাইজৰ সেৱক। মই আপোনালোকৰ সুখ দুখত সদয় কাষত থাকিম। মই ২০×৭ অৰ্থাৎ দিনটোৰ বিশ ঘণ্টাই ৰাইজৰ লগত প্ৰত্যক্ষ যোগাযোগ ৰাখিম।" টংকেশ্বৰ ৰাভাৰ বিজয়ত বিভিন্ন ঠাইৰ পৰা অহা লোকেৰে লোকাৰণ্য হয় দুধনৈ। দুধনৈ চহৰত তিনি ৰাভা জাতীয় সংগঠনৰ লগতে একাধিক দল সংগঠন আৰু ৰাইজে প্ৰিয় নেতাগৰাকীক ফটকা ফুটাই, ফুল ছটিয়াই নাচিবাগি ফুলাম গামোচা, পাজাৰ, আওচা, আৰনাইৰে উষ্ম আদৰণি জনায়।

নাওবৈছা সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী জয়প্ৰকাশ দাসৰ জয়লাভ

# লখিমপুৰৰ পাঁচটা বিধানসভা সমষ্টিৰ ৪টা বিজেপিৰ দখলত

## বিজেপিৰ মানৱ ডেকা, নৱ কুমাৰ দলে, ঋষিৰাজ হাজৰিকা, ভূপেন বৰাই মাৰিলে শেষ হাঁহি

**অসম বাৰ্তা, লীলাবাৰী, ৫ মে' ঃ** ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ আজি ঘোষিত ফলাফলত লখিমপুৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিৰ ভিতৰত চাৰিটা বিধানসভা সমষ্টিত বিজেপি দলে বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হৈছে। ঘোষিত ফলাফলত ৭৬ নং লখিমপুৰ বিধানসভা সমষ্টিত বিজেপি প্ৰাৰ্থী মানৱ ডেকাই নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছ প্ৰাৰ্থী ঘন বুঢ়াগোহাঁইক ৩১, ৯৯৯ ভোটৰ ব্যৱধানত পৰাজিত কৰে। সমষ্টিটোত বিজেপিৰ মানৱ ডেকাই ৮৪, ৯৫৩টা ভোট আৰু ঘন বুঢ়াগোহাঁইয়ে ৫২, ৯৫৪টা ভোট লাভ কৰে। ৭৭ নং ঢকুৱাখনা বিধানসভা সমষ্টিত বিজেপিৰ নৱ কুমাৰ দলেৰ প্ৰতিদ্বন্দ্বী আনন্দ নৰহক ৪৯, ৫৩৩টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। সমষ্টিটোত বিজেপিৰ প্ৰাৰ্থী নৱ দলে ৯১, ৩৯২টা ভোট লাভ কৰাৰ বিপৰীতে ৪১, ৮৫৯টা ভোট আনন্দ নৰহে লাভ কৰে। ৭৫ নং ৰঙানদী সমষ্টিত বিজেপিৰ ঋষিৰাজ হাজৰিকাই তেওঁৰ প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ জয়ন্ত খাউণ্ডক ২৫, ৪৫৫টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। সমষ্টিটোত বিজেপিৰ প্ৰাৰ্থী ঋষিৰাজ হাজাৰিকাই ৭৫, ১৬৪টা ভোট আৰু কংগ্ৰেছৰ জয়ন্ত খাউণ্ডে ৪৯, ৭০৯টা ভোট লাভ কৰে। ৭৩ নং বিহপুৰীয়া বিধানসভা সমষ্টিত বিজেপিৰ ভূপেন বৰাই তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী নাৰায়ণ ভূএগক ৬৬৮২টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। সমষ্টিটোত ভূপেন বৰাই ৬৮, ৮৮৫টা ভোট লাভ কৰাৰ বিপৰীতে নাৰায়ণ ভূএগই ৬২, ২০৩টা ভোট লাভ কৰে। ইফালে ৭৪ নং নাওবৈছা বিধানসভা সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী জয়প্ৰকাশ দাসে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী অগপৰ বসন্ত দাসক ২৩, ৭৫১টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। সমষ্টিটোত জয়প্ৰকাশ দাসে ৮৬, ৯৮১টা ভোট লাভ কৰাৰ বিপৰীতে অগপৰ বসন্ত দাসে ৬৩, ২৩০টা ভোট লাভ কৰে। উল্লেখ যে, জিলাখনৰ ৫টা সমষ্টিৰ ৮, ৪৫, ৪৭৬ গৰাকী ভোটাৰে নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতাৰ বাবে সাজু হোৱা ২৫গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰে। প্ৰাপ্ত তথ্য মতে, ৭৭ নং ঢকুৱাখনা বিধানসভা সমষ্টিত তিনি গৰাকী প্ৰাৰ্থী, ৭৬ নং লখিমপুৰ সমষ্টিত ৫ গৰাকী প্ৰাৰ্থী, ৭৫ নং নাওবৈছা সমষ্টিত ৪ গৰাকী প্ৰাৰ্থী, ৭৪ নং ৰঙানদী সমষ্টিত ৯ গৰাকী প্ৰাৰ্থী, ৭৩ নং বিহপুৰীয়া সমষ্টিত ৪ গৰাকী প্ৰাৰ্থী সহ মুঠ ২৪ গৰাকী প্ৰাৰ্থী নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতাত নামিছিল। লক্ষণীয় কথা যে, জিলাখনৰ প্ৰতিটো সমষ্টিতে প্ৰায় সহস্ৰাধিক ভোট ন'টাত পৰে।

# তিনিচুকীয়া নিৰ্বাচনী জিলাৰ ডুমডুমা সমষ্টিত লক্ষণীয়ভাৱে ন'টাত পৰিল সৰ্বাধিক ৪, ৮৬৪টা ভোট

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ৫ মে' ঃ** ব্যাপক জল্পনা-কল্পনাৰ অন্ত পেলাই অৱশেষত সৰ্বমুঠ ৫৫, ৩৮২টা ভোটত তিনিচুকীয়া জিলাৰ ৮২নং ডুমডুমা বিধানসভা সমষ্টিত সহজ বিজয় সাব্যস্ত কৰে বিজেপিৰ মনোনীত প্ৰাৰ্থী তথা কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই। গোৱালাই একমাত্ৰ প্ৰতিদ্বন্দ্বী তথা দুবাৰৰ বিধায়ক তথা তিনিচুকীয়া জিলা কংগ্ৰেছৰ সভাপতি দুৰ্গা ভূমিজক ৫৫, ৩৮২টা ভোটত পৰাস্ত কৰি দ্বিতীয়বাৰলৈ বিধায়ক নিৰ্বাচিত হ'য়। গোৱালাই লাভ কৰে সৰ্বমুঠ ৮৬, ০০৯টা ভোট। নিৰ্বাচনী ফলাফলত বিজেপিৰ ৰূপেশ গোৱালাই সমষ্টিটোত অতি সহজ বিজয় সাব্যস্ত কৰে যদিও সমষ্টিটোত এইবাৰো লক্ষণীয়ভাৱে ন'টা (None of the above) ত পৰে সৰ্বাধিক ৪,৮৬৪টা ভোট। উল্লেখ্য যে, বিগত ২০১৬ আৰু ২০২১ চনৰ নিৰ্বাচনত তিনিচুকীয়া জিলাৰ ৫ সমষ্টিৰ ভিতৰত শদিয়া সমষ্টিত ন'টাত ভোট পৰিছিল ২,০৫৪টা ভোট। আনহাতে ২০২১ চনত সমষ্টিটোত ন'টাত ভোটদান সাব্যস্ত কৰা ভোটাৰৰ সংখ্যা আছিল ১,৯১৮ গৰাকী। সেইদৰে তিনিচুকীয়া সমষ্টিত ২০১৬ চনৰ নিৰ্বাচনত ১,৯৮৬ গৰাকী ভোটাৰে ন'টাত ভোটদান সাব্যস্ত কৰাৰ বিপৰীতে ২০২১ চনৰ নিৰ্বাচনত সমষ্টিটোত ২,৫৩৯ গৰাকী ভোটাৰে ভোটদান কৰিছিল ন'টাত। সেইদৰে ২০১৬ চনত মাৰ্ঘেৰিটা সমষ্টিত ন'টাত ভোট পৰিছিল ২,১৩৭টা ভোট। আনহাতে ২০২১ চনত সমষ্টিটোত ন'টাত ভোটদান কৰা ভোটাৰৰ সংখ্যা আছিল ২, ৫৩৬ গৰাকী। ঠিক সেইদৰে ডিগবৈত ২০১৬ আৰু ২০২১ চনৰ নিৰ্বাচনত ন'টাত ভোটদান কৰা ভোটাৰৰ সংখ্যা আছিল ক্ৰমে ২,২৪৬ আৰু ২,৭৩৩ গৰাকী। সেইদৰে ডুমডুমা সমষ্টিত ২০১৬ চনত ন'টাত ভোট পৰিছিল সৰ্বাধিক ৩,৩১৭টা ভোট। বিপৰীতে ২০২১ চনৰ নিৰ্বাচনত সমষ্টিটোৰ ৩,১৮৬ গৰাকী ভোটাৰে ভোটদান কৰিছিল এই ন'টাত। প্ৰণিধানযোগ্য যে, বিগত নিৰ্বাচনত তিনিচুকীয়া জিলাৰ ভোটাৰৰ মাজত ন'টা ভোটাৰৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাই আহিছে। তাৎপৰ্যপূৰ্ণ কথা এয়ে যে, ইয়াতে ডুমডুমা সমষ্টিতেই ন'টাত ভোটদান কৰা ভোটাৰৰ সংখ্যা সৰ্বাধিক। ডুমডুমা সমষ্টিত ২০১৬ চনৰ নিৰ্বাচনত ৩.২১ শতাংশ আৰু ২০২১ৰ নিৰ্বাচনত ন'টাত ভোটদান সাব্যস্ত কৰিছিল ২.৭১ শতাংশ ভোটাৰে। জিলাখনৰ ৰাজনৈতিক পৰ্য্যবেক্ষকসকলে এইবাৰৰ নিৰ্বাচনটো ন'টা ভোটাৰৰ সংখ্যা বৃদ্ধি পোৱাৰ সম্ভাৱনা ব্যক্ত কৰাৰ দৰেই তিনিচুকীয়া নিৰ্বাচনী জিলাৰ মুঠ ৬টা সমষ্টিৰ ভিতৰত ডুমডুমা সমষ্টিৰ ভোটাৰেই সৰ্বাধিক ন'টা ভোট সাব্যস্ত কৰে। এইবাৰ তিনিচুকীয়া জিলাৰ শদিয়া সমষ্টিত ২,৬৪৫ গৰাকী ভোটাৰে ন'টা ভোট সাব্যস্ত কৰে। সেইদৰে মাকুম সমষ্টিত ৩,০৪৭ গৰাকী, তিনিচুকীয়া সমষ্টিত ২,৪০৭ গৰাকী, ডিগবৈ সমষ্টিত ২,৬৯৭ গৰাকী আৰু মাৰ্ঘেৰিটা সমষ্টিত ৩,২৯০ গৰাকী ভোটাৰে ন'টা ভোটৰ আশ্ৰয় লয়। অৰ্থাৎ বিগত দুটা নিৰ্বাচনৰ লেখীয়াকৈ এইবাৰৰ নিৰ্বাচনত ৮২ নং ডুমডুমা বিধানসভা সমষ্টিত লক্ষণীয়ভাৱে ন'টাত সৰ্বাধিক ভোট পৰিলক্ষিত হৈছে। সেইবাবে ৰাজনৈতিক মহলত বিভিন্ন মন্তব্য কৰা পৰিলক্ষিত হৈছে। অৰ্থাৎ ডুমডুমা সমষ্টিত ৪,৮৬৪ গৰাকী ভোটাৰৰ অপছন্দৰ প্ৰাৰ্থী আছিল ৰূপেশ গোৱালা আৰু দুৰ্গা ভূমিজ।

## সম্পাদকীয়

# জয়-পৰাজয় ঃ পৰীক্ষা আৰু আত্মসমালোচনাৰ সময়

তৃতীয়বাৰৰ বাবে অসমত বিজেপি নেতৃত্বাধীন এনডিএ চৰকাৰ গঠন হোৱাৰ দিশত ৰাজ্যখনৰ ৰাজনৈতিক সমীকৰণ স্পষ্ট হৈ পৰিছে। ২০২৬ৰ বিধানসভা নিৰ্বাচনত মুঠ ১২৬খন সমষ্টিৰ ভিতৰত বিজেপি মিত্ৰজোঁটে ১০০খন আসন অতিক্ৰম কৰি আপুৰুগীয়া সংখ্যাগৰিষ্ঠতা লাভ কৰিলে। আনফালে, বিৰোধী শিবিৰ একেবাৰে ধ্বংসস্তূপৰ পৰিণত হৈছে। এই ফলাফলে সাধাৰণ মানুহৰ মনত বহু প্ৰশ্নৰ উত্থান ঘটাইছে। বিৰোধী দলবোৰ ক'ত ব্যৰ্থ হ'ল ? কংগ্ৰেছে ২০২১ত ২৯খন আসন লাভ কৰিলেও ২০২৬ত সেই সংখ্যা ২০ৰো তললৈ নামি গ'ল। ২০২১ত তৃতীয় স্থানত থকা এআইইউডিএফৰ আসন ১৬খনৰ পৰা ২০২৬ত মাত্ৰ ২খনলৈ হ্ৰাস পায়। ইউপিপিএলৰ অস্তিত্ব বিধানসভাৰ পৰা সম্পূৰ্ণ অন্তৰ্ধান হ'ল। বিৰোধীৰ মুখ্য নেতা গৌৰৱ গগৈ আৰু লুৰীণজ্যোতি গগৈয়ে নিজৰ সমষ্টি ৰক্ষা কৰিব নোৱাৰিলে। এই পতনে এক স্পষ্ট বাৰ্তা দিয়ে- কেৱল সপোন দেখিয়েই ৰাজনীতি নচলে। প্ৰয়োজন কঠোৰ পৰিশ্ৰম, তৃণমূল পৰ্যায়ত উপস্থিতি আৰু সুদূৰপ্ৰসাৰী ৰণনীতি।

শাসকীয় দলৰ সফলতাৰ ৰহস্য কি ? মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দ্বিতীয়বাৰৰ বাবে দায়িত্ব ল'বলৈ সক্ষম হোৱাটো তেওঁৰ সফল কৌশলৰ পৰিচয়। যুৱক-যুৱতীৰ বাবে নিয়োগৰ সুযোগ, মহিলা কেন্দ্ৰিক আঁচনি, আৰু সাম্প্ৰদায়িকতাৰ পৰিৱৰ্তে জাতীয় জীৱনৰ সংকটসমূহক প্ৰাধান্য দিয়াই মানুহৰ মন জয় কৰিছে। বিজেপিৰ তৃণমূল পৰ্যায়ৰ সংগঠন ইমান শক্তিশালী যে বিৰোধীয়ে একো আঘাত হানিব পৰা নাই। সেইদৰে বিটিএডিত হাগ্ৰামা মহিলাৰীয়ে ১০খন আসন লাভ কৰি নিজৰ গ্ৰহণযোগ্যতা বঢ়ালে। দ্বিতীয়তে ক'ত আছিল জুবিন গাৰ্গ-জেন জিৰ প্ৰভাৱ ? নিৰ্বাচনপূৰ্বৰ চৰ্চাত এই নামবোৰে বিৰোধীক সহায় কৰিব বুলি ভবা হৈছিল, কিন্তু ফলাফলত তাৰ কোনো ছাঁ পৰা নাই। মানুহে বুজি পাইছে যে বহিঃপৃষ্ঠৰ সমৰ্থনৰ তুলনাত আন্তঃগাঁথনিগত শক্তি বেছি গুৰুত্বপূৰ্ণ। লগতে, ৰাইজৰ দলৰ অখিল গগৈয়ে ধিং আৰু শিৱসাগৰত জয়ী হৈ বিৰোধী হিচাপে শক্তিশালী ভূমিকা ল'বলৈ সক্ষম হৈছে- এয়া এক ইতিবাচক সংকেত।

বিৰোধী দলৰ নেতা নাথাকিলে বিধানসভা কিদৰে চলিব ? নিয়ম অনুসৰি, বিৰোধী দলৰ নেতাৰ পদ পাবলৈ কমেও ২১জন বিধায়কৰ প্ৰয়োজন। কংগ্ৰেছৰ হাতত সেই সংখ্যা নাই। সেয়ে বিধানসভাত বিৰোধী শূন্য হৈ পৰা এই পৰিস্থিতিয়ে গণতান্ত্ৰিক প্ৰক্ৰিয়াত প্ৰশ্ন তুলিছে। শক্তিশালী বিৰোধী নাথাকিলে চৰকাৰ জবাবদিহি হওঁতে অসুবিধা হয়। যিয়েই নহওক, জনতাৰ এই ৰায় সৰ্বজনীনভাৱে মানি ল'ব লাগিব। বিৰোধীয়ে আত্মসমালোচনা কৰি বুজিব লাগিব যে বাক্যযুদ্ধই নহয়, কামেই শেষ কথা।

শেষত, এই জয় বিজেপিৰ বাবে এটা দায়িত্ব। পাঁচ বছৰৰ জনাদেশক কেতিয়াও ব্যক্তিগত আক্ৰোশ পূৰণৰ অস্ত্ৰ নকৰি ৰাজ্যৰ কল্যাণৰ বাবে ব্যৱহাৰ কৰিব লাগিব। আনহাতে, বিৰোধীয়ে পৰাজয়ৰ দুখ পাহৰি নতুনকৈ সংগঠিত হ'ব লাগিব। কাৰণ দুৰ্বল বিৰোধী থকা গণতন্ত্ৰ কেতিয়াও সুস্থ নহয়। শাসকীয় দলৰ অহংকাৰ আৰু বিৰোধীৰ অক্ষমতা একেদৰে গণতন্ত্ৰৰ বাবে হানিকাৰক। এই পৰাজয়েই বিৰোধীৰ বাবে নতুন যুঁজৰ পাতনি হওক- এই আশা ৰাখিলোঁ।

# শিশু স্বাস্থ্যৰ সংকট আৰু ৰাষ্ট্ৰীয় সজাগতা

কবিতা নাথ

বৰ্তমান সময়ত আমাৰ দেশৰ স্বাস্থ্য খণ্ডত এক নতুন তথা উদ্বেগজনক প্ৰত্যাহ্বানে দেখা দিছে, সেয়া হ'ল শৈশৱকালীন ডায়েবেটিছ বা শিশুৰ বহুমূত্ৰ ৰোগ। শেহতীয়াকৈ ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে শিশুৰ ডায়েবেটিছ নিয়ন্ত্ৰণ আৰু যত্নৰ বাবে যি এক বিস্তৃত ৰাষ্ট্ৰীয় নিৰ্দেশিকা (National Guidance Document) জাৰি কৰিছে, ই দেশৰ জনস্বাস্থ্যৰ ইতিহাসত এক যুগান্তকাৰী পদক্ষেপ হিচাপে বিবেচিত হৈছে। ৩ মে', ২০২৬ তাৰিখে ৰাষ্ট্ৰীয় পৰ্যায়ত মুকলি কৰা এই নিৰ্দেশনাই কেৱল চিকিৎসাৰ পদ্ধতিয়েই নহয়, বৰঞ্চ শিশুৰ সৰ্বাংগীণ সুৰক্ষাৰ এক নতুন পথ প্ৰশস্ত কৰিছে।

বিগত দশকবোৰত ডায়েবেটিছক কেৱল বয়স্ক লোকৰ ৰোগ বুলি গণ্য কৰা হৈছিল যদিও শেহতীয়া পৰিসংখ্যাই এক ভয়াবহ ছবি দাঙি ধৰিছে। বিশেষজ্ঞসকলৰ মতে, ভাৰতত টাইপ-১ ডায়েবেটিছত আক্ৰান্ত শিশুৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাইছে। ইয়াৰ উপৰি অস্বাস্থ্যকৰ জীৱনশৈলীৰ বাবে এতিয়া কিশোৰ-কিশোৰীসকলৰ মাজত টাইপ-২ ডায়েবেটিছৰ প্ৰাদুৰ্ভাৱো দেখা গৈছে। চৰকাৰী এই নতুন নিৰ্দেশনাৰ মূল লক্ষ্য হ'ল জন্মৰ পৰা ১৮ বছৰ বয়সৰ প্ৰতিগৰাকী শিশুৰ বাবে এক সুনিশ্চিত স্বাস্থ্য সুৰক্ষা কবচ গঢ়ি তোলা। এই নতুন কাঠামোটোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল 'ইউনিভাৰ্চেল স্ক্ৰীনিং' বা সৰ্বজনীন পৰীক্ষণ। এতিয়াৰে পৰা বিদ্যালয় আৰু অংগনবাদী কেন্দ্ৰসমূহৰ জৰিয়তে তৃণমূল পৰ্যায়ত শিশুসকলৰ স্বাস্থ্য পৰীক্ষা কৰা হ'ব। প্ৰায়ে দেখা যায় যে শিশুৰ দেহত ডায়েবেটিছৰ লক্ষণবোৰ অভিভাৱক বা শিক্ষকে ধৰিব নোৱাৰে, যাৰ ফলত ৰোগটোৱে জটিল ৰূপ ধাৰণ কৰিলেহে চিকিৎসালয়লৈ নিয়া হয়। এই সমস্যা সমাধানৰ বাবে নিৰ্দেশনাটোত '4Ts' ধাৰণাটোৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে— Toilet (ঘনাই প্ৰস্ৰাৱ কৰা), Thirsty (অত্যধিক তৃষ্ণা), Tired (ভাগৰুৱা অনুভৱ কৰা), আৰু Thinner (শৰীৰ শুকাই যোৱা)। যদি কোনো শিশুৰ ক্ষেত্ৰত এই চাৰিটা লক্ষণ দেখা যায়, তেন্তে চৰকাৰী ব্যৱস্থাৰ অধীনত তেওঁলোকৰ তাৎক্ষণিক ৰক্ত শৰ্কৰা পৰীক্ষা কৰাটো বাধ্যতামূলক কৰা হৈছে। চৰকাৰে ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰম (RBSK 2.0)ৰ জৰিয়তে এই সমগ্ৰ ব্যৱস্থাটোক অধিক শক্তিশালী কৰিছে। অৰ্থনৈতিকভাৱে পিছপৰা পৰিয়ালসমূহৰ বাবে শিশুৰ ডায়েবেটিছৰ চিকিৎসা এক ডাঙৰ বোজা আছিল। চৰকাৰী নিৰ্দেশনা অনুসৰি এতিয়াৰে পৰা চৰকাৰী চিকিৎসালয়সমূহত শিশুৰ বাবে বিনামূলীয়া ইনচুলিন থেৰাপী, গ্লুকোমিটাৰ আৰু পৰীক্ষণ ষ্ট্ৰিপ আদিৰ যোগান ধৰা হ'ব। ইয়াৰ ফলত দৰিদ্ৰ পৰিয়ালৰ শিশুসকলৰ চিকিৎসাৰ ধাৰাবাহিকতা অক্ষুণ্ণ থাকিব। তদুপৰি, এই নিৰ্দেশনাই স্বাস্থ্য সেৱাৰ বিভিন্ন স্তৰৰ মাজত এক সুন্দৰ যোগসূত্ৰ স্থাপন কৰিছে। গাওঁ পৰ্যায়ৰ স্বাস্থ্য কেন্দ্ৰৰ পৰা জিলা চিকিৎসালয় আৰু তাৰ পৰা মেডিকেল কলেজসমূহলৈ এক 'ইণ্টিগ্ৰেটেড কণ্টিনিয়াম অফ কেয়াৰ' বা সংহত যত্ন ব্যৱস্থা গঢ়ি তোলা হৈছে। ইয়াৰ অৰ্থ হ'ল, এজন ৰোগী শিশুৱে যাতে কোনো পৰ্যায়তে চিকিৎসাৰ পৰা বঞ্চিত নহয়, তাৰ বাবে এক ডিজিটেল অনুসৰণ ব্যৱস্থাও কাৰ্যকৰী কৰা হ'ব। কেৱল ঔষধেৰে এই ৰোগ নিয়ন্ত্ৰণ কৰাটো অসম্ভৱ। সেইবাবেই চৰকাৰী নিৰ্দেশনাত শিক্ষা প্ৰতিষ্ঠানসমূহৰ ভূমিকাৰ ওপৰতো বিশেষ আলোকপাত কৰা হৈছে। বিদ্যালয়ৰ শিক্ষক আৰু কৰ্মচাৰীসকলক প্ৰশিক্ষণ দিয়া হ'ব যাতে তেওঁলোকে ডায়েবেটিছত আক্ৰান্ত শিক্ষাৰ্থী এজনৰ জৰুৰীকালীন অৱস্থা (যেনে- হাইপ'গ্লাইচেমিয়া বা তেজত চেনিৰ মাত্ৰা কমি যোৱা) চম্ভালিব পাৰে। বিদ্যালয়ৰ মধ্যাহ্ন ভোজনৰ পৰা আৰম্ভ কৰি ক্ৰীড়া কাৰ্যসূচীলৈকে সকলোতে এই শিশুসকলৰ বাবে বিশেষ যত্ন লোৱাৰ পৰামৰ্শ দিয়া হৈছে। সাম্প্ৰতিক সময়ত এই পদক্ষেপৰ প্ৰাসংগিকতা অনস্বীকাৰ্য। ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি ২০১৭-ৰ উদ্দেশ্য আছিল সকলোৰে বাবে সুলভ আৰু মানসম্পন্ন স্বাস্থ্য সেৱা নিশ্চিত কৰা।

চৰকাৰী নীতি বা নিৰ্দেশনাই কেৱল এক পথ প্ৰদৰ্শকহে হ'ব পাৰে, কিন্তু ইয়াৰ সফল ৰূপায়ণ নিৰ্ভৰ কৰিব সমাজৰ প্ৰতিজন সচেতন নাগৰিকৰ ওপৰত। শৈশৱকালীন ডায়েবেটিছ কোনো অভিশাপ নহয়, বৰঞ্চ সঠিক যত্ন আৰু নিয়ন্ত্ৰণেৰে এই শিশুসকলেও এজন স্বাভাৱিক মানুহৰ দৰে দীৰ্ঘদিন সুস্বাস্থ্যৰে জীয়াই থাকিব পাৰে। চৰকাৰৰ এই নতুন নিৰ্দেশনাই আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক সুস্থ আৰু নিৰাপদ পৃথিৱী গঢ়াত সহায় কৰিব বুলি আমি আশাবাদী।

# বিজেপিৰ অপ্ৰতিৰোধ্য জয়যাত্ৰাৰ আঁৰৰ ৰহস্য

*বিৰোধী পক্ষৰ দুৰ্বলতা, আভ্যন্তৰীণ কন্দল আৰু তেওঁলোকৰ মাজত থকা গভীৰ বিভাজনেও বিজেপিৰ জয়ৰ পথ বহুত সহজ কৰি তুলিছে। কংগ্ৰেছৰ দৰে পুৰণি আৰু ঐতিহাসিক দলে যিদৰে নেতৃত্বৰ সংকট আৰু দিশহীনতাত ভুগিছে, সি সাধাৰণ ভোটাৰক বাৰুকৈয়ে হতাশ কৰিছে। বিৰোধীৰ ওচৰত বিজেপিৰ মুখামুখি হ'বলৈ কোনো বিকল্প আৰু শক্তিশালী উন্নয়নমুখী কাৰ্যসূচী নাই। তেওঁলোকৰ সমগ্ৰ নিৰ্বাচনী প্ৰচাৰ কেৱল বিজেপিৰ অন্ধ বিৰোধিতা আৰু ব্যক্তিগত সমালোচনাৰ মাজতে সীমাবদ্ধ হৈ ৰ'ল, কিন্তু তেওঁলোকে ৰাইজক এইটো পতিয়ন নিয়াব নোৱাৰিলে যে তেওঁলোকৰ হাতত অসমৰ উন্নয়নৰ বাবে কি বিশেষ পৰিকল্পনা আছে।*



হিমাংশু ৰঞ্জন ভূঞা

অসম বিধানসভা নিৰ্বাচনৰ শেহতীয়া ফলাফলক যদি আমি এক নিৰপেক্ষ দৃষ্টিৰে পৰ্যবেক্ষণ কৰোঁ, তেন্তে দেখা যায় যে ভাৰতীয় জনতা পাৰ্টিৰ অপ্ৰতিৰোধ্য জয়যাত্ৰা কেৱল এক সাময়িক ঢৌ নহয়, বৰঞ্চ ই হ'ল এক সুপৰিকল্পিত ৰাজনৈতিক দৰ্শনৰ পৰিপক্কতা। এই নিৰ্বাচনী যুঁজত বিজেপিয়ে যি ধৰণৰ ৰণনীতি অৱলম্বন কৰিছিল, তাৰ মূল আধাৰ আছিল তৃণমূল পৰ্যায়ৰ ৰাইজৰ সৈতে এক গভীৰ আৰু পোনপটীয়া সম্পৰ্ক স্থাপন কৰা। যি সময়ত বিৰোধী দলবোৰে কেৱল নিৰ্বাচনৰ সময়তহে সক্ৰিয় হৈছিল, সেই সময়ত বিজেপিয়ে বছৰৰ প্ৰতিটো দিনেই এক অবিৰত সাংগঠনিক প্ৰক্ৰিয়াৰ মাজেৰে নিজৰ ভেটিটো শক্তিশালী কৰি ৰাখিছিল। ইয়াৰ ফলস্বৰূপেই ২০২৬ চনত বিৰোধীৰ সকলো ঐক্যবদ্ধ প্ৰচেষ্টা আৰু নেতিবাচক প্ৰচাৰক নেওচি শাসকীয় পক্ষই এক বিৰল সফলতা অৰ্জন কৰিবলৈ সক্ষম হ'ল। এই বিজয়ৰ আঁৰৰ ৰহস্যবোৰ বিশ্লেষণ কৰিলে দেখা যায় যে ইয়াত একেলগে কেইবাটাও কাৰকে কাম কৰিছিল, য'ত নেতৃত্বৰ পৰা আৰম্ভ কৰি চৰকাৰী আঁচনিৰ সফল ৰূপায়ণলৈকে সকলোবোৰ সমানেই গুৰুত্বপূৰ্ণ আছিল।

এই সমগ্ৰ জয়যাত্ৰাৰ আটাইতকৈ শক্তিশালী আৰু কেন্দ্ৰীয় কাৰকটো হ'ল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অসাধাৰণ নেতৃত্ব আৰু তেওঁৰ অনন্য কৰ্মশৈলী। তেওঁ আধুনিক অসমৰ ৰাজনীতিক এক নতুন সংজ্ঞা প্ৰদান কৰিছে, য'ত ৰাজনীতি মানে কেৱল ক্ষমতা দখল নহয়, বৰঞ্চ ই হ'ল অহৰহ জনসাধাৰণৰ মাজত থকাৰ এক গভীৰ প্ৰতিশ্ৰুতি। দিনটোৰ প্ৰায় ১৮ ৰ পৰা ২০ ঘণ্টাই ৰাজহুৱা কামত ব্যস্ত থকা এগৰাকী নেতাৰ বাবে জনসাধাৰণৰ প্ৰকৃত মনোভাৱ বুজি পোৱাটো অতি সহজ হৈ পৰে। ড° শৰ্মাই কেৱল নীতি নিৰ্ধাৰণ কৰাতে ক্ষান্ত নাথাকি প্ৰতিটো চৰকাৰী বিভাগৰ প্ৰতিটো সৰু-বৰ কামৰ খবৰ নিজৰ নখদৰ্পণত ৰাখিবলৈ সক্ষম হৈছে। তেওঁৰ এই অসাধাৰণ কৰ্মোদ্যমে সমগ্ৰ প্ৰশাসন যন্ত্ৰটোক অধিক গতিশীল আৰু দায়বদ্ধ কৰি তুলিছে, যাৰ ফলত সাধাৰণ ৰাইজে চৰকাৰী সুবিধা লাভৰ ক্ষেত্ৰত আগতকৈ অধিক সক্ৰিয়তা আৰু স্বচ্ছতা অনুভৱ কৰিছে। নিৰ্বাচনী মঞ্চত তেওঁৰ আক্ৰমণাত্মক অথচ যুক্তিপূৰ্ণ ভাষণশৈলীয়ে যুৱ প্ৰজন্মৰ পৰা আৰম্ভ কৰি বয়োজ্যেষ্ঠ-সকললৈকে সমাজৰ সকলো শ্ৰেণীকে গভীৰভাৱে প্ৰভাৱিত কৰি আহিছে। বিশেষকৈ বিৰোধীৰ প্ৰতিটো প্ৰত্যাহ্বানক তেওঁ যিদৰে যুক্তি আৰু তথ্যৰে থিতাতে ওফৰাই পেলায়, সেয়া অসমৰ ৰাজনীতিত এক বিৰল প্ৰতিভা হিচাপে পৰিগণিত হৈছে। তেওঁৰ নেতৃত্বত চৰকাৰখনে ৰাজ্যখনৰ খিলঞ্জীয়া সমাজখনৰ মাজত এক গভীৰ নিৰাপত্তা আৰু সুৰক্ষাৰ ভাৱ গঢ়ি তোলাত সফল হৈছে। তেওঁৰ প্ৰতিটো পদক্ষেপতে এক সুতীক্ষ্ণ দূৰদৰ্শিতা থাকে আৰু সেই লক্ষ্যপ্ৰাপ্তিৰ বাবে তেওঁ সমাজৰ বিভিন্ন শ্ৰেণীক একত্ৰিত কৰাৰ যি কৌশল অৱলম্বন কৰে, সেয়াই বিজেপিৰ বাবে আটাইতকৈ ডাঙৰ মূলধন হিচাপে প্ৰমাণিত হৈছে।

বিজেপিৰ এই ৰাজনৈতিক স্থায়িত্বৰ আন এক মূল চাবিকাঠি হ'ল 'হিতাধিকাৰী কেন্দ্ৰিক ৰাজনীতি'। যোৱা কেইবছৰমানত চৰকাৰী আঁচনিসমূহৰ সুফল যিদৰে পোনপটীয়াকৈ কোনো মধ্যভোগী নোহোৱাকৈ সাধাৰণ মানুহৰ হাতত পৰিছে, সি ৰাজ্যখনত এক বৃহৎ সামাজিক পৰিৱৰ্তনৰ সূচনা কৰিছে। বিশেষকৈ 'অৰুণোদয়' আঁচনিৰ কথা উল্লেখ নকৰিলে এই বিশ্লেষণ সম্পূৰ্ণ নহ'ব। অসমৰ গ্ৰাম্য অঞ্চলৰ দৰিদ্ৰ মহিলাসকলৰ বেংক একাউণ্টত প্ৰতি মাহে এক নিৰ্দিষ্ট পৰিমাণৰ ধন জমা হোৱাৰ যি এক নিয়মীয়া প্ৰক্ৰিয়া আৰম্ভ হ'ল, ই কেৱল তেওঁলোকক আৰ্থিকভাৱে সহায় কৰাই নহয়, বৰঞ্চ তেওঁলোকৰ আত্মসন্মান আৰু চৰকাৰৰ প্ৰতি থকা আস্থা বহুগুণে বৃদ্ধি কৰিলে। এই হিতাধিকাৰী গোটটোৱে কোনো বিশেষ জাতি আৰু ধৰ্মৰ উৰ্ধত গৈ চৰকাৰখনক এক নিৰ্ভৰযোগ্য আৰু নিৰন্তৰ ভোটবেংক হিচাপে আশীৰ্বাদ দিলে। ইয়াৰ লগতে 'লাখপতি বাইদেউ'ৰ দৰে আঁচনিৰ জৰিয়তে মহিলাসকলক স্বাৱলম্বী কৰাৰ যি প্ৰয়াস চলিল, সি গ্ৰাম্য অৰ্থনীতিৰ স্বৰূপটোকে সলাই পেলালে। বিৰোধীয়ে এইবোৰক যিমানেই 'ভোট কিনাৰ নিৰ্বাচনী কৌশল' বুলি সমালোচনা নকৰক কিয়, এজন অভাৱী আৰু দৰিদ্ৰ মানুহৰ বাবে মাহেকীয়া এই সামান্য আৰ্থিক সকাহটোৱেই চৰকাৰৰ প্ৰতি থকা আনুগত্যৰ আটাইতকৈ ডাঙৰ কাৰণ হৈ পৰিল। ইয়াৰ উপৰিও মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাই আৰু এক লাখ চৰকাৰী নিযুক্তিৰ দৰে সাহসী পদক্ষেপবোৰে বিজেপি চৰকাৰখনক এক 'প্ৰকৃততে কাম কৰা চৰকাৰ' হিচাপে ৰাইজৰ মাজত প্ৰতিষ্ঠা কৰিলে। চৰকাৰে সমাজৰ একেবাৰে নিম্ন স্তৰৰ দৰিদ্ৰ ব্যক্তিজনৰ সৈতে যি আত্মীয়তা আৰু পোনপটীয়া সম্পৰ্ক গঢ়ি তুলিলে, তাৰ পৰিণতিতে ২০২৬ চনত নিৰ্বাচনী যুঁজখন বিজেপিৰ বাবে বহুলাংশে সহজ আৰু নিশ্চিত হৈ পৰিল।

ৰাজ্যখনৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত হোৱা অভূতপূৰ্ব আৰু দ্ৰুত পৰিৱৰ্তনসমূহো এই বিজয়ৰ এক অন্যতম গুৰুত্বপূৰ্ণ কাৰক। যোৱা এটা দশকত অসমত যিমানবোৰ বৃহৎ দলং, উৰণীয়া সেতু আৰু আধুনিক মানৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ হ'ল, তেনে গতিশীল উন্নয়নৰ ছবি পূৰ্বৰ কোনো চৰকাৰৰ আমোলত কেতিয়াও দেখা হোৱা নাছিল। ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা নতুন নতুন বৃহৎ দলংবোৰে কেৱল যাতায়তৰ সুবিধাই কৰা নাই, বৰঞ্চ ই অসমৰ বিভিন্ন প্ৰান্তৰ মাজত থকা আৱেগিক আৰু ভৌগোলিক দূৰত্বও লক্ষণীয়ভাৱে কমাই আনিছে। গুৱাহাটী মহানগৰীৰ পৰা আৰম্ভ কৰি জিলা সদৰসমূহলৈকে যি ধৰণৰ আধুনিক আন্তঃগাঁথনিৰ কাম চলিছে, সেই দৃশ্যমান উন্নয়নবোৰে সাধাৰণ ভোটাৰৰ মনত এক ধনাত্মক আৰু শক্তিশালী প্ৰভাৱ পেলাইছে। চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত ঘটা বৈপ্লৱিক পৰিৱৰ্তন, যেনে প্ৰতিখন জিলাতে মেডিকেল কলেজ স্থাপনৰ সাহসী আঁচনিয়ে সাধাৰণ মানুহক এক উন্নত আৰু সুৰক্ষিত জীৱনৰ সপোন দেখুৱাইছে। মানুহে যেতিয়া নিজৰ চকুৰ সন্মুখত কামবোৰ বাস্তৱত ৰূপায়িত হোৱা দেখে, তেতিয়া তেওঁলোকৰ মাজত এক গভীৰ বিশ্বাস গঢ়ি উঠে যে এই চৰকাৰখনে কেৱল নিৰ্বাচনী প্ৰতিশ্ৰুতি নিদিয়ে, বৰঞ্চ প্ৰতিশ্ৰুতিবোৰ কামত পৰিণত কৰিও দেখুৱায়। এই বিশ্বাস আৰু সন্তুষ্টিয়েই এই নিৰ্বাচনত বিজেপিৰ বাবে এক শক্তিশালী সুৰক্ষাকবচ হিচাপে কাম কৰিলে। বিৰোধীয়ে যেতিয়া কেৱল ভাষণ আৰু সমালোচনাতে সীমাবদ্ধ থাকিল, বিজেপিয়ে তেতিয়া নিজৰ সফল কামৰ খতিয়ানেৰে প্ৰতিজন ভোটাৰক আকৰ্ষিত কৰিবলৈ সক্ষম হ'ল।

বিজেপিৰ সাংগঠনিক শক্তিৰ কথা ক'বলৈ গ'লে, ই আজিৰ দিনত এক অত্যন্ত সুশৃঙ্খলিত যন্ত্ৰৰ দৰে কাম কৰে। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ আৰু বিজেপিৰ মাজৰ যি এক নিবিড় সুসমন্বয়, সেয়া দলটোৰ বাবে এক অপ্ৰতিৰোধ্য শক্তি। বিজেপিৰ নিৰ্বাচনী কৌশল কেৱল ওপৰৰ পৰা জাপি দিয়া নহয়, বৰঞ্চ ই 'বুথ' পৰ্যায়ৰ পৰা এক বিজ্ঞানসন্মত পদ্ধতিৰে আৰম্ভ হয়। 'পৃষ্ঠ প্ৰমুখ'ৰ দৰে অভিনৱ পদক্ষেপে প্ৰতিজন ভোটাৰৰ সৈতে দলীয় কৰ্মীৰ এক ব্যক্তিগত আৰু স্থায়ী সম্পৰ্ক গঢ়ি তোলে। বিজেপিৰ এজন নিষ্ঠাবান কৰ্মীয়ে ৩৬৫ দিনেই নিজৰ এলেকাটোত সক্ৰিয় হৈ থাকে, যাৰ ফলত নিৰ্বাচনৰ সময়ত তেওঁলোকে ৰাইজৰ প্ৰকৃত মনোভাৱ সহজে বুজি পাব পাৰে আৰু সেই মৰ্মে ব্যৱস্থা ল'ব পাৰে। অন্যহাতে বিৰোধী দলবোৰৰ সাংগঠনিক ভেটি যিমান দুৰ্বল আৰু বিভাজিত, বিজেপিৰ সংগঠন সিমানেই সুদৃঢ় আৰু অনুশাসিত। প্ৰতিটো সমষ্টিৰ বাবে সুকীয়া আৰু বিশেষ ৰণনীতি তৈয়াৰ কৰা আৰু প্ৰতিজন অসন্তুষ্ট কৰ্মীক একত্ৰিত কৰি ৰখাৰ যি দক্ষতা বিজেপি নেতৃত্বই দেখুৱাইছে, সেয়া আধুনিক বিশ্বৰ ৰাজনীতিত এক অধ্যয়নৰ বিষয়। ২০২৬ চনত দেখা গ'ল যে বিজেপিয়ে যিদৰে অত্যন্ত সূক্ষ্ম অংক কৰি নিৰ্বাচন খেলিছিল, তাৰ সমুখত বিৰোধীৰ পৰম্পৰাগত আৰু পুৰণি প্ৰচাৰ একেবাৰে ম্লান পৰি গৈছিল। সংগঠনৰ এই বিশাল আৰু দক্ষ বাহিনীটোৱে চৰকাৰী আঁচনিবোৰৰ বাৰ্তা ঘৰে ঘৰে লৈ যোৱাত যি অপৰিসীম ভূমিকা পালন কৰিছে, সেয়াই বিজেপিৰ জয়ৰ পথ অধিক নিষ্কণ্টক কৰি তুলিছে।



অসমৰ বৰ্তমানৰ ৰাজনৈতিক দৃশ্যপটত খিলঞ্জীয়াৰ সুৰক্ষা আৰু জনগাঁথনিগত পৰিৱৰ্তনৰ বিষয়টো অতি স্পৰ্শকাতৰ হৈ পৰিছে। বিজেপি চৰকাৰে এই বিষয়টোক অতি গুৰুত্বসহকাৰে লৈ এক নিৰ্দিষ্ট আৰু শক্তিশালী আখ্যান বা 'নেৰেটিভ' তৈয়াৰ কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে বাৰে বাৰে 'জাত-মাটি-ভেটি'ৰ সুৰক্ষাৰ কথা কোৱাৰ লগতে যিদৰে তথাকথিত 'মিয়া ৰাজনীতি'ৰ বিৰুদ্ধে এক অত্যন্ত স্পষ্ট আৰু কঠোৰ স্থিতি গ্ৰহণ কৰিছে, সি অসমৰ খিলঞ্জীয়া হিন্দু আৰু মুছলমান সমাজখনৰ মাজত এক গভীৰ বিশ্বাস আৰু নিৰাপত্তাৰ পৰিৱেশ গঢ়ি তুলিছে। মানুহৰ মাজত এতিয়া এক ধৰণৰ সুদৃঢ় ধাৰণা গঢ়ি উঠিছে যে কেৱল বিজেপি চৰকাৰৰ দিনতহে তেওঁলোকৰ ভূমিৰ অধিকাৰ, ভাষা আৰু সাংস্কৃতিক পৰিচয় সম্পূৰ্ণৰূপে সুৰক্ষিত হৈ থাকিব। সত্ৰসমূহৰ ভূমি বেদখলমুক্ত কৰা আৰু খিলঞ্জীয়াৰ স্বাৰ্থত গ্ৰহণ কৰা বিভিন্ন সাহসী আইনী পদক্ষেপবোৰে ভোটাৰৰ মাজত এক গভীৰ আৱেগিক প্ৰভাৱ পেলাইছে। বিৰোধী দলসমূহ, বিশেষকৈ কংগ্ৰেছে এই স্পৰ্শকাতৰ বিষয়ত এক স্পষ্ট স্থিতি ল'বলৈ ভয় কৰাৰ বিপৰীতে বিজেপিয়ে ইয়াক এক নিৰ্বাচনী বিজয়ৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি সফল হ'ল। অসম বিধানসভা নিৰ্বাচনৰ ফলাফলে এইটো প্ৰমাণ কৰিলে যে অসমৰ ৰাইজে এতিয়া কেৱল উন্নয়ন নহয়, বৰঞ্চ নিজৰ ঐতিহাসিক পৰিচয় আৰু ভূমিৰ অস্তিত্ব ৰক্ষাৰ বাবেও বিজেপিৰ ওপৰতে অধিক ভৰসা কৰিছে। এই আৱেগিক আৰু অস্তিত্বৰ যুঁজখনত বিজেপিয়ে নিজকে খিলঞ্জীয়াৰ একমাত্ৰ ত্ৰাণকৰ্তা আৰু ৰক্ষক হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ল।

বিৰোধী পক্ষৰ দুৰ্বলতা, আভ্যন্তৰীণ কন্দল আৰু তেওঁলোকৰ মাজত থকা গভীৰ বিভাজনেও বিজেপিৰ জয়ৰ পথ বহুত সহজ কৰি তুলিছে। কংগ্ৰেছৰ দৰে পুৰণি আৰু ঐতিহাসিক দলে যিদৰে নেতৃত্বৰ সংকট আৰু দিশহীনতাত ভুগিছে, সি সাধাৰণ ভোটাৰক বাৰুকৈয়ে হতাশ কৰিছে। বিৰোধীৰ ওচৰত বিজেপিৰ মুখামুখি হ'বলৈ কোনো বিকল্প আৰু শক্তিশালী উন্নয়নমুখী কাৰ্যসূচী নাই। তেওঁলোকৰ সমগ্ৰ নিৰ্বাচনী প্ৰচাৰ কেৱল বিজেপিৰ অন্ধ বিৰোধিতা আৰু ব্যক্তিগত সমালোচনাৰ মাজতে সীমাবদ্ধ হৈ ৰ'ল, কিন্তু তেওঁলোকে ৰাইজক এইটো পতিয়ন নিয়াব নোৱাৰিলে যে তেওঁলোকৰ হাতত অসমৰ উন্নয়নৰ বাবে কি বিশেষ পৰিকল্পনা আছে। নতুনকৈ জন্ম হোৱা আঞ্চলিক দলবোৰেও নিজৰ মাজতে একত্ৰিত হ'ব নোৱাৰাৰ ফলত বিজেপি বিৰোধী ভোটবোৰ বিভিন্ন ঠাইত বিভক্ত হৈ পৰিল, যাৰ পোনপটীয়া সুবিধা শাসকীয় পক্ষই পালে। ইয়াৰ বিপৰীতে বিজেপিয়ে নিজৰ মিত্ৰদলসমূহৰ সৈতে এক সুদৃঢ় বুজাপৰা আৰু সন্মান ৰাখি একত্ৰিতভাৱে নিৰ্বাচন খেলিলে। বিৰোধীৰ এই সম্পূৰ্ণ ব্যৰ্থতাই বিজেপিৰ বাবে এক অত্যন্ত সুবিধাজনক আৰু একপক্ষীয় পৰিৱেশ সৃষ্টি কৰিলে, যাৰ সুফল তেওঁলোকে নিৰ্বাচনী ফলাফলত ১০০ শতাংশ লাভ কৰিলে। যেতিয়ালৈকে বিৰোধীয়ে এক সুসংগঠিত, শক্তিশালী আৰু জনমুখী বিকল্প নেতৃত্ব আগবঢ়াব নোৱাৰে, তেতিয়ালৈকে বিজেপিৰ এই আধিপত্য ম্লান হোৱাৰ কোনো থল দেখা নাযায়।

সাংস্কৃতিক আৰু আধ্যাত্মিক পৰিৱেশৰ পুনৰুদ্ধাৰৰ বাবে বিজেপি চৰকাৰখনে গ্ৰহণ কৰা পদক্ষেপসমূহো এক বিশেষ চৰ্চাৰ বিষয় হৈ পৰিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহান আদৰ্শক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাবে হোৱা অহৰহ প্ৰয়াস, বীৰ লাচিত বৰফুকনৰ গৌৰৱময় ইতিহাসক নতুনকৈ বিশ্বজনীন ৰূপত উপস্থাপন কৰা আৰু ৰাজ্যখনৰ পুৰণি মন্দিৰ-সত্ৰসমূহৰ আধুনিক উন্নয়নৰ বাবে বৃহৎ পুঁজিৰ অনুদান আগবঢ়োৱা কাৰ্যই অসমীয়া সমাজৰ এটা বৃহৎ অংশক বিজেপিৰ প্ৰতি আৱেগিকভাৱে আকৰ্ষিত কৰিছে। চৰকাৰে অসমীয়া স্বকীয় সংস্কৃতিৰ সৈতে একাত্ম হৈ পৰাৰ যি ধৰণৰ নিৰন্তৰ চেষ্টা চলাইছে, সেয়া আগৰ কোনো চৰকাৰৰ দিনত ইমান প্ৰকট আৰু আন্তৰিকভাৱে দেখা হোৱা নাছিল। চৰকাৰী প্ৰতিটো অনুষ্ঠানতে অসমীয়া পৰম্পৰাৰ প্ৰতিফলন আৰু থলুৱা ভাষা-সংস্কৃতিৰ সুৰক্ষাৰ বাবে লোৱা বিভিন্ন নীতিবোৰে বিজেপিৰ প্ৰতি এক গভীৰ নৈতিক সমৰ্থন গঢ়ি তুলিছে। ইয়াৰ ফলত সাধাৰণ মানুহৰ মাজত এনে এটা ধাৰণা গঢ়ি উঠিছে যে বিজেপি কেৱল এটা ৰাজনৈতিক দলেই নহয়, বৰঞ্চ ই অসমীয়া শাশ্বত পৰম্পৰাৰো এক সঁচা ৰক্ষক। এই সাংস্কৃতিক ৰাজনীতি আৰু ঐতিহ্যৰ সুৰক্ষাই ২০২৬ চনৰ নিৰ্বাচনত বিজেপিৰ বাবে এক বিশেষ আধাৰ হিচাপে কাম কৰিলে, য'ত আধুনিক উন্নয়নৰ লগতে জাতীয় চেতনাৰো এক সুন্দৰ সংমিশ্ৰণ ঘটিল।

বিজেপিৰ এই বিৰল সফলতাৰ আন এক গুৰুত্বপূৰ্ণ দিশ হ'ল জনসাধাৰণৰ সামূহিক মনস্তত্ত্বৰ গভীৰ আৰু বিজ্ঞানসন্মত অধ্যয়ন। চৰকাৰখনে অতি ভালদৰে বুজি উঠিছে যে আজিৰ দ্ৰুত পৰিৱৰ্তনশীল সময়ত মানুহে কেৱল নিৰ্বাচনী শ্লোগান আৰু প্ৰতিশ্ৰুতিৰে সন্তুষ্ট নহয়, তেওঁলোকক লাগে বাস্তৱ ক্ষেত্ৰত হোৱা কামৰ স্পষ্ট প্ৰমাণ। সেইবাবেই বিজেপিয়ে প্ৰতিটো চৰকাৰী সফলতাক অতি নিপুণতাৰে প্ৰচাৰ কৰাৰ ওপৰতো বিশেষ গুৰুত্ব দিছে, যাতে চৰকাৰৰ কামবোৰ প্ৰতিজন সাধাৰণ মানুহৰ দৃষ্টিগোচৰ হয়। প্ৰযুক্তিৰ অত্যাধুনিক ব্যৱহাৰ আৰু সামাজিক মাধ্যমৰ জৰিয়তে চৰকাৰী আঁচনিৰ সফলতাৰ বাৰ্তা গাঁৱৰ চুক-কোণলৈকে বিলাই দিয়াৰ যি এক প্ৰক্ৰিয়া, সি বিশেষকৈ নতুন প্ৰজন্মৰ শিক্ষিত ভোটাৰসকলক বাৰুকৈয়ে আকৰ্ষিত কৰিছে। বিজেপিৰ বাবে নিৰ্বাচন মানে কেৱল এক নিৰ্দিষ্ট সময়ৰ খেল নহয়, ই হ'ল জনসাধাৰণৰ সৈতে নিৰন্তৰ আৰু সজীৱ যোগাযোগৰ এক স্থায়ী মাধ্যম। এই নিৰন্তৰ প্ৰচেষ্টা আৰু উন্নত কৰ্ম সংস্কৃতিয়েই বিজেপিক আন পৰম্পৰাগত ৰাজনৈতিক দলবোৰৰ তুলনাত বহুত আগুৱাই লৈ গৈছে। এই জয়যাত্ৰা আচলতে সেই সুদীৰ্ঘ পৰিশ্ৰম, সঠিক পৰিকল্পনা আৰু সুতীক্ষ্ণ ৰাজনৈতিক দূৰদৰ্শিতাৰে এক সফল পৰিণতি।

অসমৰ বৰ্তমানৰ ৰাজনৈতিক পৰিৱেশত বিজেপিয়ে যি এক আধিপত্য স্থাপন কৰিছে, তাৰ আঁৰত এক গভীৰ সামাজিক পৰিৱৰ্তন লুকাই আছে। মানুহে এতিয়া ৰাজনীতিত সুস্থিৰতা আৰু ফলাফল বিচাৰে। চৰকাৰ আৰু দলৰ মাজৰ যি এক অভূতপূৰ্ব সমন্বয় বিজেপিয়ে গঢ়ি তুলিছে, সি প্ৰশাসনক অধিক জনমুখী কৰি তুলিছে। মুখ্যমন্ত্ৰীৰ পৰা আৰম্ভ কৰি এজন সাধাৰণ কৰ্মীলৈকে সকলোৱে একেই লক্ষ্যৰে কাম কৰাৰ যি এক মানসিকতা, সেয়াই বিজেপিৰ আটাইতকৈ ডাঙৰ শক্তি। বিপৰীতে বিৰোধী দলবোৰে এতিয়াও পুৰণি পদ্ধতিৰে ৰাজনীতি কৰিবলৈ গৈ প্ৰতিবাৰেই বিফল হৈছে। বিজেপিৰ এই জয়যাত্ৰাই প্ৰমাণ কৰিলে যে যদিহে কোনো চৰকাৰে সঁচা অৰ্থত কাম কৰে আৰু সেই কামৰ বাৰ্তা সঠিকভাৱে ৰাইজৰ ওচৰলৈ লৈ যাব পাৰে, তেন্তে ৰাইজে সেই চৰকাৰক কেতিয়াও প্ৰত্যাখ্যান নকৰে। এইটোৱেই হ'ল বিজেপিৰ অপ্ৰতিৰোধ্য জয়যাত্ৰাৰ প্ৰকৃত ৰহস্য, য'ত উন্নয়ন, সংগঠন, নেতৃত্ব আৰু জাতীয়তাবাদ— এই চাৰিওটা দিশৰ এক নিখুঁত সংমিশ্ৰণ ঘটিছে।



সামগ্ৰিকভাৱে ক'বলৈ গ'লে, ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিজেপিৰ এই অসাধাৰণ জয়যাত্ৰা আছিল এক সুপৰিকল্পিত, পৰিশ্ৰমী আৰু আধুনিক ৰাজনীতিৰ ফচল। ইয়াত একালে যেনেকৈ আছিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দৰে এজন দক্ষ কৌশলী আৰু পৰিশ্ৰমী নেতাৰ নেতৃত্ব, আনফালে আছিল প্ৰশাসনৰ অভূতপূৰ্ব গতিশীলতা আৰু তৃণমূল পৰ্যায়ৰ সংগঠনৰ এক শক্তিশালী বান্ধোন। চৰকাৰী আঁচনিবোৰৰ সঠিক আৰু স্বচ্ছ ৰূপায়ণৰ জৰিয়তে যিদৰে হিতাধিকাৰীৰ এটা বিশাল বাহিনী গঢ়ি তোলা হ'ল, সি বিৰোধীৰ বাবে এক অতিক্ৰম কৰিব নোৱাৰা বিশাল প্ৰাচীৰ হৈ পৰিল। আন্তঃগাঁথনিৰ দ্ৰুত আৰু দৃশ্যমান উন্নয়ন তথা খিলঞ্জীয়াৰ অস্তিত্ব ৰক্ষাৰ সুনিশ্চিত প্ৰতিশ্ৰুতিয়ে সাধাৰণ মানুহৰ মনত এক স্থায়ী আৰু গভীৰ আস্থাৰ ভাৱ গঢ়ি তুলিলে। অসমৰ ৰাজনীতি এতিয়া কেৱল আৱেগিক শ্লোগানৰ পৰা আঁতৰি আহি সম্পূৰ্ণৰূপে ফলাফলমুখী হ'বলৈ আৰম্ভ কৰিছে আৰু বিজেপি চৰকাৰে এই পৰিৱৰ্তনৰ সুফল অতি চতুৰতাৰে আৰু নিষ্ঠাৰে আদায় কৰিছে। অনাগত দিনত যদি বিৰোধী দলবোৰে নিজৰ পুৰণি ভুলৰ পৰা শিক্ষা লৈ এক যোগাত্মক, সবল আৰু নতুন নেতৃত্ব আগবঢ়াব নোৱাৰে, তেন্তে বিজেপিৰ এই উত্থান ৰোধ কৰাটো এক প্ৰকাৰ অসম্ভৱ হৈ পৰিব। অসমৰ ৰাজনৈতিক ইতিহাসত এই বিশেষ সময়ছোৱা এক সোণালী অধ্যায় হিচাপে সদায় লিপিবদ্ধ হৈ থাকিব, য'ত উন্নয়ন আৰু জাতীয়তাবাদৰ এক নতুন সমীকৰণেৰে এখন সুস্থিৰ, শক্তিশালী আৰু স্বাভিমানী অসম গঢ়াৰ সপোন ৰাইজে একেলগে দেখিছে। বিজেপি দলৰ এই জয়যাত্ৰা কেৱল এটা দলৰ বিজয় নহয়, বৰঞ্চ ই হ'ল অসমৰ সৰ্বাংগীণ উন্নতিৰ বাবে লোৱা এক বৃহৎ গণতান্ত্ৰিক সিদ্ধান্ত। ভৱিষ্যতে অসমৰ ৰাজনীতি যি দিশতেই গতি নকৰক কিয়, বিজেপিৰ এই কাৰ্যকাল আৰু তেওঁলোকৰ অনন্য নিৰ্বাচনী ৰণনীতি সদায়েই এক আদৰ্শ আৰু চৰ্চাৰ বিষয় হিচাপে বিবেচিত হ'ব। শেহতীয়া নিৰ্বাচনী ফলাফলে আমাক বুজাই দিয়ে যে গণতন্ত্ৰত যিয়ে জনসাধাৰণৰ প্ৰকৃত প্ৰয়োজনীয়তা আৰু আৱেগক সঠিক সময়ত বুজি পাই কাম কৰিব পাৰে, তেওঁৰ বিজয় সদায়েই সুনিশ্চিত। বিজেপিয়ে এই সূত্ৰটোকেই অতি নিষ্ঠাৰে আৰু কঠোৰ পৰিশ্ৰমেৰে পালন কৰি অসমৰ জনসাধাৰণৰ হৃদয়ত এক স্থায়ী আসন দখল কৰিবলৈ সক্ষম হৈছে। বিজেপি চৰকাৰৰ 'সেৱা আৰু উন্নয়ন'ৰ যাত্ৰাই অসমক এক নতুন উচ্চতালৈ লৈ গৈছে, যাৰ ফলশ্ৰুতিত বিজেপিৰ জয়যাত্ৰা আজি অপ্ৰতিৰোধ্য হৈ পৰিছে।

ফাকু গুৰি চটিয়াই, নৃত্য, গীত আৰু আতচবাজী ফুটাই বিজেপিৰ সমৰ্থকৰ আনন্দ উল্লাস

# মাজুলীত অপ্ৰতিৰোধ্য বিজেপি প্ৰাৰ্থী ভুবন গাম

## কংগ্ৰেছৰ প্ৰাৰ্থী ড° ইন্দ্ৰনীল পেগুক ৩৫, ৩০০টা ভোটৰ ব্যৱধানত পৰাজয়

**অসম বাৰ্তা, উজনী মাজুলী, ৫ মে'** ঃ বিভিন্ন জল্পনা-কল্পনা, হিচাপ-নিকাচ তথা বিভিন্ন নিৰ্বাচনী চৰ্চাৰ মাজতে ৰাজ্যত আজি অনুষ্ঠিত বিধানসভা নিৰ্বাচনৰ ভোট গণনাৰ ফলাফল অনুসৰি ৰাজ্যত বিজেপি মিত্ৰজোঁটে পুনৰবাৰ নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈ সক্ষম হয়। সমান্তৰালভাৱে মাজুলী বিধানসভা সমষ্টিতো বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ভুবন গামে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ ড° ইন্দ্ৰনীল পেগুক পৰাস্ত কৰি দ্বিতীয়বাৰৰ বাবে বিধান সভালৈ নিৰ্বাচিত হ'বলৈ সক্ষম হয়। আজি হোৱা ভোট গণনাত বিজেপিৰ ভুবন গামে অন্তিম ৰাউণ্ডৰ শেষত আৰু পোষ্টেল ভোট সহ মুঠ ৭৮, ৩২৪টা ভোট লাভ কৰি কংগ্ৰেছৰ প্ৰাৰ্থী ড° ইন্দ্ৰনীল পেগুক ৩৫, ৩০০টা ভোটৰ ব্যৱধানত পৰাজিত কৰি বিজয় সাব্যস্ত কৰে। কংগ্ৰেছৰ ড° ইন্দ্ৰনীল পেগুৱে অন্তিম ৰাউণ্ডৰ গণনা আৰু পোষ্টেল ভোটৰ গণনাৰ অন্তত মুঠ ৪৩, ০২৪টা ভোট লাভ কৰি দ্বিতীয় স্থানত থাকে। ইফালে এছ.ইউ.চি.আই কমিউনিষ্ট দলৰ ভাইটি ৰিচঙে মুঠ ১০১৯টা ভোট লাভ কৰে। এইবাৰ মাজুলী সমষ্টিত মুঠ ৯৫৮টা ন'টা ভোটো পোৱা যায়। অৱশ্যে ১, ৭১৪টা পোষ্টেল ভোটৰ ভিতৰত ১১৩ ভোট নাকচ হয়। পুৱা ৮ বজাৰ পৰা কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজত মাজুলী নতুন জিলা আয়ুক্ত কাৰ্যালয়ত ১৪টা ৰাউণ্ডত মুঠ ১৭খন টেবুলত ভোট গণনা অনুষ্ঠিত হয়। প্ৰথম ৰাউণ্ডৰ ভোট গণনাৰ পৰাই বিজেপিৰ প্ৰাৰ্থী ভুবন গামে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ ড° ইন্দ্ৰনীল পেগুতকৈ বৃহৎ ব্যৱধানত অগ্ৰগতি লাভ কৰি চতুৰ্দশ তথা অন্তিম ৰাউণ্ডত মুঠ ৭৭, ৩৮৯টা ভোট লাভ কৰি বিজয় সাব্যস্ত কৰে। উল্লেখযোগ্য ২০২১ৰ বিধানসভা নিৰ্বাচনত তেতিয়াৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল মাজুলী সমষ্টিৰ পৰা দ্বিতীয়বাৰৰ বাবে নিৰ্বাচিত হৈছিল যদিও সেইবাৰ সোণোৱালে কেন্দ্ৰীয় মন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰাত খালী হোৱা মাজুলী সমষ্টিৰ পৰা উপ-নিৰ্বাচনত ২০২২ বৰ্ষত প্ৰথমবাৰৰ বাবে বিধান সভালৈ নিৰ্বাচিত হৈছিল ভুবন গাম। সেইবাৰ তেওঁৰ মুঠ ৬৭, ২৪২টা ভোট লাভ কৰি অসম জাতীয় পৰিষদৰ চিত্তৰঞ্জন বসুমতাৰীক ৪২, ১৪১টা ভোটৰ বৃহৎ ব্যৱধানত পৰাজিত কৰি বিজয় সাব্যস্ত কৰিছিল। উল্লেখযোগ্য যে এইবাৰ মাজুলী সমষ্টিত মুঠ ১, ২১, ৭২৪ গৰাকী ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিছিল। তাৰে ভিতৰত পুৰুষ ভোটদানকাৰীৰ সংখ্যা ৫৯, ৭১৫ গৰাকী আৰু মহিলা ভোটদানকাৰীৰ সংখ্যা ৬২, ০০৯ গৰাকী। সমগ্ৰ প্ৰক্ৰিয়াত মুঠ ভোটদানৰ হাৰ আছিল প্ৰায় ৮৩.৭৬ শতাংশ। ইফালে ব্যাপক চৰ্চাৰ মাজতো কংগ্ৰেছৰ ড° ইন্দ্ৰনীল পেগুক পৰাজিত কৰি দ্বিতীয়বাৰৰ বাবে বিজয় সাব্যস্ত কৰাত মাজুলীৰ বিজেপি মিত্ৰজোটৰ সমৰ্থক সকলৰ মাজত ব্যাপক উল্লাস পৰিলক্ষিত হয়। বিজয় নিশ্চিত হোৱাৰ পিছতেই বিজেপি প্ৰাৰ্থী ভুবন গাম জিলা আয়ুক্ত কাৰ্যালয়ৰ পৰা বিজয় চিহ্ন প্ৰদৰ্শন কৰি বাহিৰলৈ ওলাই আহে। ইয়াৰ পিছতে সমৰ্থক সকলে বিজয়ী প্ৰাৰ্থী ভুবন গামক লগত লৈ ফাকু গুৰি চটিয়াই, নৃত্য, গীত আৰু আতচবাজী ফুটাই আনন্দ উল্লাস প্ৰদৰ্শন কৰি গড়মূৰ স্থিত জিলা বিজেপিৰ কাৰ্যালয়ত উপস্থিত হয়। তাতেই মিত্ৰজোটৰ আটাইকেইটা দলৰ নেতৃবৃন্দই বিজয়ী প্ৰাৰ্থী ভুবন গামক অভিনন্দন জনায়। বিজয় সাব্যস্ত কৰি ভুবন গামে কয় যে- মাজুলীবাসীৰ ওচৰত মই চিৰ কৃতজ্ঞ। আগন্তুক সময়তো সকলোকে লগত লৈ মই মাজুলীৰ উন্নয়নৰ কাৰণে আত্মনিয়োগ কৰি যাবলৈ প্ৰতিশ্ৰুতিবদ্ধ। এই ক্ষেত্ৰত মই অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক মই বিশেষভাৱে শলাগ লৈছোঁ বুলি উল্লেখ কৰে। বিজয়ী প্ৰাৰ্থী ভুবন গামে মিত্ৰ দল অসম গন পৰিষদ, সন্মিলিত গনশক্তি অসমৰ নেতৃত্বকো ধন্যবাদ জনায়। ইফালে ইয়াৰ পিছতে বিজেপিৰ বিজয়ী প্ৰাৰ্থী গামে গড়মূৰ স্থিত জিলা বিজেপিৰ কাৰ্যালয়ত দলীয় কাৰ্যকৰ্তা সকলৰ আদৰণি গ্ৰহণ কৰে। ইফালে কংগ্ৰেছৰ প্ৰাৰ্থী ড° ইন্দ্ৰনীল পেগুৱে নিজৰ পৰাজয় স্বীকাৰ কৰি খুবেই কম দিনতে মাজুলীবাসী ৰাইজে দিয়া সঁহাৰিৰ বাবে ৰাইজক কৃতজ্ঞতা জনাই পৰৱৰ্তী সময়ত সততাৰ যুঁজখন আগবঢ়াই লৈ যোৱা হ'ব বুলি উল্লেখ কৰে। ইফালে ভুৱন গামক পুনৰবাৰ বিজয় কৰাত অসম গণ পৰিষদৰ মাজুলী জিলা সমিতি আৰু সন্মিলিত গণশক্তি - অসমৰ মাজুলী জিলা সমিতিয়ে সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে মিত্ৰজোঁটৰ ভোটদাতা ৰাইজক কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# তিনিচুকীয়াৰ ছটা সমষ্টিতে ফুলিল পদুম

ধূলিসাৎ হ'ল বিৰোধীৰ চৰকাৰ গঠনৰ সপোন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, তিনিচুকীয়া বিশেষ, ৫ মে'** ঃ যোৱা ৯ এপ্ৰিলত অনুষ্ঠিত অসম বিধানসভাৰ নিৰ্বাচনৰ ভোট গণনা আজি অনুষ্ঠিত হয়। তিনিচুকীয়া জিলাৰছটা বিধানসভা সমষ্টিৰ ভোট গণনাও আজি তিনিচুকীয়াত কটকটীয়া নিৰাপত্তাৰ মাজত অনুষ্ঠিত কৰা হয়। পূৰ্বে তিনিচুকীয়া জিলাত পাঁচটা বিধানসভা সমষ্টি আছিল যদিও সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত জিলাখনত মাকুম বিধানসভা সমষ্টিটো নতুনকৈ অন্তৰ্ভুক্ত হয়। পূৰ্বে জিলাখনৰ পাঁচোটা সমষ্টিয়েই বিজেপিৰ দখলত আছিল। এইবাৰ মাকুম সমষ্টিটোও বিজেপিৰ দখললৈ যোৱাত জিলাখনৰছটা বিধানসভা সমষ্টিয়েই বিজেপিৰ দখললৈ যায়। জিলাখনৰ ৮১ নং শদিয়া বিধানসভা সমষ্টিত বৰ্তমানৰ বিধায়ক তথা বিজেপি প্ৰাৰ্থী বলিন চেতিয়াই তেওঁৰ নিকটতম প্ৰাৰ্থী অসম জাতীয় পৰিষদৰ জগদীশ ভূএগক ৪১৭৪৯টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। বলিন চেতিয়াই ৯৭০৮৭টা ভোট লাভ কৰাৰ বিপৰীতে জগদীশ ভুএগই ৫৫৩৩৮টা ভোট লাভ কৰে। নিৰ্দলীয় আব্ৰাহাম তিৰ্কীয়ে ২০০৬ টা, দিলীপ বুঢ়াগোহাঁইয়ে ১৩৪৪টা আৰু ললিত দেউৰীয়ে ১৪১০টা ভোট লাভ কৰে। আনহাতে ২৬৪৫ গৰাকী ভোটাৰে ন'টাত ভোটদান কৰে। ৮২ নং ডুমডুমা বিধানসভা সমষ্টিত বৰ্তমানৰ বিধায়ক তথা মন্ত্ৰী, বিজেপিৰ প্ৰাৰ্থী ৰূপেশ গোৱালাই কংগ্ৰেছ প্ৰাৰ্থী দুৰ্গা ভূমিজক ৫৫৩৮২টা ভোটত পৰাজিত কৰে। ৰূপেশ গোৱালাই ৮৬০০৯টা ভোট লাভ কৰাৰ বিপৰীতে দুৰ্গা ভূমিজে ৩০৬২৭টা ভোট লাভ কৰে। আনহাতে ৪৮৬৪ গৰাকী ভোটাৰে ন'টাত ভোটদান কৰে। ৮৩ নং মাৰ্ঘেৰিটা বিধানসভা সমষ্টিত বৰ্তমানৰ বিধায়ক তথা বিজেপি প্ৰাৰ্থী ভাস্কৰ শৰ্মাই ৰাইজৰ দলৰ প্ৰাৰ্থী ৰাহুল ছেত্ৰীক ৫৫৩১৭টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। ভাস্কৰ শৰ্মাই ৮৬৩৪৯টা ভোট লাভ কৰাৰ বিপৰীতে ৰাহুল ছেত্ৰীয়ে ৩১০৩২টা ভোট লাভ কৰে। আনহাতে ঝাৰখণ্ড মুক্তি মৰ্চাৰ জাৰ্নেল মিঞ্জে ১৯২২৮টা ভোট লাভ কৰে আৰু ৩২৯০ গৰাকী ভোটাৰে ন'টাত ভোটদান কৰে। ৮৪ নং ডিগবৈ সমষ্টিত বৰ্তমানৰ বিধায়ক তথা বিজেপি প্ৰাৰ্থী সুৰেন ফুকনে ৰাইজৰ দলৰ প্ৰাৰ্থী দুলাল মৰাণক ৪১০৭৩টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। সুৰেন ফুকনে ৬৫৬৯০টা ভোট লাভ কৰাৰ বিপৰীতে ৬৫৬৯০ দুলাল মৰাণে ২৪৬১৭টা ভোট লাভ কৰে। তৃণমূল কংগ্ৰেছৰ জিতেন নাগে ২৪৪১টা, ঝাৰখণ্ড মুক্তি মৰ্চাৰ ভৰত নায়কে ১৯৬৩৮টা আৰু নিৰ্দলীয় লখেশ্বৰ মৰাণে ১৬৬৬টা ভোট লাভ কৰে। আনহাতে ২৬৯৭ গৰাকী ভোটাৰে ন'টাত ভোটদান কৰে। ৮৫ নং মাকুম সমষ্টিত বৰ্তমানৰ তিনিচুকীয়া বিধানসভা সমষ্টিৰ বিধায়ক তথা বিজেপি প্ৰাৰ্থী সঞ্জয় কিশানে কংগ্ৰেছ প্ৰাৰ্থী শিৱনাথ চেতিয়াক ২৮২৭৬টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। সঞ্জয় কিশানে ৭৪৬৯৪টা ভোট লাভ কৰাৰ বিপৰীতে শিৱনাথ চেতিয়াই ৪৬৪১৮টা ভোট লাভ কৰে। তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী দিলীপ মৰাণে ২১৮৬টা আৰু নিৰ্দলীয় প্ৰাৰ্থী পদ্মকান্ত চুতীয়াই ১৪৪০ আৰু লক্ষ্যজ্যোতি ৰাজখুৱাই ১৮৩৬টা ভোট লাভ কৰে। সমষ্টিটোৰ ৩০৪৭ গৰাকী ভোটাৰে ন'টাত ভোটদান কৰে। ৮৬ নং তিনিচুকীয়া সমষ্টিত বিজেপিৰ প্ৰাৰ্থী পুলক গোঁহাইয়ে কংগ্ৰেছৰ ডেভিদ ফুকনক ৪৮৪৯৭টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। পুলক গোঁহাইয়ে ৮৫১৮৪টা ভোট লাভ কৰাৰ বিপৰীতে ডেভিদ ফুকনে ৩৬৬৮৭টা ভোট লাভ কৰে। নিৰ্দলীয় ইজৰাইল নন্দই ১১৯১টা, গোবিন্দ জ'চৈই ১৩৩৬ টা, চিণ্টু বৰুৱাই ৭১৪ টা,জনী কিৰণ নায়কে ৫১২০ টা, ভৈৰৱ ভগতে ৮৬৬টা ৮৬৬, লালন চাহানীয়ে ২৩১৩টা ভোট লাভ কৰে। আনহাতে ২৪০৭ গৰাকী ভোটাৰে ন'টাত ভোটদান কৰে। আজি ফলাফল ঘোষণাৰ লগে লগে বিৰোধী মিত্ৰজোঁটৰ চৰকাৰ গঠনৰ সপোন ধূলিসাৎ হ'ল। তিনিচুকীয়া জিলাৰ চৌদিশে ২০২১ৰ পুনৰাবৃত্তিৰে আকৌ এবাৰ পদুম ফুলিল। এইবাৰ বিজেপিৰ ভোট কমিব বুলি বহুতে মন্তব্য কৰিছিল যদিও জিলাখনৰছটা সমষ্টিতে বিজেপিৰ ভোট পূৰ্বতকৈ বৃদ্ধি হোৱাহে দেখা গ'ল।

বিশ্বনাথত তিনিওটা বিধানসভা সমষ্টিত বিজেপি প্ৰাৰ্থী জয়ী

# বিধানসভা নিৰ্বাচনঃ শান্তিপূৰ্ণ-ভাৱে সম্পন্ন ভোট গণনা প্ৰক্ৰিয়া

**অসম বাৰ্তা, বিহালী, ৫ মে'** ঃ আজি বিশ্বনাথ জিলাখনত অনুষ্ঠিত হোৱা অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ ভোট গণনা প্ৰক্ৰিয়া অত্যন্ত শান্তিপূৰ্ণ আৰু সুশৃংখলভাৱে সমাপন হয়। বিশ্বনাথ নিৰ্বাচনী জিলাৰ তিনিওটা বিধানসভা সমষ্টি ক্ৰমে ৭০ নং বিশ্বনাথত ১৭ ৰাউণ্ডত, ৭১ নং বিহালী (অনুসূচীত জাতি)ত ১৭ ৰাউণ্ডত আৰু ৭২ নং গহপুৰ বিধানসভা সমষ্টিত ১৯ ৰাউণ্ডত ভোট গণনা সম্পন্ন হয়। ঘোষণা কৰা ফলাফল অনুসৰি বিশ্বনাথ নিৰ্বাচনী জিলাৰ তিনিওটা বিধানসভা সমষ্টিত ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থী জয়ী হয়। তথ্য অনুসৰি ৭০ নং বিশ্বনাথ বিধানসভা সমষ্টিত ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থী পল্লৱ লোচন দাস বিজয়ী হয়। বিজেপি প্ৰাৰ্থী গৰাকীয়ে ৮৪, ৮৬২টা ভোট লাভ কৰাৰ বিপৰীতে অনন্ত গগৈয়ে (আপ) ১৪৭১ টা, জয়ন্ত বৰাই (ভাৰতীয় জাতীয় কংগ্ৰেছ) ৫৯, ০৯২ টা, ছহিদুল আলমে (গণ সুৰক্ষা মঞ্চ) ১, ১৫৩টা আৰু তেহাৰু গৌড়ে (ঝাৰখণ্ড মুক্তি মৰ্চা) ১২, ৫০১টা ভোট লাভ কৰে। আনহাতে সমষ্টিটোত নোটাত পৰে ১, ৮৫৫টা ভোট। একেদৰে ৭১ নং বিহালী (অনুসূচীত জাতি) বিধানসভা সমষ্টিতো ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থী মুনীন্দ্ৰ দাস বিজয়ী হয়। বিজয়ী প্ৰাৰ্থী গৰাকীয়ে ৮৭, ২২৪টা ভোট লাভ কৰাৰ বিপৰীতে জ্ঞানেন্দ্ৰ চৰকাৰে (চিপিআই (এমএল) (লিবাৰেচন) ২৬, ৫২১ টা, পৱন প্ৰাণ ৰবিদাসে (গণ সুৰক্ষা পাৰ্টী) ১, ৯৯৯টা আৰু অজয় কুমাৰ সিংহই (নিৰ্দলীয়) ১৩, ২৯৪টা ভোট লাভ কৰে। এই সমষ্টিত নোটাত পৰে ৩, ৩৯৭টা ভোট। সেইদৰেই ৭২ নং গহপুৰ বিধানসভা সমষ্টিত বিজয়ী হৈছে ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থী উৎপল বৰা। বিজয়ী প্ৰাৰ্থী গৰাকীয়ে লাভ কৰে ৯৬, ৫৮২টা ভোট। আনহাতে নিত্যানন্দ বসুমতাৰীয়ে (ইউ পি পি এল) ৩, ২০৪টা, শংকৰজ্যোতি কুটুমে (ভাৰতীয় জাতীয় কংগ্ৰেছ) ৪৩, ৮৬০টা আৰু হেমন্ত বিজয় মহন্তই (নিৰ্দলীয়) ১, ৪৩৫টা ভোট লাভ কৰে। সমষ্টিটোত নোটাত পৰে ১, ৮৭৩টা ভোট। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ প্ৰথম আৰু দ্বিতীয় মহলাত স্থাপন কৰা গণনা কেন্দ্ৰসমূহত সকলো প্ৰয়োজনীয় নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে সমাপন কৰা হয় ভোট গণনা প্ৰক্ৰিয়া। আজিৰ ভোট গণনাৰ সময়ত তিনিও গৰাকী নিৰ্বাচনী পৰ্যবেক্ষক ক্ৰমে অমিত সিং বাঘ্ৱাল, ডি. জে. বাসৱ আৰু সুখনাথ অহিৰৱাৰ উপস্থিত থকাৰ লগতে ভোট গণনা সুচাৰুৰূপে পৰিচালনা কৰিবলৈ জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়া, তিনিও গৰাকী ৰিটাৰ্ণিং বিষয়া তথা অতিৰিক্ত জিলা আয়ুক্ত ক্ৰমে অমৃত প্ৰভা দাস, কবিতা কাকতি কোঁৱৰ আৰু অসীম বৰগোহাঁই উপস্থিত আছিল।

# সৰুপথাৰ সমষ্টিত ৫৬,০৮০টা ভোটৰ ব্যৱধানত বিশ্বজিৎ ফুকনৰ বৃহৎ জয়



বিৰোধী ঐক্যৰ শোচনীয় পৰাজয়

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ৪ মে'** ঃ ১০৭নং সৰুপথাৰ বিধানসভা সমষ্টিত মুখ থেকেঁচা খালে বিৰোধী দলে। শাসক পক্ষৰ প্ৰাৰ্থী বিশ্বজিৎ ফুকনে ভোট গণনাৰ অন্তত সৰ্বমুঠ ৯৬৩৪১টা ভোট পাবলৈ সক্ষম হ'ল। আনহাতে অসম জাতীয় পৰিষদ দলৰ তথা বিৰোধী ঐক্যৰ প্ৰাৰ্থী জীৱন চুতীয়াই ৪০২৬১টা আৰু ঝাৰখণ্ড মুক্তি মৰ্চাৰ প্ৰাৰ্থী চাহিল মুণ্ডাই ১১৮৫২টা ভোট পাবলৈ সক্ষম হয়। বিশ্বজিৎ ফুকনে মুঠ ৫৬০৮০টা ভোটৰ ব্যৱধানত বৃহৎ জয় লাভ কৰি দ্বিতীয়বাৰৰ বাবে সৰুপথাৰ সমষ্টিৰ পৰা নিৰ্বাচিত হয়। নিৰ্বাচনৰ পিছত বিৰোধী দলে সৰুপথাৰ সমষ্টিত যিধৰণে ফলাফল পাম বুলি দাবী কৰিছিল তাৰ সম্পুৰ্ণ বিপৰীত ছবিহে দেখা পোৱা গল। সমষ্টিটোৰ ৰাইজে সৰুপথাৰ সমষ্টিত প্ৰকৃত উন্নয়নৰ স্বাৰ্থতহে ভোট প্ৰদান কৰিলে। উল্লেখ্য যে বিগত ২০২১চনৰ পূৰ্বে সৰুপথাৰ সমষ্টিৰ যি জৰাজীৰ্ণ অৱস্থা আছিল সেই অৱস্থা ২০২১চনৰ পিছত বিশ্বজিৎ ফুকন বিধায়ক হিচাপে নিৰ্বাচিত হৈ অৱসান ঘটালে। সৰুপথাৰ সমষ্টিৰ ৰাস্তা-ঘাট, স্বাস্থ্য, শিক্ষা আদি সকলো দিশতে ব্যাপক পৰিৱৰ্তন ঘটিল আৰু বিধায়ক বিশ্বজিৎ ফুকনৰ তৎপৰতাতেই সৰুপথাৰ সমষ্টিয়ে এক নতুন ৰূপ পাই অসমৰ ভিতৰতে এক উন্নত সমষ্টিলৈ পৰিৱৰ্তন হবলৈ সক্ষম হল। গতিকে সৰুপথাৰ সমষ্টিৰ ৰাইজে সেইবাবেই বিশ্বজৎ ফুকনক পুনৰ নিৰ্বাচিত কৰিলে বুলি অনুমান কৰিব পাৰি। ইয়াৰ উপৰি আগৰ সময়চোৱাত সৰুপথাবাসী ৰাইজে বিধায়ক গৰাকীক কাতচিতহে কেতিয়াবা সমষ্টিটোত দেখা পাইছিল। কিন্তু বিশ্বজিৎ ফুকন বিধায়ক হোৱাৰ পিছত সৰহভাগ সময়েই সমষ্টিটোৰ ৰাইজৰ মাজত থাকি কাম কৰি গৈছিল। গতিকে এই সকলোবোৰ দিশ সামৰি ৰাইজে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিলে। ইফালে সৰুপথাৰ সমষ্টিৰ ৰাইজে বিধায়ক বিশ্বজিৎ ফুকনে এইবাৰ মন্ত্ৰিত্বও লাভ কৰিব বুলি দাবী কৰিছে।

# ভৱানীপুৰ-সৰভোগত ৰঞ্জিত কুমাৰ দাসৰ বৃহৎ জয়

**অসম বাৰ্তা, বৰপেটাৰোড, ৫ মে'** ঃ ভৱানীপুৰ-সৰভোগ বিধানসভা সমষ্টিত ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থী ৰঞ্জিত কুমাৰ দাসে এক বিশাল জয় সাব্যস্ত কৰিছে। তেওঁ এই যুঁজত চি.পি.আই.এম. (CPIM)ৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰক বৃহৎ ভোটৰ ব্যৱধানত পৰাজিত কৰিবলৈ সক্ষম হয়। বিজয় সাব্যস্ত কৰাৰ পিছতেই সংবাদ মাধ্যমৰ সন্মুখত প্ৰথম প্ৰতিক্ৰিয়া ব্যক্ত কৰি ৰঞ্জিত কুমাৰ দাসে আনন্দ প্ৰকাশ কৰে। তেওঁ কয় যে, এই জয় তেওঁৰ ব্যক্তিগত জয় নহয়, বৰঞ্চ এয়া সমগ্ৰ ভৱানীপুৰ-সৰভোগ সমষ্টিৰ সচেতন ৰাইজৰ জয়। তেওঁ ৰাইজৰ এই আশীৰ্বাদৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। বিজেপি নেতাগৰাকীয়ে জানিবলৈ দিয়ে যে, এই বিশেষ বিজয় উপলক্ষে কাইলৈ ৰাজহুৱাভাৱে এটা 'নাৰিকল ভঙা' অনুষ্ঠানৰ আয়োজন কৰা হব। বিজয়ৰ উল্লাসৰ মাজতে তেওঁ এক শক্তিশালী মন্তব্য কৰি কয়— "মই ৱাটাৰলুৰ নেপোলিয়ন নহয়, মই ৰণ জিৎ (ৰণ জয় কৰা ব্যক্তি)।" তেওঁৰ এই মন্তব্যই এতিয়া ৰাজনৈতিক মহলত বিশেষ চৰ্চা লাভ কৰিছে। ৰঞ্জিত কুমাৰ দাসৰ এই জয়ে সমষ্টিটোত বিজেপিৰ স্থিতি অধিক শক্তিশালী কৰা পৰিলক্ষিত হৈছে। ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থী ৰঞ্জিত কুমাৰ দাসে চি.পি.আই.এম. (CPIM)ৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰকৈ ৪০০৭৫টা ভোটৰ ব্যৱধান জয়ী হয়। ৰঞ্জিত কুমাৰ দাসে লাভ কৰে ১ লাখ ১৩ হেজাৰ ৭৬টা আৰু চি.পি.আই.এম. (CPIM)ৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰে লাভ কৰে ৭৩৫০৪টা। ৰঞ্জিত কুমাৰ দাসৰ বৃহৎ জয়ৰ পিছতেই তেওঁৰ গৃহ চহৰ বৰপেটাৰোডত উলিয়া হয় এক বৃহৎ বিজয় ৰেলী। আনহাতে আটজবাজী ফুটাই এক অৱতৰিয়া দেৱালীৰ পৰিৱেশৰ সৃষ্টি কৰে।

আটাইকেইটা সমষ্টিতে বিজেপি প্ৰাৰ্থী জয়ী

# ডিব্ৰুগড় জিলাৰ ৬ সমষ্টিত ধূলিসাৎ বিৰোধী

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৫ মে'** ঃ ডিব্ৰুগড় জিলাৰ ৬টা সমষ্টিতে ধূলিসাৎ হ'ল বিৰোধী। আজি ঘোষিত ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষিত হোৱাৰ পাছত গেৰুৱা দলটোৰ অন্যতম ঈৰ্ষণীয় প্ৰদৰ্শনৰে ডিব্ৰুগড় জিলাৰ আটাইকেইটা বিধানসভা সমষ্টিতে ভাৰতীয় জনতা পাৰ্টিয়ে জয়লাভ কৰি একপ্ৰকাৰ বিৰোধী শূন্য কৰিবলৈ সক্ষম হয়। এই ফলাফলত আটাইতকৈ বিশাল জয় সাব্যস্ত কৰে ডিব্ৰুগড় সমষ্টিত। এই সমষ্টিত বিজেপিৰ চাৰিবাৰৰ বিধায়ক তথা ৰাজ্যৰ শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনে অসম জাতীয় পৰিষদৰ মইনাক পাত্ৰক ৭২, ০৪৩ ভোটৰ বৃহৎ ব্যৱধানত পৰাজিত কৰে। ডিব্ৰুগড় সমষ্টিৰ পৰা এয়া ফুকনৰ ধাৰাবাহিক পঞ্চমটো জয় আৰু এতিয়ালৈকে সৰ্ববৃহৎ জয়ৰ ব্যৱধান। বিজয়ৰ পিছত ফুকনে কয়, "এই বিপুল জনাদেশ বিজেপি চৰকাৰ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ওপৰত ৰাইজৰ থকা আস্থা আৰু বিশ্বাসৰ প্ৰতিফলন। মই বিনম্ৰতাৰে এই জনাদেশ গ্ৰহণ কৰিছোঁ আৰু একেই আন্তৰিকতাৰে ডিব্ৰুগড়ৰ সেৱা কৰি যাম।" টিংখং সমষ্টিৰ বিধায়ক তথা উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই কংগ্ৰেছ প্ৰাৰ্থী বিপুল গগৈক ৪৯, ০২৬ ভোটত পৰাজিত কৰি এইবাৰ হেট্ৰিক অৰ্জন কৰে। ইয়াৰ লগে লগে উজনি অসমত বিজেপিৰ এজন অন্যতম শক্তিশালী নেতা হিচাপে তেওঁ নিজৰ স্থিতি সুদৃঢ় কৰি তোলে। বিমল বৰাই কয়, "এই বিজয় দলীয় কৰ্মীসকলৰ, টিংখঙৰ ৰাইজৰ আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ প্ৰতিফলন। অহা পাঁচ বছৰত আমি সমষ্টিটোৰ উন্নয়ন অধিক গুৰুত্ব প্ৰদান কৰি ক্ষিপ্ৰতৰ কৰিম।" নাহৰকটীয়া সমষ্টিত বিজেপিৰ বিধায়ক তৰংগ গগৈয়ে কংগ্ৰেছ প্ৰাৰ্থী তথা প্ৰাক্তন মন্ত্ৰী প্ৰণতি ফুকনক ৬০,০০০ তকৈ অধিক ভোটত পৰাজিত কৰে। চাবুৱা-লাহোৱালত বিজেপি প্ৰাৰ্থী বিনোদ হাজৰিকাই কংগ্ৰেছৰ প্ৰাঞ্জল ঘাটোৱাৰক ৫০, ৯১৪ ভোটত পৰাস্ত কৰে। দুলীয়াজানত বিজেপি প্ৰাৰ্থী তথা প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে কংগ্ৰেছ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি গগৈৰ বিৰুদ্ধে ১০,০০০ তকৈ অধিক ভোটত জয়লাভ কৰে। এই সমষ্টিটোত তীব্ৰ প্ৰতিদ্বন্দ্বিতা হ'ব বুলি পূৰ্বৰে ধাৰণা কৰা হৈছিল। আজিৰ ফলাফলত আটাইতকৈ প্ৰত্যাহ্বান মূলক যুঁজখন দেখা গৈছিল খোৱাং সমষ্টিত। ইয়াত বিজেপি প্ৰাৰ্থী তথা বিধায়ক চক্ৰধৰ গগৈয়ে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈক ৯,৯৮৪ ভোটত পৰাজিত কৰে। প্ৰথমাবস্থাত লুৰিন জ্যোতি গগৈ আগবাঢ়ি আছিল যদিওঁ পাছৰ ৰাউণ্ড কেইটাত কমি যায়। ইয়াৰ লগে লগে নতুনকৈ গঠন হোৱা এই সমষ্টিটোৰ পৰা প্ৰথমবাৰৰ বাবে নিৰ্বাচনী বিজয় সাব্যস্ত কৰাত, এজেপি সভাপতিগৰাকীৰ আপ্ৰাণ প্ৰচেষ্টাৰ দুখজনকভাৱে অন্তপৰে।

# নিৰ্বাচনী ফলাফলৰ ওপৰত প্ৰতিক্ৰিয়া ৰাইজৰ দলৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক পাৰভেজ ৰহমানৰ

**অসম বাৰ্তা, সৃজনগ্ৰাম, ৫ মে'** ঃ নিৰ্বাচনী ফলাফলকলৈ ৰাইজৰ দলৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক পাৰভেজ ৰহমানৰ কেতবোৰ মন্তব্য আগবঢ়ায়। লগতে কয় সভাপতি অখিল গগৈয়ে বিজয় সাব্যস্ত কৰিছে আৰু ধিং সমষ্টিত ৰাইজৰ দলৰ আন এজন সদস্য মেহবুব মুক্তাৰো জয়ী হৈছে। দলৰ দুজন সদস্য জয়ী হ'লেও সামগ্ৰিক ফলাফলত তেওঁলোক সন্তুষ্ট নহয়। বিৰোধী ঐক্য মঞ্চই যিমানখিনি কৰিব লাগিছিল, সিমানখিনি কৰিব নোৱাৰাৰ বাবে আশা কৰা মতে ফলাফল লাভ নকৰিলে বুলি তেওঁ স্বীকাৰ কৰে। বিৰোধী ঐক্য মঞ্চ গঠন কৰাৰ বাবে ৰাইজৰ দলে বহুতো আসন ত্যাগ কৰিবলগীয়া হৈছিল। এই মিত্ৰজোঁটৰ সিদ্ধান্তটো নিৰ্বাচনৰ একেবাৰে শেষ পৰ্যায়ত লোৱা হৈছিল, যাৰ ফলত ৰাইজৰ দল আৰু কংগ্ৰেছ—দুয়োটা দলৰে কিছু ক্ষতি হ'ল বুলি তেওঁ অনুভৱ কৰে। তেওঁৰ সমষ্টিৰ যিগৰাকী প্ৰাৰ্থী জয়ী হৈছে, সেই বিজয়ৰ বাবে তেওঁ সমষ্টিৰ ভোটাৰসকলক আন্তৰিক ধন্যবাদ আৰু শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয় যে যদিও জয়ী প্ৰাৰ্থীজন কংগ্ৰেছৰ, তথাপিও এইটো সমগ্ৰ সমষ্টিবাসীৰ আৰু বিৰোধী ঐক্য মঞ্চৰ জয়। সমষ্টিটোৰ আটাইতকৈ ডাঙৰ সমস্যা হ'ল গৰাখহনীয়া। তেওঁ সোঁৱৰাই দিয়ে যে যদিহে গৰাখহনীয়াৰ সমস্যাটো শীঘ্ৰে সমাধান কৰা নহয়, তেন্তে ভৱিষ্যতে সমষ্টিটো অসমৰ মানচিত্ৰৰ পৰাই নোহোৱা হৈ যোৱাৰ সম্ভাৱনা আছে। গতিকে বিধায়কগৰাকীক এই দিশত গুৰুত্ব দিবলৈ তেওঁ আহ্বান জনায়।

# বৰক্ষেত্ৰী সমষ্টিত নাৰায়ণ ডেকা, নলবাৰীত জয়ন্তমল্ল আৰু টিহুত চন্দ্ৰমোহন পাটোৱাৰী বিজয়ী

**অসম বাৰ্তা, নলবাৰী, ৫ মে'** ঃ সোমবাৰে আছিল অসম বিধানসভা নিৰ্বাচনৰ ভোট গণনা। সেই অনুসৰি নলবাৰী জিলাৰ অন্তৰ্গত তিনিটা বিধানসভা সমষ্টি ক্ৰমে বৰক্ষেত্ৰী, নলবাৰী তথা টিহু সমষ্টিৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনা নলবাৰী কলেজত স্থাপন কৰা ভোটগণনা কেন্দ্ৰত অনুষ্ঠিত কৰা হয়। নলবাৰীৰ জিলা নিৰ্বাচন বিষয়া নিবেদন দাস পাটোৱাৰীৰ তদাৰকত শান্তিপূৰ্ণভাৱে ভোটগণনা সম্পন্ন হয়। জিলাখনৰ বৰক্ষেত্ৰী সমষ্টিত বিজেপি দলৰ প্ৰাৰ্থী নাৰায়ণ ডেকাই সৰ্বমুঠ ভোট লাভ কৰে ১১৩০০১টা আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থী দিগন্ত কুমাৰ বৰ্মনে লাভ কৰে সৰ্বমুঠ ৮৪১৫৭টা ভোট। আনহাতে সমষ্টিটোৰ আন দুগৰাকী প্ৰাৰ্থী ক্ৰমে তৃণমূল কংগ্ৰেছ দলৰ প্ৰাৰ্থী আমিৰুল ইছলামে লাভ কৰে সৰ্বমুঠ ১৪১৮টা ভোট আৰু এচ ইউ চি আই দলৰ প্ৰাৰ্থী মুনীন্দ্ৰ দলে লাভ কৰে ৯৫৯টা ভোট। আৰু নোটা ভোট আছিল ২০০১ টা। নলবাৰী বিধানসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী জয়ন্তমল্ল বৰুৱাই সৰ্বমুঠ ভোট লাভ কৰে ১১৮৬১১টা আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থী অশোক শৰ্মাই সৰ্বমুঠ ভোট লাভ কৰে ৫৮৫১০টা। সমষ্টিটোৰ এচ ইউ চি আই দলৰ প্ৰাৰ্থী কেনেদী পেগুৱে লাভ কৰে ৯৯৫টা ভোট, নিৰ্দলীয় প্ৰাৰ্থী চামচুল হকে লাভ কৰে ৪৭২টা ভোট, চফৰ আলীয়ে লাভ কৰে ৩৫৪টা ভোট আৰু মুক্তাৰ হুছেইনে লাভ কৰে ৯৫৪টা ভোট। আৰু নোটা ভোট ২৬৪৪টা। আনহাতে টিহু বিধানসভা সমষ্টিৰ প্ৰাৰ্থী চন্দ্ৰমোহন পাটোৱাৰীয়ে লাভ কৰে ১০০৮৫৫টা ভোট আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থী ৰাতুল পাটোৱাৰীয়ে লাভ কৰে ৭৪৩৫৯টা লাভ কৰে। সমষ্টিটোৰ এচ ইউ চি আই দলৰ প্ৰাৰ্থী প্ৰমোদ চন্দ্ৰ ভাগৱতীয়ে লাভ কৰে ৯১৪টা ভোট আৰু নিৰ্দলীয় প্ৰাৰ্থী নাৰায়ণ দত্ত ভূঁঞাই লাভ কৰে ৯৭৭টা ভোট। আৰু নোটা ভোট ২১৪৭টা। বৰক্ষেত্ৰী সমষ্টিৰ বিজেপি প্ৰাৰ্থী নাৰায়ণ ডেকা, নলবাৰী সমষ্টিৰ বিজেপি প্ৰাৰ্থী জয়ন্তমল্ল বৰুৱা আৰু টিহু সমষ্টিৰ বিজেপি প্ৰাৰ্থী চন্দ্ৰমোহন পাটোৱাৰীয়ে সংখ্যা গৰিষ্ঠ ভোট লাভ কৰি বিজয়ী হয়।

# কামৰূপ জিলাত অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন ২০২৬ৰ ফলাফল ঘোষণাত বিজেপিৰ মিত্ৰজোঁটৰ অধিক আসন লাভ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৫ মে'** ঃ কামৰূপ নিৰ্বাচনী জিলাৰ অন্তৰ্গত ছয়টা বিধানসভা সমষ্টিৰ অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন, ২০২৬ৰ ফলাফল আজি আমিনগাঁৱত অনুষ্ঠিত ভোট গণনা প্ৰক্ৰিয়া সফলভাৱে সম্পন্ন হোৱাৰ পিছত আনুষ্ঠানিকভাৱে ঘোষণা কৰা হয়। ভোট গণনা প্ৰক্ৰিয়াটো ভাৰতৰ নিৰ্বাচন আয়োগে নিযুক্ত কৰা পৰ্যবেক্ষকসকলৰ তত্ত্বাৱধানত, প্ৰাৰ্থী আৰু তেওঁলোকৰ অনুমোদিত প্ৰতিনিধিসকলৰ উপস্থিতিত সম্পূৰ্ণ স্বচ্ছ, শৃংখলাবদ্ধ আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰা হয়। সমগ্ৰ প্ৰক্ৰিয়াত ভাৰতৰ নিৰ্বাচন আয়োগৰ সকলো নীতি-নিৰ্দেশনা কঠোৰভাৱে অনুসৰণ কৰা হয়। জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই কয় যে ভোট গণনা প্ৰক্ৰিয়াটো সুচাৰুৰূপে সম্পন্ন কৰিবলৈ প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছিল আৰু প্ৰতিটো পৰ্যায়ত স্বচ্ছতা নিশ্চিত কৰা হৈছিল। তেওঁ সকলো প্ৰাৰ্থী, ৰাজনৈতিক দল আৰু বিষয়াসকলৰ সহযোগিতাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। কামৰূপ জিলাৰ বিধানসভা সমষ্টিভিত্তিক ফলাফলসমূহ হৈছে— ২৭ নং ছমৰিয়া বিধানসভা সমষ্টিৰ বিজয়ী প্ৰাৰ্থী ভাৰতীয় জাতীয় কংগ্ৰেছৰ মনোনীত ৰেকিবুদ্দিন আহমেদ, মুঠ প্ৰাপ্ত ভোট- ১,৪৯,৭২০ টা, ২৮ নং বকো-ছয়গাঁও বিধানসভা সমষ্টিৰ (অনুসূচীত জনজাতি) বিজয়ী প্ৰাৰ্থী ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত ৰাজু মেচ মুঠ প্ৰাপ্ত ভোট- ১, ০৭, ১১৩ টা, ২৯ নং পলাশবাৰী বিধানসভা সমষ্টিৰ বিজয়ী প্ৰাৰ্থী ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত হিমাংশু শেখৰ বৈশ্য, মুঠ প্ৰাপ্ত ভোট- ১, ০৯, ৩০১ টা, ৩০ নং হাজো-শুৱালকুছি (অনুসূচীত জাতি) বিধানসভা সমষ্টিৰ বিজয়ী প্ৰাৰ্থী অসম গণ পৰিষদৰ মনোনীত প্ৰকাশ চন্দ্ৰ দাস, মুঠ প্ৰাপ্ত ভোট- ৮১, ৬৯৯ টা, ৩১ নং ৰঙিয়া বিধানসভা সমষ্টিৰ বিজয়ী প্ৰাৰ্থী ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত ভবেশ কলিতা, মুঠ প্ৰাপ্ত ভোট- ১, ০৭, ৯২৯টা আৰু ৩২ নং কমলপুৰ বিধানসভা সমষ্টিৰ বিজয়ী প্ৰাৰ্থী ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত দিগন্ত কলিতা, মুঠ প্ৰাপ্ত ভোট- ৭, ৪৪, ৫৫ টা।

# ১৭ নং সৃজনগ্ৰাম সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী নুৰুল ইছলামৰ জয়লাভ

**অসম বাৰ্তা, অভয়াপুৰী, ৫ মে'** ঃ অভয়াপুৰী সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী ভুপেন ৰায়ৰ বৃহৎ জয়নলাভ। কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰদীপ সৰকাৰে লাভ কৰে ৫২২২৮টা ভোট তাৰ বিপৰীতে বিজেপি দলৰ প্ৰাৰ্থী ভুপেন ৰায়ে লাভ কৰে ১১১১৫৪টা ভোট। ভুপেন ৰায়ে ৫৮৯২৬টা ভোটৰ ব্যৱধানত কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰদীপ সৰকাৰক পৰাস্ত কৰি বিজয়ৰ মুকুট পিন্ধে। সকলোৰে দৃষ্টি নিবদ্ধ হৈ থকা অন্য এটা সমষ্টি হৈছে ১৭ নং সৃজনগ্ৰাম বিধান সভা সমষ্টি। সৃজনগ্ৰাম সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী নুৰুল ইছলামৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিছিল AIUDF দলৰ প্ৰাৰ্থী ৰেজাউল কৰিম সৰকাৰ আৰু অগপ দলৰ প্ৰাৰ্থী ছাহিদুল হকে। ৰেজাউল কৰিম সৰকাৰে লাভ কৰে ৮৮৪১১টা ভোট, অন্য হাতে ছাহিদুল হকে লাভ কৰে ২৬৬৭১টা ভোট। দুইও দলৰ প্ৰাৰ্থীক পৰাস্ত কৰি নুৰুল ইছলামে লাভ কৰে ১০৬৭১৬টা ভোট। বঙাইগাওঁ সমষ্টিৰ অগপ দলৰ প্ৰাৰ্থী দীপ্তিময় চৌধুৰীয়ে শেষ হাঁহি মাৰিবলৈ সক্ষম হয়। দিপ্তিময় চৌধুৰীয়ে ২৪৯৯৮টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে কংগ্ৰেছ দলৰ প্ৰাৰ্থী গিৰিশ বৰুৱাক। গিৰিশ বৰুৱাই ৪৭২৪৯টা ভোট লাভ কৰাৰ বিপৰীতে অগপ দলৰ প্ৰাৰ্থী দিপ্তিময় চৌধুৰীয়ে ৭২২৪৭টা ভোট লাভ কৰে।

## দুসপ্তাহৰ ভিতৰত তামিলনাডুত চৰকাৰ গঠন

দল গঠন কৰি ৰাজ্যবাসীৰ মাজত চৰ্চালৈ আহিছিল। তেওঁ ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত ২৩৪খন আসনৰ ভিতৰত ১০৮খন আসন লাভ কৰি চৰকাৰ গঠনৰ দিশে আগবাঢ়িছে। মঙলবাৰে বিজয় থালাপতিয়ে তামিলনাডুৰ ৰাজ্যপাল ৰাজেন্দ্ৰ আৰলেখাৰলৈ চৰকাৰ গঠনৰ বাবে সময় বিচাৰি পত্ৰ প্ৰেৰণ কৰে। পত্ৰত তেওঁ উল্লেখ কৰে যে চৰকাৰ গঠন সম্পন্ন কৰিবলৈ তেওঁলোকক দুসপ্তাহৰ প্ৰয়োজন হ'ব। এই সময়ছোৱাত নম্বৰ পূৰণৰ বাবে জোটৰ অংশীদাৰ আৰু নিৰ্দলীয় বিধায়কসকলৰ সমৰ্থন সংগ্ৰহৰ প্ৰচেষ্টা চলাব। মঙলবাৰে চেন্নাইত অনুষ্ঠিত টিভিকেৰ বিধায়িনী দলৰ বৈঠকত দলৰ মুৰব্বী বিজয় থালাপতিক বিধানসভাৰ দলীয় নেতা হিচাপে সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত কৰা হয়। এই বৈঠকত উপস্থিত সকলো বিধায়কে তেওঁক নেতা হিচাপে সমৰ্থন জনায়। বিজয়ে নিজেও দলীয় বিধায়কসকলক একত্ৰিত হৈ কাম কৰিবলৈ আহ্বান জনায়। সোমবাৰে ঘোষিত তামিলনাডু বিধানসভা নিৰ্বাচনৰ ফলাফল অনুসৰি, টিভিকে মুঠ ৩৪.৯২ শতাংশ ভোট লাভ কৰে। আনহাতে, এম কে ষ্টেলিন নেতৃত্বাধীন ডিএমকে পায় ২৪.১৯ শতাংশ ভোট আৰু ৫৯খন আসন। এআইএডিএমকে লাভ কৰে ২১.২১ শতাংশ ভোট আৰু ৪৭খন আসন। তথাপি চৰকাৰ গঠনৰ বাবে প্ৰয়োজন মেজিক নম্বৰ ১১৮। টিভিকেত বৰ্তমান ১০খন আসনৰ অভাৱ হৈ আছে। বিজয় থালাপতিয়ে এইবাৰ দুটা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি দুয়োখনতে জয়লাভ কৰে। কিন্তু নিয়ম অনুসৰি তেওঁ এখন আসন এৰি দিব লাগিব। সেই সিদ্ধান্ত লোৱাৰ পাছত আন আসনখনত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। এই বিষয়টোৰেও চৰকাৰ গঠনৰ প্ৰক্ৰিয়াত অলপ জটিলতা আনি দিছে। তামিলনাডুত বিজয় থালাপতি প্ৰথম অভিনেতা নহয় যিয়ে অভিনয় জগত ত্যাগ কৰি ৰাজনীতিত প্ৰৱেশ কৰি সফলতা লাভ কৰিছে। ইয়াৰ পূৰ্বে প্ৰয়াত জয়ললিতা আৰু কমল হাছান অভিনয় জগতৰ পৰা ৰাজনীতিত অৱতীৰ্ণ হৈ সফল হৈছিল। জয়ললিতা একাধিকবাৰ তামিলনাডুৰ মুখ্যমন্ত্ৰী হৈছিল। বিজয় থালাপতিয়েও সেই পথ অনুসৰণ কৰি ৰাজ্যখনত পৰিৱৰ্তনৰ ঢৌ আনিছে। বিজয়ে ৰাজ্যপালক লিখা পত্ৰত স্পষ্ট কৰিছে যে তেওঁলোকে চৰকাৰ গঠনৰ বাবে জোটৰ অংশীদাৰ বিচাৰি উলিওৱাৰ লগতে বিধানসভাত সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰিবলৈ সময় লাগিব। ইতিমধ্যে কেইবাজনো নিৰ্দলীয় বিধায়ক আৰু সৰু দলৰ বিধায়ক টিভিকেৰ সংস্পৰ্শলৈ আহিছে বুলি শুনা গৈছে। যদি তেওঁলোকে ১০খন আসনৰ সমৰ্থন যোগাৰ কৰিব পাৰে, তেন্তে বিজয় থালাপতি তামিলনাডুৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। উল্লেখ্য যে টিভিকেৰ এই সফলতা দক্ষিণ ভাৰতৰ ৰাজনীতিত এক নতুন অধ্যায়ৰ সূচনা হিচাপে গণ্য কৰা হৈছে। অহা দুসপ্তাহৰ ভিতৰতে ৰাজ্যখনৰ ৰাজনৈতিক ভূমিকামোৰ স্পষ্ট হৈ যোৱাৰ সম্ভাৱনা আছে।

## সাংবিধানিকভাৱে এইবাৰ

দলপতি নাথাকিব। তেওঁ বিধানসভাৰ গাণিতিক পৰিসংখ্যা উল্লেখ কৰি এই সিদ্ধান্তৰ কাৰণ বুজাই দিয়ে। মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছ নেতা তথা পূৰ্বৰ বিধায়ক অখিল গগৈক উদ্দেশ্যি কটাক্ষপূৰ্ণ মন্তব্য কৰে। তেওঁ কয়, "অখিল মোৰ লগত বেলেগ, কংগ্ৰেছৰ লগত বেলেগ, মিডিয়াৰ লগতো বেলেগ।" লগতে তেওঁ যোগ দিয়ে যে অখিল গগৈয়ে ভুল নকৰিলে ৰাইজৰ দল (অসম গণ পৰিষদ)ৰ আসনৰ সংখ্যা আৰু বৃদ্ধি পাবলৈ সুযোগ আছিল। মুখ্যমন্ত্ৰীয়ে কৌতুকৰ ছলেৰে কয়, "অখিল বিধায়ক নহ'লে বাহিৰত আন্দোলন কৰি থাকিলেহেঁতেন।" কিন্তু একে উশ্বাসতে তেওঁ স্বীকাৰ কৰে যে অখিল বিধানসভাত থাকিলে মনটো ভাল লাগি থাকে। লুৰীণ, গৌৰৱ আৰু অখিলৰ সংমিশ্ৰণটো ভাল আছিল বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে, কিন্তু এই সমন্বয়খন ভালদৰে প্ৰজেক্ট কৰিব নোৱাৰিলে বুলি উল্লেখ কৰে। বিজয় গুপ্তাক লৈ উঠা বিতৰ্কৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰীয়ে কয়, "বিজয় গুপ্তা বিহাৰী নহয়, তেওঁ অসমীয়া মানুহ।" এই মন্তব্যই বিজয় গুপ্তাৰ জন্মস্থান আৰু পৰিচয় সন্দৰ্ভত চলি থকা বিতৰ্কৰ অন্ত পেলাবলৈ লক্ষ্য কৰা বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে দাবী কৰে যে GEN-Z (নতুন প্ৰজন্ম)ৰ প্ৰতিনিধিসকল তেওঁৰ লগত আছে। উল্লেখযোগ্য যে যোৱা পাঁচ বছৰ সময়খিনিক তেওঁ 'আধাৰশিলা' বুলি আখ্যা দিয়ে আৰু কয় যে এই সময়ছোৱাত হোৱা উন্নয়নে নিৰ্বাচনী ফলাফলত প্ৰভাৱ পেলাইছে। সংবাদমেলত মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছ দলৰ বিষয়েও কটাক্ষপূৰ্ণ মন্তব্য কৰে। তেওঁ কয়, "কংগ্ৰেছক জুবিন অনুৰাগীৰ ভোট লাগে।" লগতে কংগ্ৰেছ দয়াবিনী অনুৰাগী বুলি উল্লেখ কৰি বিজেপিৰ অনুৰাগীসকল মায়াবিনী বুলি অভিহিত কৰে। কংগ্ৰেছ দলৰ নেতৃত্ব সম্পৰ্কত তেওঁ কয়, "কংগ্ৰেছত ৰাজনীতি জনা মানুহ নাই, সেইকাৰণেই তেওঁলোকৰ ভুলবোৰ হৈ আছে।" একাংশই তেওঁক কংগ্ৰেছ দল এৰি অহাৰ বাবে সমালোচনা কৰাৰ প্ৰতি উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, "মই কংগ্ৰেছত থাকিলে কংগ্ৰেছে বহু আসন পালেহেঁতেন।" নিউজ লঞ্চ এজেন্সীৰ কাণ্ডকাৰী পৱন খেড়াৰ গোচৰ সম্পৰ্কত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে তেওঁৰ চৰকাৰে এই গোচৰটো গুৰুত্বসহকাৰে লৈছে। এই সম্পৰ্কত যি কোনো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি তেওঁ সদৰি কৰে। সংবাদমেল শেষত মুখ্যমন্ত্ৰী ড° শৰ্মাই নতুন চৰকাৰ গঠনৰ প্ৰক্ৰিয়া আৰু অগপৰ বিধায়কসকলৰ লগত আলোচনা চলি থকাৰ কথাও উল্লেখ কৰে।

## টকা পালে গাহৰিও খাব একাংশ সংখ্যালঘুৱে

অগপৰ প্ৰাৰ্থী প্ৰকাশ দাসে জয়লাভ কৰাৰ পাছত আহমেদে সামাজিক মাধ্যমত পোষ্ট দি সংখ্যালঘু ভোটাৰক লক্ষ্য কৰি আপত্তিজনক ভাষা প্ৰয়োগ কৰে। দুলু আহমেদে লিখিছে, "টকা পালে একাংশ সংখ্যালঘু ভোটাৰে গাহৰিও খাব।" লগতে তেওঁ হাজোৰ সংখ্যালঘু লোকসকলৰ মানসিকতাক 'নীচ' আৰু 'বেয়মান' বুলি অভিহিত কৰি আজিৰ পৰা হাজোৰ লগত সকলো সম্পৰ্ক ত্যাগ কৰাৰ কথাও ঘোষণা কৰে। তেওঁ লিখিছে, "যোৱা ১৭ বছৰে সকলো বিপদত মই সহায় কৰিলোঁ। কিন্তু ভোটৰ সময়ত ইহঁতবোৰে হাত, হাতী আৰু পদুম ফুল চিনি পায়।" আহমেদে ২০১৬ চনৰ কংগ্ৰেছ প্ৰাৰ্থী হিচাপে আৰু ২০২১ চনৰ তৃণমূল প্ৰাৰ্থী হিচাপে হোৱা পৰাজয়ৰ কথাও উল্লেখ কৰে। তেওঁৰ মতে, সংখ্যালঘু ভোটাৰে বিভাজনমূলক ভোটদানৰ ফলতেই তেওঁ পৰাজিত হৈছিল। তেওঁ দাবী কৰে, "এই লোক সকলেই ২০১১ চনত ৭৮ বিধায়কৰে অসমত কংগ্ৰেছ চৰকাৰ গঠন কৰাৰ পাছতো কিৰিপ চলিহাৰ নিচিনা নেতাক পৰাজয় কৰাইছিল।" এইবাৰ হাজো সমষ্টিত বিজেপিৰ নন্দিতা দাসক ভোটদান কৰাৰ বাবেও তেওঁ সংখ্যালঘু ভোটাৰক সমালোচনা কৰে। আহমেদে লিখিছে, "হাজোৰ এই বেয়মান সংখ্যালঘু সকলেই হাজোত কোনো ধৰণৰ অৰিহণা নথকা নন্দিতা দাসক ভোট দিছিল।" তেওঁ আক্ষেপ প্ৰকাশ কৰি কয়, "মই পৰাজয় হলো কিন্তু ভাল শিক্ষা এটা দি মনত শান্তি পালোঁ এই সংখ্যালঘু দালাল সকলৰ চিন্তা ধাৰাক।" দুলু আহমেদে হাজোৰ সংখ্যালঘু লোকসকলক 'পাপী' আৰু 'নিলাজ' বুলি অভিহিত কৰি কয় যে তেওঁ হাজোৰ মছজিদত দিয়া চাদৰ, দামপুৰৰ ঈদগাহ মৈদানত দিয়া গেট আৰু শনীয়াদিত দিয়া পথৰ ব্যৱহাৰ কৰিও এই লোকসকলৰ লাজ নাই। তেওঁ ঘোষণা কৰে, "এতিয়াৰ পৰা হাজোত ডাঙৰ ডাঙৰ উচ্ছেদ দেখিবলৈ পাব এই সংখ্যালঘু দালালসকলে আৰু মই ভিতৰুৱা কৈ আগভাগ লম এই কাৰ্যত।" পোষ্টৰ শেষত আহমেদে স্পষ্টীকৰণ দিয়ে যে তেওঁৰ এই মন্তব্য আৰু ক্ষোভ কেৱল হাজোৰ সংখ্যালঘু লোকসকলৰ বিৰুদ্ধে, অন্য জিলাৰ কোনো সংখ্যালঘুৰ বিৰুদ্ধে নহয়। উল্লেখ্য যে, হাজো-শুৱালকুছি সমষ্টিত অগপৰ প্ৰাৰ্থী প্ৰকাশ দাসে জয়লাভ কৰাৰ পাছতে দুলু আহমেদৰ এই বিতৰ্কিত পোষ্টে ৰাজনৈতিক মহলত তীব্ৰ সমালোচনাৰ সৃষ্টি কৰিছে।

## দেশত আৰম্ভ হ'ব 'কপাহ

কুঁহিয়াৰ খেতিয়কৰ বাবেও ঐতিহাসিক পদক্ষেপ লৈছে। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই সিদ্ধান্তসমূহ আনুষ্ঠানিকভাৱে ঘোষণা কৰে। দেশত 'কপাহ বিপ্লৱ' আৰম্ভ কৰিবলৈ কেন্দ্ৰীয় কেবিনেটে ৫, ৬৬৯ কোটি টকাৰ এক অভিলাষী প্ৰকল্প অনুমোদন জনাইছে। এই প্ৰকল্পৰ পৰা ৩২ লাখ কপাহ খেতিয়ক প্ৰত্যক্ষভাৱে উপকৃত হ'ব। কেন্দ্ৰ চৰকাৰে ২০৩০-৩১ বৰ্ষলৈ দেশৰ কপাহৰ চাহিদা ৪৫০ লাখ বেললৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। গৱেষণা আৰু আধুনিক প্ৰযুক্তিৰ সহায়ত কপাহ উৎপাদনত আত্মনিৰ্ভৰশীলতা অৰ্জন কৰিবলৈ চৰকাৰে কৃষকসকলক নতুন যুগৰ আঁহ উৎপাদনৰ বাবে বিশেষভাৱে উৎসাহিত কৰিব। কুঁহিয়াৰ খেতিয়কৰ স্বাৰ্থত কেন্দ্ৰীয় কেবিনেটে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰতি কুইণ্টল কুঁহিয়াৰৰ ন্যূনতম সমৰ্থন মূল্য (FRP) ৩৬৫ টকালৈ বৃদ্ধি কৰা হৈছে। উৎপাদন খৰচৰ তুলনাত খেতিয়কসকলক প্ৰায় ২০০ শতাংশ মূল্য প্ৰদান কৰা হ'ব বুলি চৰকাৰে নিশ্চিত কৰিছে। এই আঁচনিৰ জৰিয়তে দেশৰ কুঁহিয়াৰ খেতিয়কসকল মুঠ ১ লাখ কোটি টকা লাভ কৰিব বুলি অনুমান কৰা হৈছে। কুঁহিয়াৰৰ নতুন দাম ১০.২৫ শতাংশ ৰিক'ভাৰী ৰেটৰ ভিত্তিত নিৰ্ধাৰণ কৰা হৈছে। এই পদক্ষেপে কৃষকৰ আয় দুগুণ কৰাৰ চৰকাৰী লক্ষ্যৰ দিশত এক গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব বুলি আশা কৰা হৈছে। বিশেষজ্ঞসকলৰ মতে, কপাহ আৰু কুঁহিয়াৰ — এই দুয়োটা ক্ষেত্ৰতে চৰকাৰৰ এই ডাঙৰ ঘোষণাই দেশৰ কৃষি অৰ্থনীতিত এক ইতিবাচক প্ৰভাৱ পেলাব। মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সাংবাদিকসকলক জানিবলৈ দিয়ে যে কেবিনেটৰ এই সিদ্ধান্তসমূহ কৃষকবন্ধু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দীৰ্ঘম্যাদী দূৰদৰ্শিতাৰে লোৱা হৈছে। কপাহ আৰু কুঁহিয়াৰ — দুয়োটা খেতিৰ লগত জড়িত লক্ষাধিক কৃষক পৰিয়ালে এতিয়া আৰ্থিকভাৱে সবল হৈ উঠিব বুলি আশা কৰা হৈছে। কপাহ বিপ্লৱে দেশক কপাহ উৎপাদনত আত্মনিৰ্ভৰ কৰি তোলাৰ লগতে বৈদেশিক মুদ্ৰাও সঞ্চয় কৰিবলৈ সহায় কৰিব। আনহাতে কুঁহিয়াৰৰ মূল্য বৃদ্ধিয়ে উত্তৰ প্ৰদেশ, বিহাৰ, পশ্চিম বংগ আদি ৰাজ্যৰ বহু খেতিয়কৰ জীৱন মান উন্নত কৰিব বুলি অনুমান কৰা হৈছে।

## ৯ মে'ত পশ্চিমবংগত বিজেপি চৰকাৰৰ শপতগ্ৰহণ

আসন দখল কৰি ৰাজ্যখনত প্ৰথমবাৰৰ বাবে চৰকাৰ গঠনৰ সিদ্ধান্ত লৈছে। ফলতা সমষ্টিৰ এটা আসনৰ ফলাফল নাথাকাকৈয়ে বিজেপিয়ে ২০৭খন আসন লাভ কৰি দুটা-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা অৰ্জন কৰে। নতুন চৰকাৰৰ মুখ্যমন্ত্ৰী কোন হ'ব — এই লৈ জল্পনা-কল্পনা চলি থকাৰ মাজতে বিজেপিয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক পৰ্যবেক্ষক হিচাপে নিযুক্তি দিছে। তেওঁ পশ্চিমবংগৰ বিজেপি বিধায়িনী দলৰ নেতা নিৰ্বাচনৰ প্ৰক্ৰিয়া তদাৰক কৰিব। অমিত শ্বাহৰ সহায়ক হিচাপে ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিক সহ-পৰ্যবেক্ষকৰ দায়িত্ব অৰ্পণ কৰা হৈছে। বিজেপিৰ সংসদীয় বৰ্ডে এই সিদ্ধান্ত ঘোষণা কৰি জনায় যে অমিত শ্বাহ আৰু মোহন চৰণ মাঝিয়ে বিধায়িনী দলৰ বৈঠকত উপস্থিত থাকি নতুন নেতা নিৰ্বাচনৰ প্ৰক্ৰিয়া সম্পন্ন কৰিব। এই নেতাগৰাকীয়েই হ'ব পশ্চিমবংগৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী। পশ্চিমবংগ বিজেপিৰ ৰাজ্যিক সভাপতি শমীক ভট্টাচাৰ্যই নিশ্চিত কৰিছে যে অহা ৯ মে' তাৰিখে নতুন চৰকাৰে শপত গ্ৰহণ কৰিব। এই দিনটো বিশ্ববিখ্যাত কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্মজয়ন্তী। শমীক ভট্টাচাৰ্যই বিজয়ক 'ঐতিহাসিক' বুলি অভিহিত কৰি কয় যে ৰাইজৰ এই জনাদেশে ৰাজ্যখনত পৰিৱৰ্তনৰ ইচ্ছা প্ৰতিফলিত কৰিছে। তেওঁ দলীয় কৰ্মীসকলক সংযত হৈ বিজয় উদযাপন কৰিবলৈ আহ্বান জনায়। পশ্চিমবংগ বিধানসভাৰ মুঠ আসন ২৯৪খন। ফলতা সমষ্টিত নিৰ্বাচন আয়োগে পুনৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ নিৰ্দেশ দিয়াৰ বাবে সেই আসনৰ ফলাফল পিছুৱাই দিয়া হৈছে। সোমবাৰে ঘোষিত বাকী ২৯৩খন আসনৰ ফলাফল অনুসৰি বিজেপিয়ে ২০৭খন আসন লাভ কৰে। আনহাতে তৃণমূল কংগ্ৰেছে সীমিত সংখ্যক আসন পায়। এই ফলাফলে ৰাজ্যখনত তৃণমূল কংগ্ৰেছৰ দীৰ্ঘদিনীয়া শাসনৰ অন্ত পেলায়। বিজেপি নেতা শুভেন্দু অধিকাৰীয়ে এইবাৰ নন্দীগ্ৰাম আৰু ভৱানীপুৰ — দুয়োখন আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি জয়লাভ কৰে। মঙলবাৰে পুৱা ছ'চিয়েল মিডিয়াত প'ষ্ট কৰি তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভৰসা ৰখা বংগবাসীক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ লিখে, "এই বিজয় প্ৰতিজন দেশপ্ৰেমিক ৰাষ্ট্ৰনেতাৰ জয়। আমি এখন উন্নত, সমৃদ্ধিশালী আৰু সুৰক্ষিত পশ্চিমবংগ গঢ়িবলৈ দৃঢ়প্ৰতিজ্ঞ।" প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও মঙলবাৰে এ'ত (পূৰ্বৰ টুইটাৰ) ভিডিঅ' পোষ্ট কৰি কয়, "অক্লান্ত পৰিশ্ৰম আৰু সত্যৰ পথ অনুসৰণ কৰি পোৱা সফলতা স্থায়ী হয়। ই আত্মবিশ্বাস বৃদ্ধি কৰাৰ লগতে মনলৈ এক আচৰিত সন্তুষ্টিও আনে।" তেওঁ এটা সংস্কৃত শ্লোকো সংযোগ কৰে যাৰ অৰ্থ — যিসকলে বিজয়ী হ'ব বিচাৰে, তেওঁলোকে কেৱল শক্তি আৰু বীৰত্বৰে জয় নকৰে, বৰঞ্চ সত্য, দয়া, ন্যায় আৰু অধ্যৱসায়ৰ দ্বাৰা জয়ী হয়। শুভেন্দু অধিকাৰীয়ে নিৰ্বাচনী প্ৰক্ৰিয়া সুচাৰুৰূপে চলোৱাৰ বাবে নিৰ্বাচন আয়োগ, চৰকাৰী কৰ্মচাৰী, কেন্দ্ৰীয় বাহিনী, ৰাজ্য আৰু কলকাতা আৰক্ষী বাহিনীকো কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে এই প্ৰথমবাৰৰ বাবে পশ্চিমবংগত বিজেপি চৰকাৰ গঠন কৰিবলৈ গৈ আছে। শপতগ্ৰহণ অনুষ্ঠানত কেন্দ্ৰীয় নেতৃত্বৰ উপস্থিতিৰ সম্ভাৱনা আছে। অমিত শ্বাহে কেতিয়া কলকাতালৈ আহিব সেই সম্পৰ্কেও জল্পনা চলি আছে। সপ্তাহৰ ভিতৰতে বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে।

## পদত্যাগ নকৰে মমতা

যআগন্তুক দিনত ৰাজপথৰ সংগ্ৰাম অধিক তীব্ৰতৰ কৰাৰ সংকল্প ব্যক্ত কৰি কয়, "মই সদায় ৰাজপথত আছোঁ, আগলৈও থাকিম। বিজেপিৰ কোনো ধৰণৰ অত্যাচাৰ মই আৰু সহ্য নকৰো।" ৰাজ ভৱনলৈ গৈ পদত্যাগ পত্ৰ জমা দিয়া সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত বেনাৰ্জীয়ে ওলোটাই প্ৰশ্ন কৰে, "মই কিয় যাব লাগে?" তেওঁৰ মতে, যিহেতু তেওঁলোক পৰাস্ত হোৱা নাই, গতিকে পদত্যাগৰ কোনো প্ৰয়োজন নাই। কোনোৱে যদি জোৰ-জবৰদস্তি কৰি তেওঁক পদত্যাগ কৰাব বিচাৰে, তেন্তে সেইটো কেতিয়াও সম্ভৱ নহয় বুলি তেওঁ স্পষ্ট কৰি দিয়ে। পৰৱৰ্তী কৌশল সম্পৰ্কে তেওঁ জানিবলৈ দিয়ে যে দলৰ সকলো নেতা-কৰ্মীৰ সৈতে আলোচনা কৰিহে সিদ্ধান্ত লোৱা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে নিৰ্বাচন আয়োগৰ ওপৰত তীব্ৰ ক্ষোভ উজাৰি কয় যে তেওঁলোকৰ যুঁজখন আছিল নিৰ্বাচন আয়োগৰ বিৰুদ্ধে, বিজেপিৰ বিৰুদ্ধে নহয়। আয়োগে বিজেপিৰ হৈ কাম কৰা বুলি অভিযোগ তুলি তেওঁ ইয়াক 'গণতন্ত্ৰৰ হত্যা' বুলি অভিহিত কৰে। বেনাৰ্জীৰ দাবী অনুসৰি প্ৰায় ১০০খন আসন তৃণমূল কংগ্ৰেছৰ পৰা চুৰি কৰা হৈছে। ভোটাৰ তালিকা পৰা বহু নাম কৰ্তন কৰা আৰু ভোটগ্ৰহণৰ সময়ত বিসংগতি হোৱা বুলিও তেওঁ গুৰুতৰ অভিযোগ উত্থাপন কৰে। নিৰ্বাচনৰ পাছৰ হিংসাত্মক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বেনাৰ্জীয়ে অভিযোগ কৰে যে তৃণমূলৰ কৰ্মীসকলক বিজেপিৰ গুণ্ডাই আক্ৰমণ কৰিছে, আনহাতে আৰক্ষীয়ে নিৰ্লিপ্ত ভূমিকা পালন কৰিছে। মহিলাসকলক ধৰ্ষণৰ ভাবুকি দিয়া হোৱা বুলিও তেওঁ গোচৰ তুলে। ভোট গণনা কেন্দ্ৰত তেওঁক শাৰীৰিকভাৱে অপদস্থ কৰা হোৱা বুলি দাবী কৰি বেনাৰ্জীয়ে কয় যে কেন্দ্ৰীয় বাহিনীৰ জোৱানসকলে তেওঁক গতিয়াই বাহিৰ কৰি দিছিল আৰু দলীয় এজেণ্টক গণনা কেন্দ্ৰত সোমাবলৈ বাধা দিছিল। এই কঠিন সময়ত ইণ্ডিয়া মিত্ৰজোঁটৰ নেতাসকলে মমতা বেনাৰ্জীক সমৰ্থন জনাইছে। ছোনিয়া গান্ধী, ৰাহুল গান্ধী, অৰবিন্দ কেজৰিৱালকে ধৰি বহু নেতাই তেওঁক ফোন কৰি কাষত থকাৰ আশ্বাস দিছে। বেনাৰ্জীয়ে জানিবলৈ দিয়ে যে অখিলেশ যাদৱেও তেওঁক সাক্ষাৎ কৰিবলৈ আহিব। এতিয়াৰ পৰা তেওঁ এগৰাকী সাধাৰণ নাগৰিক হিচাপে মিত্ৰজোঁটটোক অধিক শক্তিশালী কৰাত মনোনিৱেশ কৰিব বুলি মত প্ৰকাশ কৰে। তৃণমূল কংগ্ৰেছে নিৰ্বাচনী হিংসাৰ ঘটনাৰ তদন্তৰ বাবে এখন ১০ জনীয়া তথ্য অনুসন্ধানকাৰী কমিটি গঠন কৰিছে। শেষত মমতা বেনাৰ্জীয়ে কয়, "ইতিহাসৰ পুনৰাবৃত্তি হ'বই। আমি বাঘৰ দৰে যুঁজ দি পুনৰ উভতি আহিম।"

## এনেকুৱা ফলাফল বিশ্বাস কৰিব পৰা নাই; অখিল

প্ৰকাশ কৰিছে। কাজিৰঙাৰ দুৰ্গাপুৰ গাঁৱত অৱস্থিত কাজিৰঙা ৰাষ্ট্ৰীয় অৰ্কিদ উদ্যানত সংবাদ মাধ্যমৰ আগত তেওঁ কয়, "সাংঘাতিক, অবিশ্বাস্য যুঁজ এখন হ'ল। এতিয়াও বিশ্বাস কৰিব পৰা নাই যে বিজেপিয়ে ইতিহাসৰ আটাইতকৈ বেছি আসন পালে আৰু বিৰোধী কংগ্ৰেছে ইতিহাসৰ আটাইতকৈ নিম্নতম আসন পালে।" শিৱসাগৰ সমষ্টিৰ পৰা অখিল গগৈয়ে প্ৰায় ১৮ হাজাৰ ভোটৰ ব্যৱধানত জয়লাভ কৰে যদিও তেওঁ প্ৰত্যাশা কৰিছিল ৩০ হাজাৰ ভোটত জিকিম। তেওঁ কয়, "১২ হাজাৰ ভোট কমিল। তাৰমানে কিবা এটা কাৰণত অতি প্ৰবল ঢৌৱে আমাৰ সমষ্টিৰ ১২ হাজাৰ ভোট বিজেপিৰ ফালে লৈ গ'ল। সেইকাৰণে দুটা ধৰণে নিৰ্বাচনটোক বিবেচনা কৰিব লাগিব।" অখিল গগৈয়ে পৰাজয়ৰ কাৰণ বিশ্লেষণ কৰি দুটা দিশ উলিয়াই আনে। প্ৰথমতে, 'টেকনিকেল ছাইড' অৰ্থাৎ নিৰ্বাচনী প্ৰক্ৰিয়াত কোনো গণ্ডগোল থাকে নেকি সেই দিশটো পৰীক্ষা কৰাৰ প্ৰয়োজনীয়তা উল্লেখ কৰে। দ্বিতীয়তে, তেওঁ কয়, "সমষ্টিৰ পুনৰ্নিৰ্ধাৰণ, এছআৰ, প্ৰতিগৰাকী মহিলাৰ হাতত ৯ হাজাৰ আৰু ১০ হাজাৰকৈ টকা তুলি দিয়া, মুখ্যমন্ত্ৰীজনৰ প্ৰতিটো সমষ্টিত দুই-তিনিবাৰ সভা-সমিতি, বিজেপিৰ সাংগঠনিক স্থিতি — এই আটাইবোৰৰ বিপৰীতে আছিল আমাৰ বিৰোধী পক্ষৰ দুৰ্বল অৱস্থান।" তেওঁ যোগ দিয়ে, "আমি কেইটামান সামান্য টকাৰে অসমান যুঁজ যুঁজিবলৈ ওলাই আহিছিলোঁ।" অখিল গগৈয়ে পুনৰবাৰ দোহাৰে যে বিৰোধী ঐক্যমঞ্চ সময়ত একত্ৰিত নোহোৱাটোৱেই মূল কাৰণ। তেওঁ কয়, "এফালে বিজেপিৰ কোটি কোটি টকাৰ ব্যৱহাৰ, নিৰ্বাচন আয়োগকে ধৰি সকলো মেকানিজমে তেওঁলোকক সহায় কৰিছে, আনফালে আমি মানুহৰ চেণ্টিমেণ্ট, মৰম-আদৰক লৈহে যুঁজিছিলোঁ। গতিকে এইখন অসমান যুঁজ আছিল।" তিনিজন প্ৰভাৱশালী বিৰোধী নেতা — গৌৰৱ গগৈ, লুৰীণজ্যোতি গগৈ আৰু অখিল গগৈ — একেলগে প্ৰচাৰ চলাব নোৱাৰাত ক্ষোভ প্ৰকাশ কৰি তেওঁ কয়, "কংগ্ৰেছৰ কেন্দ্ৰীয় নেতৃত্ব ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী ক'ত প্ৰচাৰ কৰিলে?" তেওঁ আৰু জানিবলৈ দিয়ে যে ৰাহুল আৰু প্ৰিয়ংকা গান্ধীক চাৰিদিন থাকি একেলগে প্ৰচাৰ কৰিবলৈ প্ৰস্তাৱ দিছিল যদিও বিভিন্ন টেকনিকেল কাৰণত সেয়া সম্ভৱ হোৱা নাছিল। অখিল গগৈয়ে নিজৰ দল ৰাইজৰ দলৰ লক্ষ্য আছিল ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰা। তেওঁ কয়, "আমাক ৬ শতাংশ ভোট বা চাৰিজন বিধায়ক লাগিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ এলায়েন্স কৰাৰ কাৰণে আমি সেই ভোট আনিব নোৱাৰিলোঁ। আমি কেৱল ১৩জন প্ৰাৰ্থীকে উঠাইছিলোঁ। গতিকে ৬ শতাংশ ভোট অনাটো সম্ভৱ নহ'ল আৰু ৰিক'ৱাইজ কৰিব নোৱাৰিলোঁ।" কংগ্ৰেছৰ বিধায়কৰ গঠন সম্পৰ্কে অখিল গগৈয়ে কয়, "এতিয়া কংগ্ৰেছৰ কাৰণে এইটো এটা ডাঙৰ প্ৰত্যাহ্বান হৈ গ'ল। এজন সংখ্যাগৰিষ্ঠ বিধায়ক আৰু ১৮জন সংখ্যালঘু বিধায়ক। এইটো ভয়ানক প্ৰত্যাহ্বান।" তেওঁ উল্লেখ কৰে যে এই কথা কংগ্ৰেছক আগতেই কোৱা হৈছিল। গৌৰৱ গগৈ, লুৰীণজ্যোতি গগৈ আৰু দেৱব্ৰত শইকীয়া জিকা নাটিলে যে অসমৰ হানি হৈছে বুলিও মত প্ৰকাশ কৰে। জ্ঞানশ্ৰী বৰালৈ লক্ষ্য ৰাখি তেওঁ কয় যে যদি জ্ঞানশ্ৰী বৰাও জিকি আহিলহেঁতেন, তেন্তে তিনিটা প্ৰতিভাশালী নেতাই বিধানসভাত কাম দেখুৱাব পাৰিলেহেঁতেন। মন্দিয়াৰ পৰা জয়ী হোৱা শ্বেৰমান আলীক শুভকামনা জনাই অখিল গগৈয়ে শেষ কৰে।

## নতুন চৰকাৰ গঠনৰ প্ৰস্তুতি; হিমন্ত বিশ্ব শৰ্মাৰ

অগপৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, লগতে বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰী। এই বৈঠকত পৰৱৰ্তী চৰকাৰ গঠন সম্পৰ্কে বিস্তাৰিত আলোচনা কৰাৰ লগতে মুখ্যমন্ত্ৰীক নিৰ্বাচনী জয়ৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। সোমবাৰে ঘোষিত নিৰ্বাচনী ফলাফলে স্পষ্ট কৰি দিছে যে অসমত পুনৰ বিজেপি নেতৃত্বাধীন এন ডি এ মিত্ৰজোঁটৰ চৰকাৰ গঠন হ'ব। সেই অনুসৰি আগন্তুক পাঁচটা বছৰৰ বাবে গঠন হ'বলগীয়া নতুন চৰকাৰখনত দুই মিত্ৰদল অগপ আৰু বিপিএফৰ প্ৰতিনিধি থাকিব বুলি নিশ্চিত হৈছে। বিগত পাঁচ বছৰৰ দৰে এইবাৰো জোট চৰকাৰেই অসমত কাৰ্যনিৰ্বাহ কৰিব। নিৰ্বাচনী ফলাফলৰ পাছৰে পৰা মুখ্যমন্ত্ৰীয়ে বিভিন্ন বিষয়ত মতামত প্ৰকাশ কৰি আহিছে। যোৱা নিশা তেওঁ জনাইছিল যে পূৰ্ববাৰৰ চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী উপস্থিত থাকিব পৰা নাছিল যদিও এইবাৰ তেওঁ অসমৰ বিজেপিয়ে প্ৰধানমন্ত্ৰীক শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিবলৈ বিচাৰিছে। সেয়েহে প্ৰধানমন্ত্ৰীয়ে তেওঁৰ সুবিধা অনুসৰি যিটো তাৰিখ নিৰ্ধাৰণ কৰিব, সেই দিনটোতে শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰা হ'ব। শপতগ্ৰহণ অনুষ্ঠানৰ পূৰ্বে বিজেপিৰ বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকত নৱনিৰ্বাচিত বিধায়কসকলে একত্ৰিত হৈ নিজৰ দলীয় নেতা নিৰ্বাচিত কৰিব। তাৰ পাছত সেই নতুন নেতাই সাংবিধানিক বিধি অনুসৰি চৰকাৰ গঠনৰ বাবে ৰাজ্যপালৰ ওচৰত দাবী জনাব। প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছতেই নিৰ্ধাৰিত তাৰিখত শপতগ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ'ব। উল্লেখ্য যে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটে বিপুল সংখ্যাগৰিষ্ঠতা লাভ কৰি একেৰাহে তৃতীয়বাৰৰ বাবে অসমত চৰকাৰ গঠনৰ যোগ্যতা অৰ্জন কৰিছে।

## তৃতীয়বাৰৰ বাবে চৰকাৰ

মুখ্যমন্ত্ৰী নায়ৱ সিং চৈনীক সহ-পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। চৈনীয়েও অসমৰ ৰাজনৈতিক পৰিস্থিতি পৰ্যবেক্ষণ কৰি চৰকাৰ গঠন প্ৰক্ৰিয়া তদাৰক কৰিব। নিৰ্বাচনী ফলাফল ঘোষণা হোৱাৰ লগে লগে বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বই অসমত তৃতীয়বাৰৰ বাবে চৰকাৰ গঠনৰ প্ৰস্তুতি আৰম্ভ কৰিছে। নাড্ডা আৰু চৈনীয়ে বিধায়িনী দলৰ বৈঠক আহ্বান কৰি নতুন বিধায়কসকলৰ মতামত গ্ৰহণ কৰিব। লগতে দলীয় নেতা নিৰ্বাচনৰ প্ৰক্ৰিয়া সম্পন্ন কৰি মুখ্যমন্ত্ৰীৰ নাম চূড়ান্ত কৰিব। ইয়াৰ পিছতে শপতগ্ৰহণ অনুষ্ঠানৰ বাবে আটাইবোৰ প্ৰস্তুতি সম্পন্ন কৰিব। উল্লেখ্য যে, অসম বিধানসভাৰ তৃতীয়বাৰৰ বাবে বিজেপিৰ নেতৃত্বাধীন মহাজোটে সংখ্যাগৰিষ্ঠতা লাভ কৰিছে। সেয়ে দলটোৱে আনুষ্ঠানিকভাৱে চৰকাৰ গঠনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। কেন্দ্ৰীয় পৰ্যবেক্ষকসকলে অসমত উপস্থিত হৈ দলীয় বিধায়কসকলৰ লগত বৈঠক কৰাৰ সম্ভাৱনা আছে।

## পৱন খেৰাক পেৰা খুৱাই

পৰিমাণৰ পেৰা খুৱাই আপ্যায়ন কৰিব। এই মন্তব্যৰে তেওঁ পৱন খেৰাৰ বিৰুদ্ধে থকা সম্ভাব্য গোচৰটোক হালকা ভাৱে লোৱাৰ সংকেত দিয়ে। শৰ্মাই পুনৰ উল্লেখ কৰে যে বিধানসভা নিৰ্বাচনৰ সময়ত পৱন খেৰাৰ সংবাদমেলখনে ৰাজনৈতিকভাৱে বিজেপিৰ যথেষ্ট উপকাৰ কৰিলে। তেওঁৰ মতে, সেই সংবাদমেলখনৰ বাবেই বহু ভোট বিজেপিৰ ফাললৈ ঢাল খালে। যাৰ পৰিণতিত আনকি প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়েও নিজৰ আসন হেৰুৱাবলগীয়া হ'ল। উল্লেখ্য যে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটে অভিলেখ সংখ্যক আসন লাভ কৰি একেৰাহে তৃতীয়বাৰৰ বাবে অসমত চৰকাৰ গঠন কৰিছে। ১২৬ জনীয়া বিধানসভাত বিজেপিয়ে অকলে ৮২খন আসন দখল কৰিবলৈ সক্ষম হয়। আনহাতে এই নিৰ্বাচনত কংগ্ৰেছ নেতা গৌৰৱ গগৈয়ে এক ডাঙৰ বিপৰ্যয়ৰ সন্মুখীন হয়। যোৰহাট বিধানসভা সমষ্টিত বিজেপি প্ৰাৰ্থী হিতেন্দ্ৰ নাথ গোস্বামীৰ হাতত তেওঁ ২৩ হাজাৰতকৈও অধিক ভোটৰ ব্যৱধানত পৰাজিত হয়। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে কংগ্ৰেছে পৱন খেৰাক অসমত মঞ্চ দিয়া নাছিলে অসমৰ ফলাফল বেলেগ হ'লহেঁতেন। তেওঁৰ মতে, খেৰাৰ সংবাদমেলখন কংগ্ৰেছৰ বাবে 'চৰম আত্মঘাতী' পদক্ষেপ হিচাপে পৰিগণিত হৈছিল, যাৰ সুযোগ বিজেপিয়ে সঠিকভাৱে লৈছিল।

## দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ বাবে ৰাইজে কংগ্ৰেছক প্ৰত্যাখ্যান

ভ্ৰষ্টাচাৰকে পৰাজয়ৰ মূল কাৰণ হিচাপে চিহ্নিত কৰে। আমবাৰীস্থিত অগপৰ মুখ্য কাৰ্যালয়ত আয়োজিত সংবাদমেলত বৰাই কয় যে ৰাইজে কংগ্ৰেছক প্ৰত্যাখ্যান কৰি এনডিএক আকৌ শাসনলৈ অনাৰ প্ৰধান কাৰণ হৈছে কংগ্ৰেছৰ দীৰ্ঘদিনীয়া দুৰ্নীতি আৰু অপকৰ্ম। সংবাদমেল আৰম্ভ কৰি অতুল বৰাই পোনপটীয়াকৈ কয়, "আমি আগতে যিদৰে কৈছিলো, সেইদৰেই ফলাফল পালো। আমি ডাবল ডিজিট লাভ কৰিলো।" তেওঁ অসমৰ ৰাইজক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি কয় যে এইবাৰ এনডিএ অপ্ৰতিৰুদ্ধ আৰু আগতকৈয়ো বেছি আসন লাভেৰে চৰকাৰ গঠন কৰিব। তেওঁ লগতে কয়, "এয়া আমি আগতেই কোৱা কথা আছিল।" অতুল বৰাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সবল নেতৃত্বৰ প্ৰশংসা কৰি কয় যে ৰাজ্যখনত তেওঁৰ নেতৃত্বত যি উন্নয়ন হৈছে, তাৰ সপক্ষেই ৰাইজে নিজৰ ৰায় দিছে। তেওঁ কয়, "সোমবাৰৰ ফলাফল আছিল অভূতপূৰ্ব। মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছো। নিৰ্বাচনী ফলাফলে আমাক শক্তি আৰু সাহস দিছে। আগন্তুক পাঁচ বছৰত সকলো ক্ষেত্ৰতে ৰাজ্যখনৰ দ্ৰুত উন্নয়ন হ'ব।" অগপ সভাপতিগৰাকীয়ে কংগ্ৰেছৰ ভৱিষ্যত সম্পৰ্কে কটাক্ষ কৰি কয়, "নিৰ্বাচনী ফলাফলে প্ৰমাণ কৰিলে যে কংগ্ৰেছৰ ভৱিষ্যৎ শূন্য। দীৰ্ঘদিনীয়া শাসনকালত কংগ্ৰেছে কেৱল ভোটবেংক শক্তিশালী কৰাতেই গুৰুত্ব দিলে। দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ কথা আছেই। বিদেশীৰ পক্ষত সদায় আছিল কংগ্ৰেছ। দেশৰ স্বাধীনতা অনা দলটোৰ নতুনকৈ পৰিচয় দি দিয়াৰ একো নাই।" তেওঁ লগতে কয় যে শাসনত থকা সময়ত কংগ্ৰেছৰ দুৰ্নীতি, ভ্ৰষ্টাচাৰ আৰু অপকৰ্মৰ কথা অসমৰ ৰাইজে পাহৰি যোৱা নাই। "আমাৰ চৰকাৰখনে যিদৰে কাম কৰিছে, কংগ্ৰেছে তেনেদৰে কৰা হ'লে অসমৰ চেহেৰাই সলনি হৈ গ'লহেঁতেন। যাৰ পৰিণাম এতিয়া তেওঁলোকে ভোগ কৰিলে।" অতুল বৰাই কয় যে বাকী আঞ্চলিক দলকেইটাক অসমৰ ৰাইজে প্ৰত্যাখ্যান কৰিলে বিশেষকৈ এজেপিৰ এইবাৰ ডাঙৰ শূন্য। তেওঁ দাবী কৰে যে এটা সময়ত ধৰ্মীয় সংখ্যালঘুসকলেও কংগ্ৰেছক গ্ৰহণ নকৰিব। চাহ জনগোষ্ঠীৰ লোকেও কংগ্ৰেছক বিশ্বাস নকৰা হৈছে। সংখ্যালঘু লোকেও উপলব্ধি কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। বৰাই কয় যে অসমৰ নৱপ্ৰজন্ম আৰু মহিলাসকলে তেওঁলোকক সমৰ্থন কৰিছে। চৰকাৰে কৰা ভাল কামৰ বাবেই এয়া সম্ভৱ হৈছে। "চৰকাৰখনে এইবাৰ আৰু অধিক দায়বদ্ধ হৈ কাম কৰিব," বুলি তেওঁ প্ৰতিশ্ৰুতি দিয়ে। অগপ সভাপতিয়ে জানিবলৈ দিয়ে যে অগপৰ প্ৰথম বিধায়িনী দলৰ বৈঠক বুধবাৰে অনুষ্ঠিত হ'ব। মন্ত্ৰীসভা সম্পৰ্কীয় যিকোনো সিদ্ধান্ত মুখ্যমন্ত্ৰীৰ দ্বাৰা লোৱা হ'ব। তেওঁ কয় যে অগপই ১৩খন আসনত ধৰ্মীয় সংখ্যালঘু প্ৰাৰ্থী দিছিল। যদিও তেওঁলোকে জিকিব পৰা নাই, তথাপি যথেষ্ট ভোট লাভ কৰিবলৈ সক্ষম হৈছে। অতুল বৰাৰ এই মন্তব্য অগপ কেন্দ্ৰীয় কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত কৰা হয়। ইতিমধ্যে বিজেপি নেতৃত্বাধীন এনডিএয়ে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত একেৰাহে তৃতীয়বাৰৰ বাবে অসমত চৰকাৰ গঠনৰ প্ৰস্তুতি আৰম্ভ কৰিছে।

## বোকাজানত কংগ্ৰেছ নেতা ৰতন ইংতিৰ ঘৰত পেট্ৰল

প্ৰাৰ্থী ৰতন ইংতিৰ বাসগৃহত ভয়ংকৰ আক্ৰমণ চলায়। নিশাৰ অন্ধকাৰৰ সুযোগ লৈ অচিনাক্ত দুৰ্বৃত্তৰ এটা দলে নেতাগৰাকীৰ ঘৰলৈ লক্ষ্য কৰি ছয়টাকৈ পেট্ৰ'ল বোমা আৰু দুটাকৈ বিস্ফোৰক নিক্ষেপ কৰে। এই ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্য আৰু আতংকৰ সৃষ্টি কৰিছে। সৌভাগ্যক্ৰমে দুৰ্বৃত্তই দলিওৱা পেট্ৰ'ল বোমাবোৰ ঘৰৰ সন্মুখত থকা পাচলি বাৰীত পৰে। ফলত কোনো ডাঙৰ ক্ষয়-ক্ষতি নহ'ল। আজি পুৱা স্থানীয় ৰাইজে এই সন্দেহজনক সামগ্ৰীবোৰ প্ৰত্যক্ষ কৰাৰ লগে লগে আৰক্ষীক খবৰ দিয়ে। পাছত অসম আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ বিস্ফোৰক সামগ্ৰীবোৰ উদ্ধাৰ কৰে। এই আক্ৰমণৰ আঁৰত কোন জড়িত আৰু ইয়াৰ প্ৰকৃত উদ্দেশ্য কি, সেই সন্দৰ্ভত আৰক্ষীয়ে ইতিমধ্যে তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে কালি ঘোষিত অসম বিধানসভা নিৰ্বাচনৰ ফলাফলত বিজেপি নেতৃত্বাধীন এন ডি এ মিত্ৰজোঁটে এক বিশাল জয় লাভ কৰে। ১২৬খন আসনৰ ভিতৰত মিত্ৰজোঁটে মুঠ ১০২খন আসন দখল কৰে। ইয়াৰ ভিতৰত বিজেপিয়ে ৮২ খন, অগপই ১০খন আৰু বি পি এফে ১০খন আসন লাভ কৰে। আনহাতে কংগ্ৰেছ দলে মাত্ৰ ১৯খন আসন লাভ কৰি এক বৃহৎ বিপৰ্যয়ৰ সন্মুখীন হয়। বিশেষকৈ উজনি অসমত কংগ্ৰেছ সম্পূৰ্ণৰূপে বিফল হোৱা পৰিলক্ষিত হৈছে। ৰাজনৈতিক বিশ্লেষকসকলে আঙুলিয়াই দিছে যে কংগ্ৰেছৰ পৰা জয়ী হোৱা ১৯জন বিধায়কৰ ভিতৰত ১৮ জনেই সংখ্যালঘু সম্প্ৰদায়ৰ। মাত্ৰ এজন হিন্দু বিধায়কহে নিৰ্বাচিত হৈছে। এনে এক ৰাজনৈতিক পৰিৱেশৰ মাজতে বোকাজানত সংঘটিত এই আক্ৰমণে এতিয়া নিৰ্বাচন পৰৱৰ্তী সময়ত নিৰাপত্তাৰ দিশত এক প্ৰশ্নচিহ্ন থিয় কৰিছে। নিৰ্বাচনৰ পাছত হোৱা এনে হিংসাত্মক ঘটনাই স্থানীয় লোকসকলক চিন্তিত কৰি তুলিছে। আৰক্ষীয়ে দ্ৰুতগতিত তদন্ত চলাই থকাৰ সময়তে নিৰাপত্তা জোৰদাৰ কৰাৰ দাবী উঠিছে।

## কংগ্ৰেছৰ প্ৰথম আনুষ্ঠানিক

গুৰুত্বপূৰ্ণ মন্তব্য কৰে। সংবাদমেলত উপস্থিত আছিল কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰ, জ্যেষ্ঠ নেতা ৰিপুণ বৰা, নেতা আব্দুৰ ৰহিম আহমেদ। সংবাদমেল আৰম্ভ কৰি গৌৰৱ গগৈয়ে কয়, "ফলাফল ঘোষণা হোৱাৰ পিছত এইখন আমাৰ প্ৰথম আনুষ্ঠানিক সংবাদমেল।" নিৰ্বাচনী পৰাজয়ৰ পাছতো দলটোৱে সাংবাদিক সমাজৰ লগত মত বিনিময় কৰিবলৈ এই সংবাদমেলৰ আয়োজন কৰে বুলি উল্লেখ কৰে। গৌৰৱ গগৈয়ে নিৰ্বাচনৰ ফলাফল স্বীকাৰ কৰি বিজেপি দল আৰু নেতৃত্বক অভিনন্দন জনায়। তেওঁ কয়, "নিৰ্বাচনৰ ফলাফল স্বীকাৰ কৰি আমি বিজেপি দল আৰু ইয়াৰ নেতৃত্বক অভিনন্দন জনাইছোঁ।" প্ৰদেশ কংগ্ৰেছ সভাপতিগৰাকীয়ে অহা পাঁচ বছৰত নতুন চৰকাৰে নতুন উদ্যমেৰে অসমৰ সমস্যাবোৰ সমাধানত গুৰুত্ব দিব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয়, "অহা ৫ বছৰত নতুন চৰকাৰে নতুন উদ্যমেৰে অসমৰ সমস্যাসমূহ সমাধানত গুৰুত্ব দিব বুলি আশা কৰিলোঁ।" গৌৰৱ গগৈয়ে নতুন চৰকাৰক যোৱা পাঁচ বছৰত কৰা ভুলবোৰ যাতে পুনৰাবৃত্তি নকৰে সেয়াও আশা কৰে। তেওঁ কয়, "যোৱা ৫ বছৰত কৰা ভুল পুনৰাবৃত্তি নকৰে বুলিও আশা কৰিছোঁ।" অৱশ্যে এই ভুলবোৰ কি সেই বিষয়ে সংবাদমেলত তেওঁ স্পষ্টকৈ উল্লেখ নকৰে। সংবাদমেলটো সৌজন্যপূৰ্ণ আছিল বুলি সাংবাদিক মহলে মত প্ৰকাশ কৰে। নিৰ্বাচনী পৰাজয়ৰ পাছতো কংগ্ৰেছে শালীনতাৰ পৰিচয় দি ৰাজনৈতিক শিষ্টাচাৰ ৰক্ষা কৰিলে বুলি বহুতে মন্তব্য কৰে।

## বেলকোঠা জীৱনজ্যোতি সংঘৰ মুকলি বিহু প্ৰতিযোগিতা

**অসম বাৰ্তা, দৰং, ৫ মে' ঃ** দৰং জিলাৰ ৰামগাঁৱৰ বেলকোঠা জীৱনজ্যোতি সংঘৰ উদ্যোগত ১৯ বহাগত অনুষ্ঠিত হোৱা মুকলি বিহু প্ৰতিযোগিতাত প্ৰথম শ্ৰেষ্ঠ দলৰ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয় গহপুৰৰ প্ৰাগজ্যোতিষ বিহুৱা দলে। আনহাতে, মঙলদৈ হাচতি বিহু দলে ২য় শ্ৰেষ্ঠ পুৰস্কাৰ লাভ কৰাৰ লগতে তৃতীয় শ্ৰেষ্ঠ দলৰ পুৰস্কাৰ লাভ কৰে হাজো ৰামদিয়াৰ জোনবায় বিহুৱা দলে। সাঁচিপাত বিহু দলৰ নাচনী জিলমিল ডেকাই শ্ৰেষ্ঠ বিহুৱতীৰ পুৰস্কাৰ লাভ কৰাৰ বিপৰীতে জোনবাই বিহু দলে শ্ৰেষ্ঠ শৃংখলাবদ্ধ দল, মঙলদৈ বৰদৈচিলা বিহু দলে শ্ৰেষ্ঠ ঢুলীয়া, মেঘালী বিহু দলে শ্ৰেষ্ঠ বাঁহীবাদক, শ্ৰেষ্ঠ পেঁপাবাদক হিচাপে বহ্মপুত্ৰ বিহুৱা দলৰ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়।

# আমছু'ৰ পূৱ গোসাঁইগাঁও আঞ্চলিক সমিতিৰ উদ্যোগত কৃতী শিক্ষাৰ্থী সম্বৰ্ধনা আৰু নতুন সমিতি গঠন



**অসম বাৰ্তা, গোসাঁইগাঁও, ৪ মে'** ঃ গোসাঁই গাঁৱৰ অগ্ঠাই বাৰী কমিউনিটী হলত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)ৰ পশ্চিম কোকৰাঝাৰ জিলা সমিতিৰ অন্তৰ্গত পূৱ গোসাঁই গাঁও আঞ্চলিক সমিতিৰ উদ্যোগত আজি এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। অনুষ্ঠানটোত ২০২৫-২৬ শিক্ষাবৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা বৃহত্তৰ অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলক উষ্ম অভিনন্দন আৰু সম্বৰ্ধনা জনোৱা হয়। সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য সাংগঠনিক সম্পাদক জাকিৰ হুছেইন, পশ্চিম কোকৰাঝাৰ জিলা সমিতিৰ সভাপতি ৰেজোৱান আলী, উপ-সভাপতি মতিয়াৰ ৰহমান প্ৰধানী আৰু সাধাৰণ সম্পাদক মোস্তাফিজুৰ ৰহমান প্ৰমুখ্যে আন কেইবাগৰাকী নেতা অনুষ্ঠানটোত উপস্থিত থাকে। তেওঁলোকে শিক্ষাৰ্থীসকলক আগবাঢ়ি যোৱাৰ বাবে উৎসাহ যোগোৱাৰ লগতে সমাজ উন্নয়নত শিক্ষাৰ গুৰুত্ব আৰোপ কৰি ভাষণ প্ৰদান কৰে। সম্বৰ্ধনা অনুষ্ঠানত কৃতী শিক্ষাৰ্থীসকলক একোখনকৈ অসমীয়াৰ স্বাভিমান ফুলাম গামোচা, এখন ডায়েৰি, এটা কলম আৰু এখন মানপত্ৰ প্ৰদান কৰা হয়। লগতে পৰিৱেশ সজাগতাৰ বাৰ্তা প্ৰেৰণাৰ্থে প্ৰতি গৰাকী শিক্ষাৰ্থীক একোজোপাকৈ গছ পুলি উপহাৰ হিচাপে প্ৰদান কৰে। উক্ত সভাতে পূৱ গোসাঁই গাঁও আঞ্চলিক সমিতিখনৰ কাৰ্যকাল উকলি যোৱাত পূৰ্বৰ সমিতিখন ভংগ কৰি সৰ্বসন্মতি ক্ৰমে এখন নতুন সমিতি গঠন কৰা হয়। কাছিমুদ্দিন আহমেদক সভাপতি, মফিজুদ্দিন আলীক কাৰ্যকৰী সভাপতি, মুছাৰোফ আলী আৰু নুৰ ইছলাম হুছেইনক সাধাৰণ সম্পাদক হিচাপে লৈ মুঠ ৪১ জনীয়া এখন শক্তিশালী সমিতি পৰৱৰ্তী কাৰ্যকালৰ বাবে গঠন কৰা হয়। উপস্থিত নেতৃবৰ্গই নৱ-নিৰ্বাচিত সমিতিখনক শুভেচ্ছা জ্ঞাপন কৰি সমাজৰ কল্যাণ আৰু শিক্ষাৰ্থীৰ সৰ্বাংগীণ বিকাশৰ বাবে নিষ্ঠাৰে কাম কৰি যাবলৈ আহ্বান জনায়। আনহাতে সফলতাৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ ফলাফলৰ শলাগ লৈ তেওঁলোকৰ এনে কৃতিত্বই অঞ্চলটোৰ শৈক্ষিক পৰিৱেশ অধিক সুদৃঢ় আৰু প্ৰেৰণাদায়ক কৰি তুলিব বুলিও বক্তা সকলে ভাষণত দোহাৰে।

মাজুলীত চাহবাগিছা খুলি উপাৰ্জনৰ নতুন দিশৰ সন্ধান তিলক শইকীয়া আৰু দুলাল শইকীয়াৰ

# মাজুলীত সেউজ বিপ্লৱ; 'মাজুলীত চাহপাতৰ খেতি নহয়' - দুই ককাই-ভাইৰ সাহসে ভাঙিলে এই ধাৰণা

**অসম বাৰ্তা, উজনী মাজুলী, ৪ মে'** ঃ "মাজুলীৰ মাটি বালিচহীয়া, ইয়াত চাহ খেতি নহয়।" - বছৰ বছৰ ধৰি মাজুলীৰ মানুহৰ মাজত চলি অহা এই ধাৰণাক ভুল প্ৰমাণিত কৰি তুলিছে উজনি মাজুলীৰ ফুটচাং গাঁৱৰ দুই ককাই-ভাই তিলক শইকীয়া আৰু দুলাল শইকীয়াই। বানপানীৰ প্ৰকোপ আৰু বালিময় মাটিৰ বাবে চাহ কৃষিৰ ক্ষেত্ৰত পিছপৰা বুলি ভবা মাজুলীৰ বুকুত এতিয়া সেউজীয়া চাহ বাগানৰ কৃষিকৰ্মৰে তেওঁলোকে স্বাৱলম্বীতাৰ এক নতুন অধ্যায় ৰচনা কৰিছে। সন্দেহৰ পৰা সফলতালৈ যাত্ৰা কৰা এই কৃষক দুজনে প্ৰায় ২-৩ বছৰ পূৰ্বে শিক্ষিত যুৱক দুজনে নিজৰ পৈতৃক মাটিত পৰীক্ষামূলকভাৱে চাহ খেতি আৰম্ভ কৰাৰ সিদ্ধান্ত লয়। প্ৰথম অৱস্থাত গাঁৱৰ বহুতে কৈছিল যে মাজুলীৰ মাটি চাহ খেতিৰ বাবে উপযোগী নহয়, কাৰণ ইয়াৰ মাটি বেছিকৈ বালিময় আৰু পানী ধৰি ৰাখিব নোৱাৰে। কিন্তু তেওঁলোকে হাৰ নামানি আধুনিক কৃষি পদ্ধতি গ্ৰহণ কৰিলে। প্ৰথমে মাটিৰ পৰীক্ষা কৰি ৫.৫-৬.৫ ৰ ভিতৰত ৰাখিবলৈ জৈৱিক সাৰ আৰু কম্পোষ্ট প্ৰয়োগ কৰিলে। লগতে ড্ৰিপ ইৰিগেচন ব্যৱস্থাৰ জৰিয়তে পানীৰ সঠিক যোগান নিশ্চিত কৰিলে। ছাঁৰ বাবে আগ্ৰহ গছ আৰু বায়ুৰোধক গছ ৰোপণ কৰি চাহ গছক প্ৰাকৃতিক সুৰক্ষা দিয়াৰ ব্যৱস্থা কৰি এই কৃষক দুজনে এক নতুন কৃষিকৰ্মৰ আৰম্ভ কৰিলে। তেওঁলোকে পৰিক্ষামূলক ভাৱে প্ৰায় ১ বিঘা মাটিত ৰোপণ কৰা চাহ বাগানখন বৰ্তমান সেউজীয়া পাতেৰে ভৰি পৰিছে। মাজুলীৰ মাটিতো যে চাহ খেতি সম্ভৱ, তাকেই এই দুই ভাতৃয়ে প্ৰমাণ কৰি দেখুৱালে। জৈৱিক চাহ, নতুন সম্ভাৱনা বুকুতলৈ তিলক আৰু দুলালে ৰাসায়নিক সাৰৰ পৰিৱৰ্তে জৈৱিক সাৰ, গোবৰ সাৰ ব্যৱহাৰ কৰিছে। তেওঁলোকৰ মতে, মাজুলীৰ পৰিৱেশ আৰু মাটি জৈৱিক চাহ উৎপাদনৰ বাবে অতি উপযোগী। ৰাসায়নিকমুক্ত জৈৱিক চাহৰ চাহিদা বজাৰত বেছি, আৰু ইয়াৰ দামো সাধাৰণ চাহতকৈ ২০-৩০ শতাংশ বেছি। চাহ গছ ৰোপণৰ ১৮-২৪ মাহৰ পিছতে পাত তোলা আৰম্ভ কৰিব পাৰি। তেওঁলোকৰ বাগানত এতিয়া প্ৰতি মাহে প্ৰায় ২০০-২৫০ কেজি কেঁচা চাহপাত উৎপাদন হৈছে। কেঁচা চাহপাতৰ বজাৰ দৰ প্ৰতি কেজিত ৪০-৪১ টকা। এইদৰে তেওঁলোকে মাহেকত প্ৰায় ৩০/৪০ হাজাৰ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। কাই-ভাইৰ এই যুটীয়া প্ৰচেষ্টাত উৎপাদিত কেঁচা চাহপাতসমূহ এতিয়া উত্তৰ অসমৰ বিভিন্ন কাৰখানালৈ নিয়মিতভাৱে যোগান ধৰা হৈছে বুলি আমাক জানিবলৈ দিয়ে। ইফালে আমি পৰ্যালোচনা কৰিলে দেখা পাওঁ যে চাহ খেতিৰ বাবে সাধাৰণতে পাহাৰীয়া অঞ্চল আৰু লোম মাটি ভাল বুলি ধৰা হয়। কিন্তু মাজুলীৰ মাটিতো চাহ খেতি সম্ভৱ, যদি মাটিৰ আৰ্দ্ৰতা ধৰি ৰখা আৰু নিষ্কাশন ব্যৱস্থা সঠিক হয়। তিলক আৰু দুলাল বৰাই মালচিং পদ্ধতি ব্যৱহাৰ কৰি মাটিৰ আৰ্দ্ৰতা সংৰক্ষণ কৰিছে আৰু গছৰ গুৰিত খেৰ-পাত দি মাটি ঠাণ্ডা কৰি ৰাখিছে। লগতে তেওঁলোকে ছাঁদিয়া চাহ জাতৰ পুলি ৰোপণ কৰিছে, যিটো সমতল আৰু বালিময় মাটিতো সহজে খাপ খাব পাৰে। মাজুলীৰ যুৱশক্তিৰ বাবে অনুপ্ৰেৰণা যোগাই তিলক শইকীয়াই কয়, "বাহিৰলৈ গৈ চাকৰি বিচৰাৰ সলনি নিজৰ মাটিতেই কিবা এটা কৰাৰ কথা ভাবিছিলোঁ। ইচ্ছা আৰু পৰিশ্ৰম থাকিলে মাজুলীৰ মাটিতো অসম্ভৱক সম্ভৱ কৰি তুলিব পাৰি।" দুলাল শইকীয়াই লগতে কয়, "মাজুলীৰ মাটিত জৈৱিক চাহৰ প্ৰচুৰ সম্ভাৱনা আছে। আমি যদি সফল হ'ব পাৰোঁ, আন কৃষকসকলেও এই পথ বাছি ল'ব পাৰে। আমাৰ লক্ষ্য হৈছে অদূৰ ভৱিষ্যতে নিজাকৈ সৰু চাহপ্ৰক্ৰিয়াকৰণ ইউনিট স্থাপন কৰা। মাজুলীৰ বুকুত চাহৰ সুবাস এতিয়া কেৱল দুই ককাই-ভাইৰ সফলতাৰে সীমাবদ্ধ নহয়। তেওঁলোকৰ এই প্ৰচেষ্টাই মাজুলীৰ যুৱক-যুৱতীসকলক কৃষিক জীৱিকা হিচাপে ল'বলৈ নতুন সাহস আৰু অনুপ্ৰেৰণা যোগাইছে। এসময়ত বান আৰু খহনীয়াৰ বাবে পৰিচিত মাজুলী আজি চাহ খেতিৰ জৰিয়তে সেউজ বিপ্লৱৰ দিশে আগবাঢ়িছে-আৰু তাৰ নেতৃত্ব দিছে দুজন সাধাৰণ কিন্তু অসাধাৰণ ককাই-ভাই তিলক শইকীয়া আৰু দুলাল শইকীয়াই।

# সাহিত্যাচাৰ্য অধ্যাপক ইদ্ৰিছ আলিৰ ৮৬ সংখ্যক ওপজা দিন পালন

**অসম বাৰ্তা, মঙলদৈ, ৪ মে'** ঃ দৰং গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় মুখ্য উপদেষ্টা ড° চহিৰ ভূঞা আৰু জিলা সভাপতি বাবুল মকছেদ আহমেদৰ নেতৃত্বত যোৱা এটি বৃহৎ দলে ১ মে অৰ্থাৎ শ্ৰমিক দিৱসৰ দিনাই ৮৫ বছৰ পূৰ্বে জন্ম গ্ৰহণ কৰা অধ্যাপক আলিৰ মঙলদৈ সাহিত্য নগৰস্থিত বাসগৃহ 'কাঁচিজোন'লৈ গৈ তেওঁক জাতীয় ফুলাম গামোচা, ফুলাম জাপি আৰু স্মাৰকেৰে সশ্ৰদ্ধ ওলগ জনোৱাৰ লগতে কেক কাটি গীতে মাতে মুখৰিত পৰিবেশত বৰ্ষীয়ান সাহিত্যিক গৰাকীৰ ওপজা দিন উদযাপন কৰে। কবি-গীতিকাৰ সাহিত্যাচাৰ্য আলিয়ে পৰিষদৰ এই কাৰ্যত অত্যন্ত সুখ আৰু আনন্দ প্ৰকাশ কৰে আৰু প্ৰতিনিধি দলটিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ লগতে নতুন প্ৰজন্মক নেতিবাচক চিন্তা ভাৱনা, ভেদ-ভাৱ সাম্প্ৰদায়িকতা আদিৰ পৰা আঁতৰি থাকি সমাজৰ ঐক্য সংহতি, শান্তি সম্প্ৰীতি আৰু সম্বৃদ্ধিৰ হকে কাম কৰিবলৈ আহ্বান জনায়। পৰিষদৰ দৰং জিলা সমিতিয়ে তেওঁৰ ২০২৭ বৰ্ষৰ আগন্তুক ৮৭ সংখ্যক ওপজা দিনটো ৰাজহুৱাভাৱে উদ্‌যাপন কৰাৰ লগতে বৰেণ্য কবি গীতিকাৰ গৰাকীৰ জীৱন আধাৰিত এখন গ্ৰন্থ প্ৰকাশৰ সিদ্ধান্তও সদৰী কৰে।

জটিল ৰোগত আক্ৰান্ত ৩ ৰোগীলৈ ৫০ হাজাৰ টকা প্ৰদান

# 'কৰুণাধাৰা ন্যাস'ৰ দৰং জিলা সহায়ক সমিতিৰ পদক্ষেপ



**অসম বাৰ্তা, মঙলদৈ, ৪ মে'** ঃ 'কৰুণাধাৰা ন্যাস'ৰ দৰং জিলা সহায়ক সমিতিৰ উদ্যোগত আজি মঙলদৈ যুথ ক্লাবত এখন চেক প্ৰদান অনুষ্ঠান হয়। প্ৰধান সচিব গণেশ দত্তই আঁত ধৰা এই সভাত জটিল ৰোগত আক্ৰান্ত দৰং জিলাৰ তিনি গৰাকী ৰোগীক মুঠ ৫০ হাজাৰ টকাৰ চেক প্ৰদান কৰা হয়। সভাত সাধনা সংগীত মহাবিদ্যালয়ৰ সংগীত বিভাগৰ শিক্ষয়িত্ৰী ৰিণ্টিমণি ডেকা, শিল্পী মহাশ্বেতা দেৱী, মানৱতাবাদী কৰ্মী বিজয় ডেকা, জ্যোতিস্মিতা দত্তই কৰুণাধাৰা ন্যাসৰ হৈ জটিল ৰোগত আক্ৰান্ত দুনীৰ ৰীতা নাথক ১৫ হাজাৰ টকা, দেওমৰনৈৰ ধৃতিৰাজ কুমাৰক ১৫ হাজাৰ টকা আৰু মঙলদৈ ৭ নং ৱাৰ্ডৰ লাচিত নগৰৰ দময়ন্তী শইকীয়াক ২০ হাজাৰ চেক প্ৰদান কৰে। সভাত বিজয় ডেকাই কয় যে, এই ধন কোনো চৰকাৰী ধন নহয়; ৰাইজে বিভিন্ন উপলক্ষত কৰুণাধাৰা ন্যাসলৈ স্বেচ্ছাই আগবঢ়োৱা বৰঙনি একত্ৰিত কৰি কৰুণাধাৰা ন্যাসে আৰ্থিকভাৱে যথেষ্ট দুৰ্বল অথচ জটিল ৰোগত আক্ৰান্ত আৰু বিশেষভাৱে সক্ষম লোকক আবেদনৰ ভিত্তিত এইদৰে সাহায্য প্ৰদান কৰি সংগঠনটোৱে মানৱতাৰ জয়গান গাই আহিছে।

■ পথ ব্যৱস্থাপনাৰ নামত ব্যাপক দুৰ্নীতি ■

# মাকুম লাংকাঁচি-দুলীয়াজান সংযোগী পথৰ দুৰৱস্থা

**অসম বাৰ্তা, মাকুম, ৪ মে'** ঃ তিনিচুকীয়া জিলাৰ মাকুম সমষ্টিৰ অন্তৰ্গত প্ৰায় দুই কিলোমিটাৰ দৈৰ্ঘ্যৰ সদা ব্যস্ততাপূৰ্ণ পথটি হৈছে মাকুম লাংকাঁচি, শুকানী, গুটিবাৰী, দুলীয়াজান সংযোগী পথ। এই পথেৰে নিতৌ চলাচল কৰে ব্যক্তিগত বাহনৰ পৰা আদি কৰি অইল ইণ্ডিয়া লিমিটেডৰ গধুৰ গধুৰ যান-বাহনৰ লগতে ব্যৱসায়ী প্ৰতিষ্ঠানৰ যান - বাহনসমূহ। তদুপৰি বিদ্যালয়লৈ ছাত্ৰ -ছাত্ৰী সকল, ৰোগী সকলো চিকিৎসালয়লৈ এই পথেৰেই অতি বিপদ শংকুলভাৱে অহা যোৱা কৰিব লগা হয়। পূৰ্বে পথটি জৰাজীৰ্ণ অৱস্থাত থকাৰ বাবে লোক নিৰ্মাণ বিভাগে পথ নিৰ্মাণ কৰিবলৈ ডিব্ৰুগড় জিলাৰ ভাদৈ পাঁচআলীৰ ৰুদ্ৰ শইকীয়া নামৰ ঠিকাদাৰ এজনক দায়িত্ব অৰ্পণ কৰিছিল যদিও পথৰ বৰ্তমানৰ দুৰৱস্থা দেখি নিৰ্মাণ কাৰ্যত ঠিকাদাৰ জনে গাফিলটি কৰিছিল বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। নিৰ্মাণ কাৰ্য সম্পন্ন হোৱাৰ কেইদিনমানৰ পাছতেই তৰপে তৰপে এৰিব ধৰিলে পথটোৰ ওপৰৰ স্তৰ। পৰৱৰ্তী সময়ত পথটোৰ মাজে মাজে হৈ পৰিল পুখুৰী সদৃশ প্ৰকাণ্ড প্ৰকাণ্ড গাত। যাৰ ফলত এইপ্ৰকাণ্ড গাতকেইটাত পূৰ্বৰ পৰা কেইবাটাও পথ দুৰ্ঘটনাৰ দৰে ঘটনা সংঘটিত হৈআহিছে। এই জৰাজীৰ্ণ পথটোৰ বাবে ৰাইজে নিতৌ জীয়াতু ভুগি আহিছে। লোক নিৰ্মাণ বিভাগৰ নিয়মাৱলীৰ মতে এটা পথ নিৰ্মাণৰ কাৰ্য সম্পন্ন হোৱাৰ পাছত পাঁচ বছৰলৈ ব্যৱস্থাপনাৰ নিয়ম থাকে, কিন্তু তাৎপৰ্যপূৰ্ণ বিষয় যে ঠিকাদাৰ ৰুদ্ৰ শইকীয়াই ব্যৱস্থাপনাৰ নিয়ম উলঙ্ঘন কৰি পথটো কোনোধৰণৰ ব্যৱস্থাপনা নকৰাৰ বিপৰীতে পথটোৰ দৈৰ্ঘ্য কিমান, পথটোৰ বাবে কিমান টকা ধাৰ্য কৰা হৈছিল, তাৰো নাম ফলকখন হঠাৎ নোহোৱা হ'ল বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে। ইয়াৰোপৰি ৰুদ্ৰ শইকীয়াৰ বিৰুদ্ধে তিনিচুকীয়া জিলাখনৰ কেইবা ঠাইতো পথ নিৰ্মাণ কাৰ্য কৰাৰ ক্ষেত্ৰত দুৰ্নীতি কৰাৰ প্ৰায়েই অভিযোগ উত্থাপিত হৈ আহিছে। ইতিমধ্যে সদা ব্যস্ততাপূৰ্ণ উক্ত পথটো অতি সোনকালে মেৰামতি কৰি ঠিকাদাৰ জনৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষলৈ এখনি পত্ৰ প্ৰেৰণ কৰাৰ কথা সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে স্থানীয় ৰাইজে। এতিয়া ৰাইজৰ লগতে আমাৰো প্ৰশ্ন, শূন্য সহনশীলতা কথা কোৱা বিজেপি চৰকাৰে অতি ব্যস্ততাপূৰ্ণ পথটোৰ নিৰ্মাণ কাৰ্যত দুৰ্নীতি হোৱাত ঠিকাদাৰ জনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব নে? নে আৰু গ্ৰাম্য অঞ্চলৰ জৰাজীৰ্ণ অৱস্থাত থকা আন পথ সমূহৰ নিৰ্মাণ কাৰ্যৰ বাবে এইজন ঠিকাদাৰকে নিবিদা প্ৰদান কৰি থাকিব?

# ডিব্ৰুগড়ৰ ৰাজগড়ত বলীন কুমাৰ বড়াৰ কাব্যগ্ৰন্থ 'সত্যৰ কাঁচলি' উন্মোচন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৪ মে'** ঃ কবিতাই সদায় আত্মাক বিচাৰে, কবিতা আত্মাৰ পৰা সৃষ্টি আৰু কবিতাই সদায় সমাজৰ শান্তি আৰু শুদ্ধতাৰ পক্ষত থাকি সমাজৰ ঘটনা-পৰিঘটনাৰ বাস্তৱ চিত্ৰ এখন অঙ্কন কৰিব বিচাৰে। এইদৰে বক্তব্য ৰাখি 'সত্যৰ কাঁচলি' কবিতা পুথিখনি উন্মোচন কৰে শব্দৰথী ৰুদ্ৰ গগৈয়ে। ডিব্ৰুগড় জিলাৰ অন্তৰ্গত ৰাজড়ৰ দুই নং ন-ভকতীয়া গাওঁ নিবাসী বলীন কুমাৰ বড়াৰ ৰচিত কাব্যগ্ৰন্থখনি কবি গৰাকীৰ বাসগৃহত ত্ৰিশ এপ্ৰিলত উন্মোচন কৰা হয়। ইয়াত সভাপতিত্ব কৰে অৱসৰী বেংক বিষয়া ভোগেশ্বৰ বসুমতাৰীয়ে। গ্ৰন্থখনি উন্মোচন কৰি শব্দৰথী ৰুদ্ৰ গগৈয়ে লগতে কয় যে, 'সত্যৰ কাঁচলি' এক অৰ্থবহ নাম আৰু ইয়াত সন্নিৱিষ্ট হোৱা অধিক সংখ্যক কবিতাই আধ্যাত্মিকতাৰ ৰেঙণিৰে উজলি থকা। নীতি-শিক্ষা, আধ্যাত্মিক শিক্ষা আৰু সামাজিক জীৱনবোধেৰে সিক্ত ছন্দোবদ্ধ কবিতা সমূহে পাঠকৰ হৃদয় স্পৰ্শ কৰিব পাৰিব বুলি উল্লেখ কৰে। 'সত্যৰ কাঁচলি' শীৰ্ষক কাব্যগ্ৰন্থখনি সম্পৰ্কত এক বিশে-ষণাত্মক বক্তব্য আগবঢ়াই লেখিকা সংস্থা অসমৰ কাৰ্যকৰী সভাপতি কুসুম গগৈয়ে। সভাখনিৰ আঁত ধৰে ৰাজগড় শাখা সাহিত্য সভাৰ সভাপতি মদন নেওগে। কুসুম গগৈৰ কবিতা পাঠ, মদন নেওগৰ গীত আৰু কবিতাই অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ লগতে সমজুৱাৰ ফালৰ পৰা যোগা গগৈ, পৱিত্ৰ শইকীয়াই শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। কাব্যগ্ৰন্থখনিৰ প্ৰণেতা বলীন কুমাৰ বড়াই গ্ৰন্থখনিৰ আঁৰৰ কাহিনী ব্যক্ত কৰাৰ লগতে তেখেতৰ কৰ্মজীৱনৰ স্মৰণীয় মুহূৰ্ত আৰু অভিজ্ঞতাৰ কথা উল্লেখ কৰি নষ্টালজিক হৈ পৰে।

# ডিব্ৰুগড়ৰ সন্ধানী মহিলা চ'ৰাৰ অষ্টম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৪ মে'** ঃ ডিব্ৰুগড়ৰ অন্যতম অগ্ৰণী সামাজিক-সাংস্কৃতিক সংগঠন সন্ধানী মহিলা চ'ৰাৰ অষ্টম প্ৰতিষ্ঠা দিৱস যোৱা ২ মে'ত উদযাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে 'মা সৰস্বতী'ৰ সন্মুখত প্ৰদীপ প্ৰজ্বলনেৰে কাৰ্যসূচী আৰম্ভ কৰে মুখ্য উপদেষ্টা ঝৰ্ণা শইকীয়াই। সভানেত্ৰী নিহাৰিকা শ্ৰুতিকৰ, সচিব লক্ষ্যহীৰা গগৈ আৰু আন সদস্যসকলে সকলোৰে মঙ্গল কামনাৰে প্ৰাৰ্থনা কৰে। সম্পাদিকা লক্ষ্যহীৰা গগৈয়ে সকলো সদস্য আৰু অতিথিসকলক আন্তৰিক আদৰণি জনায়। সভানেত্ৰী নিহাৰিকা শ্ৰুতিকৰে উপস্থিতি সকলোকে শুভেচ্ছা জনায় আৰু সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। সাংস্কৃতিক কাৰ্যসূচীত ডিব্ৰুগড়ৰ সুপ্ৰসিদ্ধ কণ্ঠশিল্পী ড° চুমি ফুকনে গীত পৰিৱেশন কৰে। স্থানীয় প্ৰতিভা মনজ্যোতি শইকীয়াইও একাধিক গীত পৰিৱেশন কৰে। পুৰবী চৌধুৰী, নীভা বৰুৱা, পদ্মা খনিকৰ আৰু লক্ষ্যহীৰা গগৈয়ে স্ব-ৰচিত কবিতা আবৃত্তি কৰে। উপদেষ্টাসকলৰ ভিতৰত তৰুণ কুমাৰ গগৈ, ড° পঙ্কজ কুমাৰ শ্ৰুতিকৰ, দীপক কুমাৰ দত্ত আৰু অজয় দত্তই ভাষণ প্ৰদান কৰি পৰম্পৰাগত সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু আগন্তুক প্ৰজন্মক ইয়াৰ সৈতে পৰিচিত কৰোৱাৰ বাবে আহ্বান জনায়। অনুষ্ঠানৰ বিশেষ আকৰ্ষণ আছিল ডিব্ৰুগড়ৰ অপেক্ষা হাস্পতালৰ দন্ত চিকিৎসক ডাঃ চোনম জালেৰাই আগবঢ়োৱা স্বাস্থ্য বিষয়ক তথ্যসমৃদ্ধ ভাষণ। তেওঁ বিশেষকৈ মহিলাসকলে সঘনাই ভোগা কিছু ৰোগ সম্পৰ্কে আলোকপাত কৰে। সন্ধানী মহিলা চ'ৰাৰ সদস্যা অঞ্জলি সোণোৱালে নৃত্য পৰিৱেশন কৰে।

গুৱাহাটী চিটি ভলীবল দল চেম্পিয়ন

# চলচলিত দিবা-নৈশ ভলীবল প্ৰতিযোগিতা



**অসম বাৰ্তা, পুৰণিগুদাম, ৪ মে'** ঃ নগাঁও জিলাৰ বৃহত্তৰ চলচলি আঞ্চলিক যুৱ সমাজৰ উদ্যোগত আৰু চলচলি অঞ্চলৰ সমূহ ৰাইজৰ সহায় সহযোগিতাৰে যোৱা নিশা অনুষ্ঠিত কৰা ঐতিহাসিক আমন্ত্ৰণমূলক দিবা-নৈশ ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। ভলীবল প্ৰতিযোগিতাখনত সমগ্ৰ অসমৰ পৰা বিভিন্ন প্ৰান্তৰ ৭টা দলে ভলীবল দলে অংশগ্ৰহণ কৰে। দলসমূহ তিনিচুকীয়া ভলীবল দল, যোৰহাট ভলীবল দল, তেজপুৰ বৰ্ণিল ভলীবল দল, গুৱাহাটী চিটি ভলীবল দল, ফেৰেংগা বিজনী ভলীবল দল, এল.এন. আই.পি. সোণাপুৰ আৰু ইন্দিয়ান আৰ্মি ৫০৩ ৰেজিমেণ্ট ভলীবল দল। সদ্যসমাপ্ত ঐতিহাসিক প্ৰতিযোগিতাখনত গুৱাহাটী চিটি ভলীবল দলটোৱে চেম্পিয়ন খিতাপ লাভ কৰাৰ লগতে ৰানাৰ্ছ আপ লাভ কৰে তেজপুৰ বৰ্ণিল ভলীবল দলে। উল্লেখযোগ্য যে, দীৰ্ঘদিন ধৰি প্ৰত্যেক বছৰে চলি অহা এই প্ৰতিযোগিতাখনত ক্ৰীড়াপ্ৰেমী ৰাইজৰ বিপুল সহাঁৰি লাভ কৰে উদ্যোক্তাসকলে।

# ন-মাটিত চতুৰ্দশ বাৰ্ষিক ভাগৱত পাঠ আৰু গুৰু আসন প্ৰতিষ্ঠা উৎসৱৰ সামৰণি

**অসম বাৰ্তা, বটদ্ৰৱা, ৪ মে'** ঃ বেবেজীয়াৰ সমিপৰ ন-মাটি ৰাইজৰ সৌজন্যত ন-মাটি যুৱীয়া নামঘৰ প্ৰাংগনত ১, ২ আৰু ৩ মে'ত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈ থকা মহাভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ আজি সামৰণি পৰে। তিনিদিনীয়াকৈ অবিৰতভাৱে চলি থকা ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ আজি পুৱা সামৰণিৰ অন্তত ভাগৱত শোভাযাত্ৰা উদ্বোধন কৰে শ্ৰীশ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক লাচিত বৰদলৈয়ে। উদ্বোধনী ভাষণত বৰদলৈয়ে কয়- "শ্ৰী শংকৰদেৱ এনে এজন গুৰু যিজন গুৰুৱে জাতি-বৰ্ণ-নিৰ্বিশেষে সকলোকে একতাৰ দুলেৰে বান্ধি এখন বিশাল সমাজ গঠণ কৰিছিল। নামঘৰ প্ৰতিষ্ঠাৰ যোগেদি অসমীয়া সমাজৰ কৃষ্টি-সংস্কৃতিৰ বৰভেটি তৈয়াৰ কৰিছিল। কিন্তু আজিৰ সময়ত সমাজবোৰ ভাঙোনমুখি হবলৈ ধৰিছে। এয়া আমাৰবাবে সুখ বাৰ্তা নহয়।" ভাগৱত ভ্ৰমণ কাৰ্যসূচীত সমূহ ৰাইজ একত্ৰিত হৈ সমগ্ৰ ন-মাটি অঞ্চল হৰিনাম কীৰ্ত্তনেৰে একাকাৰ কৰি তোলে। ইয়াৰ পিছতে দুপৰীয়া নাম প্ৰসংগ, প্ৰসাদ বিতৰণ আৰু বিয়লি ৪ বজাত ধৰ্মধ্বজা অৱতৰণেৰে ভাগৱত পাঠ অনুষ্ঠানৰ সামৰণি পৰে। অনুষ্ঠানৰ প্ৰচাৰ সম্পাদক প্ৰাঞ্জল ডেকাই জনোৱা মতে তিনিদিনীয়া অবিৰত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ অন্তত ৬ মে'ৰ দিনা সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হব। সদৌ অসম ভিত্তিত অনুষ্ঠিত হবলগা দিহানাম প্ৰতিযোগিতাৰ পুৰস্কাৰ সমূহ ক্ৰমে প্ৰথম ৩০০১ টকা, দ্বিতীয় ২০০১ টকা, তৃতীয় ১৫০১ টকা, চতুৰ্থ ১১০১ টকা, পঞ্চম ৮০১ টকা, ষষ্ঠ ৬০১ টকা আৰু সপ্তম ৫০১ টকা। ইয়াৰোপৰি শ্ৰেষ্ঠ নেগেৰা বাদক, শ্ৰেষ্ঠ খোল বাদক, শ্ৰেষ্ঠ তাল বাদকৰ পুৰস্কাৰৰ লগতে তিনিটা নিচুকনি বঁটা প্ৰদান কৰিব। প্ৰতিযোগিতাৰ ভৰ্ত্তি মাছুল ৫০ টকা। অঞ্চলৰ সমূহ ৰাইজৰ উপস্থিতি কামনা কৰিছে উদ্যোক্তা সমিতিয়ে।

# চামতাৰ আমনিত কৃতি শিক্ষক হৰিচৰণ শৰ্মাক বিদায় সম্বৰ্দ্ধনা আৰু অভিনন্দন গ্ৰন্থ "হৰি সুৱাস" উন্মোচন

**অসম বাৰ্তা, চামতা, ৪ মে'** ঃ পশ্চিম নলবাৰী শিক্ষা খণ্ডৰ অন্তৰ্গত চামতাৰ আমনিস্থ আমনি শংকৰ প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণত শনি বাৰে বিদ্যালয় খনৰ সদ্য অৱসৰপ্ৰাপ্ত কৃতি প্ৰধান শিক্ষক হৰিচৰণ শৰ্মাৰ ৰাজহুৱা বিদায় সম্বৰ্দ্ধনা অনুষ্ঠান লগতে অভিনন্দন গ্ৰন্থ "হৰি সুৱাস" উন্মোচন কৰা হয়। সভাখনত সভাপতিত্ব কৰে নলবাৰী সংস্কৃত মহাবিদ্যালয়ৰ অধ্যাপক ড° জয়ন্ত শৰ্মা শাস্ত্ৰীয়ে। সভাত উত্তৰ ধৰ্মপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক গণেশ বৰ্মন, চামতাৰ বিষ্ণু জ্যোতি একাডেমীৰ অধ্যক্ষ প্ৰদীপ ভাগৱতী উপস্থিত থাকি ভাষণ প্ৰদান কৰে। সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে ক্ৰমে ক্ষেত্ৰী ধৰ্মপুৰ জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ প্ৰবক্তা ৰাজীৱ দত্ত, প্ৰেৰণা পুথিভঁৰাল প্ৰধান পৰিচালক দ্বিজেন্দ্ৰ নাৰায়ণ শৰ্মা, অৱসৰী প্ৰধান শিক্ষক ৰামচৰণ বৰ্মন, পিপলিবাৰী হাইস্কুলৰ অৱসৰী প্ৰধান শিক্ষক নিৰোদ শৰ্মা, শিক্ষয়িত্ৰী দীপাঞ্জলী তালুকদাৰ, আৰু অৱসৰী শিক্ষক খগেন বৰ্মন। সমজুৱাৰ ফালৰ পৰা ভাষণ প্ৰদান কৰে প্ৰবীন বৰ্মন, অৱসৰী প্ৰধান শিক্ষক কেশৱ ডেকা, নাট্যকাৰ- চিত্ৰকৰ বিনয় শৰ্মাই। শিক্ষক গোটৰ পৰা প্ৰণৱ কুমাৰ দাস, সুবোধ শৰ্মাই ভাষণ প্ৰদান কৰে। এটি স্বৰচিত কবিতা পাঠ কৰে কবি দীলিপ তালুকদাৰে। অভিনন্দন গ্ৰন্থ "হৰি সুৱাস" আনুষ্ঠানিক ভাৱে উন্মোচন কৰে পশ্চিম নলবাৰী প্ৰাথমিক শিক্ষা বিষয়া মঞ্জু ৰাণী দেৱীয়ে। সভাৰ শেষত শিক্ষক তপন কুমাৰ শৰ্মাই শলাগৰ শৰাই আগবঢ়াই আৰু এটি কামৰূপী লোকগীত পৰিবেশন কৰে।

# উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত পথালিপাহাৰৰ মেধাবী ছাত্ৰ গিতাৰ্থ প্ৰতিম পাঠকৰ সাফল্যতা

**অসম বাৰ্তা, বান্দৰদেৱা, ৪ মে'** ঃ সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বিজ্ঞান শাখাত ৯৩ শতাংশ নম্বৰ লাভ কৰি লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱতী বৃহত্তৰ পথালি পাহাৰ অঞ্চললৈ গৌৰৱ কঢ়িয়াইআনিলে মেধাবী ছাত্ৰ গিতাৰ্থ প্ৰতিম পাঠকে। অধ্যৱসায়, একাগ্ৰতা আৰু কঠোৰ প্ৰৰিশ্ৰমৰ জৰিয়তে গিতাৰ্থই লাভ কৰা এই উল্লেখযোগ্য সাফল্যত কেৱল পৰিয়ালেই নহয় সমগ্ৰ পথালি পাহাৰ অঞ্চলটোৰ শুভকাংশী সকল আনন্দিত আৰু উৎফুল্ল হৈ পৰিছে। আটাইকেইটা বিষয়তে লেটাৰ মাৰ্ক পোৱা গিতাৰ্থই ভৱিষ্যতে নিজকে এগৰাকী ইঞ্জিনীয়াৰ হোৱাৰ সপোন পুহি ৰাখিছে। নগাঁও জিলাত অৱস্থিত ৰামানুজন কনিষ্ঠ মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বিজ্ঞান শাখাত অৱতীৰ্ণ হৈ ইংৰাজীত ৯১, অতিৰিক্ত ইংৰাজীত ৯১, জীৱ বিজ্ঞানত ৯৬, ৰসায়ন বিজ্ঞানত ৯৬, পদাৰ্থ বিজ্ঞানত ৯১ আৰু গণিতত ৮৪ নম্বৰ লাভ কৰে। জিলাখনৰ অসম অৰুণাচল সীমান্তৱতী পথালিপাহাৰ অঞ্চলৰ অন্তৰ্গত দিলীপপুৰ গাঁৱৰ নিবাসী তথা অসম আৰক্ষীত কৰ্মৰত পিতৃ অনন্ত পাঠক আৰু মাতৃ প্ৰণীতা পাঠকৰ একমাত্ৰ পুত্ৰ গিতাৰ্থৰ এই সাফল্যত স্থানীয় ৰাইজ, দল-সংগঠন, খেৰাজখাত সীমান্ত আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ খেৰাজখাত আঞ্চলিক সমিতি আদিয়ে ছাত্ৰ জনক উষ্ম অভিনন্দন জনোৱাৰ লগতে শৈক্ষিক ক্ষেত্ৰ খনত অনাগত দিনতো জিলিকি থকাৰ কামনা কৰে। গিতাৰ্থ প্ৰতিম পাঠকৰ এই সাফল্যত পথালিপাহাৰ অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰী সকলক বিশেষভাৱে অনুপ্ৰেৰণা যোগোৱা বুলিও বহুজনে মত প্ৰকাশ কৰে।

# উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত নামতি লাদৈগড়ৰ অৰ্ণৱ জোনাক গগৈৰ সাফল্য

**অসম বাৰ্তা, চেলেংহাট, ৪ মে'** ঃ সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বিজ্ঞান শাখাত শিৱসাগৰ জিলাৰ নামতি লাদৈগড় ৭ নং গ্ৰান্টৰ নিবাসী অৰ্ণৱ জোনাক গগৈয়ে চাৰিটা বিষয়ত লেটাৰ নম্বৰসহ ডিষ্টিংচন লাভ কৰিবলৈ সক্ষম হয়। মাতৃ কৰ্মসূত্ৰে সোণাৰীৰ টাওকাক চাহ বাগিছাৰ অস্থায়ী বাসিন্দা অৰ্ণৱে সোণাৰীৰ ইলাইট একাডেমীৰ পৰা উচ্চতৰ মাধ্যমিকত ৮৬.২২% নম্বৰ সহ উত্তীৰ্ণ হয়। উল্লেখযোগ্য যে, ২০২৪ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কিছুদিনৰ পূৰ্বে অৰ্ণৱৰ পিতৃ ৰাজীৱ গগৈৰ আকস্মিক বিয়োগ ঘটিছিল আৰু তৎস্বত্বেও অৰ্ণৱে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৫টা বিষয়ত লেটাৰ নম্বৰ লৈ ডিষ্টিংচন সহ ৮৮ শতাংশ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছিল। অৰ্ণৱৰ মাতৃ মুনমী গগৈ সোণাৰীৰ কনকলতা চিকিৎসালয়ত কৰ্মৰত।

# ডুমডুমা জাতীয় বিদ্যালয়ত অগ্নিকাণ্ড; নটা কোঠা ভস্মীভূত

## এঘাৰ লক্ষাধিক টকাৰ সম্পত্তি জুইত জাহ



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৪ মে' ঃ** যোৱা নিশা সংঘটিত এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনাত ডুমডুমা নগৰৰ পৰা এক কিলোমিটাৰ নিলগৰ বিছাজানত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত অৱস্থিত ডুমডুমা জাতীয় বিদ্যালয়ৰ নটা কোঠা জুইত সম্পূৰ্ণৰূপে জাহ যায়। জানিব পৰা মতে যোৱা নিশা প্ৰায় ১১-৩০ বজাত বিদ্যালয়খনৰ পুৰণি কেঁচা গৃহটিত অগ্নিকাণ্ডৰ সূত্ৰপাত হয় আৰু পলকতে জুইৰ লেলিহান শিখা সমগ্ৰ গৃহটিলৈ সম্প্ৰসাৰিত হয়। ওচৰ চুবুৰীয়া ৰাইজ আৰু সেই সময়ত ৰাষ্ট্ৰীয় ঘাইপথেৰে গৈ থকা সদৌ মৰাণ ছাত্ৰ সন্থা আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেইগৰাকীমান নেতা-কৰ্মীয়ে জুই দেখি তেওঁলোকে বিদ্যালয় কৰ্তৃ পক্ষ আৰু অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়ে। অগ্নিনিৰ্বাপক বাহিনীৰ লোক ঘটনাস্থলীত উপস্থিত হৈ অগ্নি নিৰ্বাপনৰ চেষ্টা চলায়। ডুমডুমাৰ উপৰিও ডিগবৈ আৰু তিনিচুকীয়াৰ পৰাও অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী আহি শেষ নিশা দুইমান বজাত অগ্নিনিৰ্বাপন কৰিবলৈ সক্ষম হয়। এই অগ্নিকাণ্ডত বিদ্যালয়খনৰ পাঁচটা শ্ৰেণীকোঠা, শিক্ষক-শিক্ষয়িত্ৰীৰ জিৰণি কোঠা আৰু তিনিটা অতিৰিক্ত কোঠাসহ মুঠ নটা কোঠা সম্পূৰ্ণ আচবাবসহ জুইত জাহ যায়। লগতে শিক্ষকৰ জিৰণি কোঠাত থকা এটা গেছ চিলিণ্ডাৰ বিস্ফোৰণ হয়। অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ এতিয়াও স্পষ্ট হোৱা নাই যদিও কূটাঘাতৰ আশংকাও নুই কৰিব নোৱাৰি। ঘটনাস্থলীত ডুমডুমা সমজিলাৰ আৰক্ষী অধীক্ষক, ডুমডুমা থানাৰ ভাৰপ্ৰাপ্ত বিষয়াকে ধৰি আৰক্ষীৰ লোক উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। ইপিনে এই অগ্নিকাণ্ডৰ বাতৰি সম্প্ৰচাৰ হোৱাৰ পিছতেই আজি পুৱাৰে পৰা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা সমিতিৰ বিষয়ববীয়া, শুভাকাংক্ষী, স্থানীয় ৰাইজ, প্ৰাক্তন শিক্ষাৰ্থী, বিভিন্ন দল সংগঠনৰ নেতৃবৃন্দই বিদ্যালয় চৌহদত উপস্থিত হৈ এই দুৰ্ভাগ্যজনক ঘটনাটোৰ বাবে দুখ প্ৰকাশ কৰে। ইয়াৰ পাছতেই বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি অৰ্জুন বৰুৱাৰ পৌৰোহিত্যত এখন জৰুৰী ৰাজহুৱা সভা অনুষ্ঠিত হয়। পৰিচালনা সমিতিৰ সম্পাদক জিতু ডেকাই বিদ্যালয়খনে সন্মুখীন হোৱা এই জটিল সময়ত ৰাইজৰ সহযোগিতা কামনা কৰে। সভাই বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জীৱনৰ যাতে কোনো ক্ষতি নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি ৰাইজৰ দান-বৰঙণিৰে অতি শীঘ্ৰে কেইটামান অস্থায়ী কোঠা নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু তাৰ বাবে এখন নিৰ্মাণ সমিতি গঠন কৰি দিয়ে। সভাত অহা বুধবাৰৰ পৰা বিদ্যালয়ৰ শ্ৰেণীসমূহৰ পাঠদান নিয়মীয়াকৈ চলাই নিবলৈও সিদ্ধান্ত গ্ৰহণ কৰা হয়। আজিৰ সভাই ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতৰ কথা চিন্তা কৰি বিদ্যালয়খন পুনৰ গঢ় দিয়াত সহযোগিতা আগবঢ়াবলৈ ডুমডুমাবাসী ৰাইজক আৰ্থিক আৰু কায়িক, সকলোধৰণৰ সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। ইপিনে ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাইও আজি পুৱা বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি অৰ্জুন বৰুৱাক ফোন কৰি ঘটনাটোৰ সম্পৰ্কত খা-খবৰ লয় আৰু তেখেতৰ তৰফৰ পৰা সকলোধৰণৰ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

# নলবাৰীৰ পূব পানীগাঁৱৰ নৱজ্যোতি সংঘৰ সৌজন্যত একাদশ বাৰ্ষিক ৰঙালী বিহুৰ আয়োজন

**অসম বাৰ্তা, চামতা, ৪ মে' ঃ** নলবাৰী জিলাৰ পূব পানীগাঁৱৰ নৱজ্যোতি সংঘৰ সৌজন্যত তথা পূব পানীগাঁৱৰ ৰাইজৰ সহযোগত ১০ মে'ত এদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে একাদশ বাৰ্ষিক বঙালী বিহু উদ্‌যাপনৰ আয়োজন কৰা হৈছে। সেই উপলক্ষ্যে সংঘটোৰ স্থায়ী সমিতিৰ সভাপতি কুশল হালৈ, সম্পাদকদ্বয় দ্বীপেন হালৈ(টিকু) আৰু চন্দন হালৈৰ তত্ত্বাৱধানত অক্ষয় হালৈক সভাপতি, হৰগোবিন্দ হালৈ আৰু মৃদুল বৰ্মনক উপ সভাপতি, হৰিহৰ বৰ্মনক কাৰ্যকৰী সভাপতি, ৰাজকুমাৰ ডেকা আৰু মিণ্টু হালৈক সম্পাদক হিচাপে লৈ এখন ৰঙালী বিহু উদ্‌যাপন সমিতি গঠন কৰা হৈছে। কাৰ্যক্ৰমণিকা অনুসৰি, পুৱা ৮ বজাত নৱজ্যোতি সংঘৰ পতাকা উত্তোলন কৰিব সংঘৰ সভাপতি কুশল হালৈয়ে আৰু ৰঙালী বিহুৰ পতাকা উত্তোলন কৰিব বঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি অক্ষয় হালৈয়ে। তাৰপিচত শ্বহীদ তৰ্পণ, গছপুলি ৰোপণ আদি কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। পুৱা ৯ বজাত ভেশচন প্ৰতিযোগিতা উদ্বোধন কৰিব পূব পানীগাঁও প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ৰঞ্জিত ভূঞাই। প্ৰতিযোগিতাখন পৰিচালনা কৰিব বিদ্যালয়খনৰ সহকাৰী শিক্ষয়িত্ৰী ভাৰতী হালৈ, নিশা ভৰালী আৰু মুনমী নাথে। পুৱা ১০ বজাত খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰিব বিদ্যালয়খনৰ প্ৰধান শিক্ষক সোণ কুমাৰ বৰ্মনে। পুৱা ১১ বজাত প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ অনুষ্ঠিত কৰিবলগীয়া কুইজ প্ৰতিযোগিতাখন উদ্বোধন কৰিব নলবাৰীৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা বনগাঁৱৰ জেকেকে শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যই। প্ৰতিযোগিতাখন পৰিচালনা কৰিব শিক্ষক কমল কুমাৰ তালুকদাৰে। তাৰপিচত চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰিব তাঁতিপাৰা প্ৰাথমিক বিদ্যালয়, নিজ পকোৱাৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰসন্ন বৈশ্যই। বিয়লি ৪ বজাত বঁটা বিতৰণী সভা আৰু সম্বৰ্দ্ধনা অনুষ্ঠানত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা জনোৱা হ'ব। বিয়লি ৫ বজাত প্ৰাণৰ শিল্পী, বিশ্বকণ্ঠ জুবিন গাৰ্গ, নাগাৰা সূৰ্য ৰামচৰণ ভৰালী, আন্তঃ ৰাষ্ট্ৰীয় বাঁহীবাদক দীপক শৰ্মাৰ প্ৰতিচ্ছবিৰ সন্মুখত একোগছিকৈ বন্তি জ্বলাব অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক বসন্ত কুমাৰ হালৈ, মুদ্ৰণ আৰু লেখন সামগ্ৰী সঞ্চালকালয়, অসমৰ অৱসৰপ্ৰাপ্ত বিষয়া প্ৰতুল হালৈ আৰু নিৰ্মল হালৈ কলেজ, পাটাছাৰকুছিৰ সহকাৰী অধ্যাপিকা ড° স্মিতা ডেকাই। বিয়লি ৫-৩০ বজাত অসমীয়া গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিব বিশিষ্ট সমাজকৰ্মী মুকুল বৰ্মনে। সন্ধিয়া ৭-৩০ বজাত আমন্ত্ৰণমূলক বিহু হুছৰি প্ৰদৰ্শন কৰোৱা হ'ব। নিশা ৮ বজাত শৰৎ চন্দ্ৰ শৰ্মা আৰু কুঞ্জপ্ৰিয়া দেৱী সোঁৱৰণী মঞ্চ উদ্বোধন কৰিব আদৰ্শ বালিকা বিদ্যাপীঠ, পানীগাঁৱৰ শিক্ষক নাৰায়ণ হালৈয়ে। নিশা ৯ বজাত সাংস্কৃতিক অনুষ্ঠানৰ উদ্বোধন কৰিব অসম অলিম্পিক সন্থাৰ সহকাৰী সম্পাদক ত্ৰিনয়ন বৰ্মনে। সাংস্কৃতিক অনুষ্ঠানত ৰহিম ৰাজ, নৱ দাস আৰু প্ৰিয়ংকা কলিতাই সংগীত পৰিৱেশন কৰিব। উল্লেখ্য যে, ভেশচন প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ২০১ টকা, দ্বিতীয় পুৰস্কাৰ ১০১ টকা লগতে নিচুকণি বঁটা প্ৰদান কৰা হ'ব। অসমীয়া গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতাৰ ভৰ্তি মাচুল ১০১ টকা নিৰ্ধাৰণ কৰাৰ বিপৰীতে প্ৰথম পুৰস্কাৰ ১,৫০১ টকা, দ্বিতীয় পুৰস্কাৰ ১,৩০১ টকা আৰু তৃতীয় পুৰস্কাৰ হিচাপে ১,১০১ টকা প্ৰদান কৰা হ'ব।

# বগীনদী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভিতৰতে সৰ্বাধিক নম্বৰ লাভ কৰি গৌৰৱ কঢ়িয়ালে কাঠমিস্ত্ৰীৰ জীয়ৰী কবিতা চুতীয়াই

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৪ মে' ঃ** লখিমপুৰ জিলাৰ কদম ৰাজহচক্ৰৰ অন্তৰ্ভুক্ত বচাচুকৰ কষ্ট কৰি জীৱন চলোৱা কাঠ আৰু পকা মিস্ত্ৰীৰ জীয়ৰী কবিতা চুতীয়াই বগীনদী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভিতৰতে সদ্যঘোষিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত কলা শাখাত সৰ্বাধিক নম্বৰ লাভ কৰি সমগ্ৰ বগীনদী অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ৰাজমিস্ত্ৰী হিচাপে কৰ্ম কৰি খোৱা জয়ন্ত চুতীয়া আৰু মাতৃ জান্তি চুতীয়াই অশেষ কষ্টেৰে নিজ জীয়ৰীক অধ্যয়ন কৰোৱাই ছিল। কিন্তু চৰকাৰী মাধ্যমত অধ্যয়ন কৰিও যে সুন্দৰ ফলাফল অৰ্জন কৰিব পাৰে, এই কথা প্ৰমাণ কৰিলে কবিতা চুতীয়াই। ছাত্ৰীগৰাকীয়ে ৮২ শতাংশ নম্বৰ লাভ কৰি উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। ছাত্ৰীগৰাকীয়ে কোনোধৰণৰ ব্যক্তিগত টিউচন লোৱা নাছিল। ছাত্ৰীগৰাকীয়ে ৰিটেইল ট্ৰেড বিষয়ত ৯২, দৰ্শন বিষয়ত ৯১, অসমীয়া বিষয়ত লেটাৰ নম্বৰসহ তথা ইংৰাজীত ৬৯, ইকনমি'ত ৭৭ আৰু ৰাজনীতি বিজ্ঞানত ৭৮ নম্বৰেৰে মুঠ ৪১০ নম্বৰ লাভ কৰে। ছাত্ৰীগৰাকীৰ এই সফলতাত গাঁওবাসী উৎফুল্ল হৈ পৰিছে। ভৱিষ্যতে এগৰাকী অধিবক্তা হোৱাৰ মন ছাত্ৰীগৰাকীৰ।

# বিলাসী বাহনত মৃত অৱস্থাত গোধন উদ্ধাৰ; বিহালীত চাঞ্চল্য

**অসম বাৰ্তা, জিনজিয়া, ৪ মে' ঃ** বিহালী আৰক্ষী থানাৰ অন্তৰ্গত বিহালী ২নং বৰালী মৰাত বিহালী আৰক্ষীৰ নাকা চেকিঙত ASO1 GA 5458 বিলাসী বাহন খনত ৩টা গোধন উদ্ধাৰ কৰে। উল্লেখ্য যে এটা গোধন মৃত অৱস্থাত উদ্ধাৰ কৰে। তথ্য মতে বিহালী ২ নং বৰালীমৰা ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত বিহালী আৰক্ষী থানাৰ সহকাৰী পৰিদৰ্শক প্ৰাঞ্জল শইকীয়াৰ নেতৃত্বত নাকা চেকিং চলি আছিল, সেই সময়তে গহপুৰ দিশৰ পৰা বিশ্বনাথ চাৰিআলি অভিমুখে গৈ থকা উক্ত বাহনখন ৰখাই আৰু বাহনত অবৈধ ভাৱে গোধন সৰবৰাহ লোক কেইজন আৰক্ষী দেখি পলাই যায়। বিলাসী বাহনত এনে ঘটনা সংঘটিত হোৱাত উদ্বেগ প্ৰকাশ কৰিছে বিহালী সচেতন লোকে। বৰ্তমান বিহালী আৰক্ষীয়ে গোধন সহবাহন জব্দ কৰি থানালৈ লৈ যায় আৰু গোধনৰ চিকিৎসাৰ ব্যৱস্থা কৰে।

## বছৰ বছৰ ধৰি চলি থকা সমস্যাত ক্ষুব্ধ ৰাইজ; চৰকাৰী ব্যৱস্থাৰ দাবী তীব্ৰ

# গোলকগঞ্জত গংগাধৰ নৈৰ ভয়ংকৰ গৰাখহনীয়া; শতাধিক পৰিয়াল গৃহহীন

**অসম বাৰ্তা, গোলকগঞ্জ, ৪ মে' ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জৰ পূব গাইখোৱা গাঁৱত গংগাধৰ নৈৰ গৰাখহনীয়াই পুনৰ ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। বাৰিষাৰ আৰম্ভণিৰ লগে লগে তীব্ৰ হৈ পৰা এই গৰাখহনীয়াই অঞ্চলটোত বসবাস কৰা লোকসকলক গভীৰ সংকটত পেলাইছে। বহু পৰিয়াল এতিয়া আতংকৰ মাজতে দিন-ৰাতি পাৰ কৰিবলগীয়া হৈছে। স্থানীয় বাসিন্দাসকলৰ অভিযোগ অনুসৰি, গাঁওখনত বছৰ বছৰ ধৰি গৰাখহনীয়া চলি আহিছে। প্ৰতি বছৰে শতাধিক পৰিয়াল গৃহহীন হৈ পৰে আৰু বহুলোক নিজৰ ভিটামাটি হেৰুৱাই অন্য ঠাইলৈ স্থানান্তৰিত হ'বলগীয়া হয়। এইবাৰো ইতিমধ্যে কেইবাটাও গৃহ ভাঙি পৰিছে আৰু শ শ বিঘা খেতি মাটি নদীৰ বুকুত বিলীন হৈছে। গাঁওবাসীয়ে অভিযোগ কৰে যে, ইমান গুৰুত্বপূৰ্ণ সমস্যাৰ পিছতো প্ৰশাসন, জনপ্ৰতিনিধি তথা চৰকাৰৰ পৰা কোনো স্থায়ী সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। ফলত ৰাইজৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। উল্লেখযোগ্য যে, অসম চৰকাৰৰ 'অসম মালা ৩.০' ফ্লেগশ্বিপ পৰিকাঠামো উন্নয়ন প্ৰকল্পৰ অধীনত সোণাহাটস্থিত ITCৰ পৰা গোলকগঞ্জ বজাৰ হৈ শৌলমাৰীলৈকে ১২৭বি নং ৰাষ্ট্ৰীয় ঘাইপথ উন্নয়ন আৰু উন্নতীকৰণৰ কামৰ ঘোষণা কৰা হৈছিল। ২০২৬ চনৰ ১৩ মাৰ্চত পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী তথা ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে এই প্ৰকল্পৰ শুভ উদ্বোধন কৰে। কিন্তু এতিয়ালৈকে কাম আৰম্ভ নোহোৱাত ৰাইজৰ মাজত অসন্তোষ বৃদ্ধি পাইছে। বৰ্তমান গাইখোৱা গাঁৱৰ হাজাৰ হাজাৰ লোক গৰাখহনীয়াৰ আতংকত নিদ্ৰাহীন ৰাতি পাৰ কৰিছে আৰু চৰকাৰক শীঘ্ৰে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে।

# অসমৰ উদীয়মান সাঁতোৰবিদৰ শ্ৰীলংকাৰ 'পাল্ক ষ্ট্ৰেইট' ঐতিহাসিক অভিযান

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৪ মে' ঃ** অহা ৫ মে', মঙ্গলবাৰ ২০২৬ তাৰিখে শ্ৰীলংকাৰ পৰা ভাৰতৰ ধনুষ্কোডি পৰ্যন্ত বিস্তৃত 'পাল্ক ষ্ট্ৰেইট'ত অসমৰ প্ৰতিভাশালী সাঁতোৰবিদসকলে এক দুঃসাহসিক ওপেন ৱাটাৰ অভিযানত অংশগ্ৰহণ কৰিবলৈ সাজু হৈছে। এই কঠিন সমুদ্ৰপথত একক শাখাত আডিত্ৰী ৰয় চৌধুৰী আৰু কমল কৃষ্ণ দাসে নিজৰ দক্ষতা প্ৰদৰ্শন কৰিব। আনহাতে, ৰিলে শাখাত কিউচেংহান ফুকন, জানভী ডাকুৱা আৰু কাংকিতা দাসে দলীয় প্ৰচেষ্টাৰে এই দুৰ্গম জলপথ অতিক্ৰম কৰাৰ লক্ষ্য লৈ আগবাঢ়িছে। অসম সাঁতোৰ সংস্থাৰ প্ৰচাৰ সচিব মুকুটেশ্বৰ গোস্বামীয়ে গুৱাহাটীত সংবাদ মাধ্যমক জনাই যে, এই উদ্যোগে ৰাজ্যখনৰ ওপেন ৱাটাৰ সাঁতোৰত নতুন দিগন্ত উন্মোচন কৰিছে। সংস্থাৰ সাধাৰণ সম্পাদক ভাস্কৰ ৰঞ্জন দাসে অসমৰ অগ্ৰগতিক লৈ সন্তোষ প্ৰকাশ কৰি সকলো সাঁতোৰবিদলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। কঠিন স্ৰোত, বতৰৰ অনিশ্চয়তা আৰু মানসিক দৃঢ়তাৰ পৰীক্ষাৰ মাজেৰে এই অভিযান অসমৰ ক্ৰীড়া ইতিহাসত এক স্মৰণীয় অধ্যায় হিচাপে পৰিগণিত হ'ব বুলি আশা কৰা হৈছে।

# গোসাঁইগাঁৱৰ সাপকাটা আৰক্ষীৰ অভিযান, নকল সোণৰ মূৰ্তি ৰাখি ধন দাবী কৰা দুষ্টচক্ৰক আৰক্ষীৰ জালত, চাৰিটা নকল সোণৰ মূৰ্তি উদ্ধাৰ

**অসম বাৰ্তা, গোসাঁইগাঁও, ৪ মে' ঃ** গোসাঁইগাঁও মহকুমাৰ সাপকাটা অঞ্চলত এক চাঞ্চল্যকৰ ঘটনাৰ পোহৰলৈ আহিছে। সোণৰ নকল মূৰ্তি বনাই মানুহৰ ঘৰত ৰাখি ফোনযোগে প্ৰলোভন দেখুৱাই ধন দাবী কৰা এক দুষ্টচক্ৰৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান চলাই দুজনক আটক কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য অনুসৰি স্থানীয় ৰাইজৰ সহযোগত সাপকাটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ৰাজীৱ কলিতাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে ২ নং হাউৰীয়াপেট অঞ্চলত অভিযান চলাই আৰক্ষীয়ে ঘৰৰ পৰা কদ্দুছ আলীক আটক কৰে। ইফালে এই ঘটনাৰ সৈতে সাপকাটাৰ আন এজন জড়িত অভিযুক্ত আৰক্ষীৰ উপস্থিতি উমান পাই ঘৰৰ খিৰিকি ভাঙি পলায়ন কৰে যদিও সক্ৰিয় ভূমিকালৈ ৰকমত আলীকো আটক কৰে। উল্লেখযোগ্য যে এই বৃহত দুষ্টচক্ৰটোৱে নকল সোণৰ মূৰ্তি মানুহৰ ঘৰৰ আশে পাশে গোপনে ৰাখি ফোনযোগে বিভিন্ন প্ৰলোভন দিয়ে। ঘৰৰ আশে-পাশে দেৱতা বা আল্লাহ থকা বুলি কৈ সাধাৰণ লোকৰ মাজত আতংক সৃষ্টি কৰি বহুদিনৰ পৰা ধন দাবী কৰি আহিছিল। উক্ত ঘটনাৰ খবৰ পাই গোসাঁইগাঁও মহকুমা আৰক্ষী বিষয়া মণ্টুৰাম বৰাই উক্ত বিষয়টো গুৰুত্ব সহকাৰে লৈ খাপ পিঠি থাকে। আজি আৰক্ষী কৰা অভিসন্ধি মতে আৰক্ষীৰ জালত পৰে দুজনক কৈ লোক। ঘটনা সন্দৰ্ভত আৰক্ষী তদন্ত অব্যাহত ৰাখিছে।

# পথালিপাহাৰ টোল গেটৰ সমীপত ব'হাগী বিদায় সন্মিলনৰ প্ৰস্তুতি

**অসম বাৰ্তা, বান্দৰদেৱা, ৪ মে' ঃ** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, খেৰাজখাত আঞ্চলিক, সদৌ অসম দেউৰী ছাত্ৰ সন্থা, বান্দৰদেৱা আঞ্চলিক আৰু পিঠাগুৰি, ৰাজগড়, বান্দৰদেৱা, হাৰমতী দেউৰী ৰাইজৰ উদ্যোগত অসমীয়া জাতিৰ স্বাভিমান, অসমীয়াৰ আয়ুস ৰেখা, অতি হেঁপাহৰ ৰঙালী বিহুটিক বিদায় জনোৱাৰ উদ্দেশ্যে পঞ্চদশ সংখ্যক ব'হাগী বিদায় সন্মিলন খনি অহা ২৪ আৰু ২৫ ব'হাগ (ইং, ৮, আৰু ৯ মে') ২০২৬ তাৰিখ শুক্ৰ আৰু শনিবাৰে লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰতী পথালিপাহাৰ টোল গেটৰ সমীপৰ কুণ্ডিমামা তিনিআলিৰ বিহুবাকৰিত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰিবলৈ আয়োজন কৰা হৈছে। সেয়েহে উক্ত দুয়োদিনৰ সকলো কাৰ্যসূচীত জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো ৰাইজৰ সহায় সহযোগিতা উপস্থিতি কামনা কৰিছে বিহু উদযাপন সমিতিৰ সভাপতি আৰু প্ৰধান সম্পাদক ক্ৰমে ৰমেন দেউৰী, যুগল ভূঞা, সম্পাদকদ্বয় ৰাজা দেউৰী আৰু বসন্ত দত্তই।

# জাঁজীৰ প্ৰণৱ কুমাৰ দত্ত ৰেডিঅ' শ্ৰোতা সংঘ "মৰম আকলুৱা" পৰিয়ালত যোগদান

**অসম বাৰ্তা, জাঁজী, ৪ মে' ঃ** ২০২১ চনৰ ২০ জানুৱাৰীত জন্ম হোৱা অসমৰ জনপ্ৰিয় শ্ৰোতা সংঘৰ "মৰম আকলুৱা" পৰিয়ালত যোগদান কৰিছে শিৱসাগৰ জিলাৰ জাঁজীৰ প্ৰণৱ কুমাৰ দত্তই। আনহাতে এই সংঘত অসমৰ বিভিন্ন জিলাৰ শ্ৰোতা লগ লাগি মাছখোৱা যোৰকটা কাঠগাঁৱত গঠন হৈছিল। উল্লেখ্য যে এই সংঘ প্ৰতিষ্ঠাপক নীলোৎপল দুৱৰাকে মুখ্য কৰি এই শ্ৰোতা সংঘ জনপ্ৰিয়তা আজি বহুগুণে বৃদ্ধি পাইছে। আকাশবাণীৰ এজন নিয়মীয়া শ্ৰোতা পত্ৰলেখক শিৱসাগৰ জিলাৰ জাঁজী খাটোৱাল গাঁৱৰ প্ৰণৱ কুমাৰ দত্তৰ যোগদানে সংঘটো বহু গুণে আগুৱাই নিয়াৰ লগতে শক্তিশালি কৰিব।

# বিহালীৰ ৰতোৱাত এডাল প্ৰকাণ্ড মচুৰা গম সাপ উদ্ধাৰ

**অসম বাৰ্তা, জিনজিয়া, ৪ মে' ঃ** বিশ্বনাথ জিলাৰ অন্তৰ্গত বিহালী সমষ্টিৰ ৰতোৱাত বন বিভাগ আৰু সৰ্প মানৱ পুণ্য প্ৰসাদ খাউণ্ডে উদ্ধাৰ কৰে এডাল প্ৰকাণ্ড মুচুৰা গম সাপ। ৰতোৱাৰ দেৱজিত বৰাৰ ঘৰৰ কাষতে ৰাখি থোৱা কাঠৰ মাজত সোমাই আছিল প্ৰায় তিনি ঘণ্টা ধৰি। সাপ ডাল প্ৰত্যক্ষ কৰাৰ পাছতে গৃহস্থই পাভৈ আঞ্চলিক বন বিভাগত খবৰ দিয়ে। বন বিভাগৰ এটা দলৰ লগতে সৰ্প মানৱ পুণ্য প্ৰসাদ খাউণ্ড উপস্থিত হৈ সাপ ডাল উদ্ধাৰ কৰি পাভৈ বনাঞ্চলত এৰি দিয়াৰ বাবে লৈ যায়। সৰ্প মানৱ পুণ্য প্ৰসাদ খাউণ্ডে যোৱা বৰ্ষটোত প্ৰায় ১০০ ডালৰো অধিক সাপ উদ্ধাৰ কৰিছে বুলি জানিবলৈ দিয়ে।

# গৰৈমাৰীত ৰঙালী বিহু উদ্‌যাপন

**অসম বাৰ্তা, গৰৈমাৰী, ৪ মে' ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰী আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ ৩৭ সংখ্যক বাৰ্ষিক ৰঙালী বিহু ২ মে'ত দিনজোৰা কাৰ্যসূচীৰে গৰৈমাৰী প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি সিদিনা পুৱা বিহুৰ পতাকা উত্তোলন কৰে গৰৈমাৰী ৰাইজ গয়ৰহৰ সভাপতি কৈলাস কলিতাই। ইয়াৰ পিছত শ্বহীদ তৰ্পন কৰে পূব ছমৰীয়া আৰু গৰৈমাৰী শাখা ছাত্ৰ সন্থাৰ সভাপতি জ্ঞানদ্বীপ কলিতা, সম্পাদক ছাদ্দাম হুছেইন, প্ৰাক্তন সভাপতি আমিনুল হকে। গছপুলি ৰোপণ কৰে বিশিষ্ট সমাজকৰ্মী ডাঃ ফজলুল হক চৌধুৰী, আলিকাষ ৰাজ্যিক চিকিৎসালয়ৰ ফাৰ্মাচিষ্ট আদম আলীয়ে। ১১ বজাত বিভিন্ন খেল ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰে শিক্ষক নাগেশ্বৰ কলিতা আৰু আন্তঃৰাষ্ট্ৰীয় নৌকা খেলুৱৈ বিউটী কলিতাই। সন্ধিয়া বন্তি প্ৰজ্বলন কৰে প্ৰবীন কলিতা, নিতুল কলিতা আৰু নীলমণি কলিতাই। সাংস্কৃতিক মঞ্চ মুকলি কৰে বিশিষ্ট ব্যৱসায়ী উত্তম কলিতাই। নিশা আমন্ত্ৰিত কণ্ঠশিল্পী ৰূপালী কাশ্যপৰ লগতে স্থানীয় শিল্পীয়ে গীত-মাত পৰিৱেশন কৰে। সাংস্কৃতিক অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে গৰৈমাৰীৰ ব্ৰহ্মপুত্ৰ ভেলী একাডেমীৰ সভাপতি নুৰুল ইছলাম, মাজৰটোপ গাঁও পঞ্চায়তৰ সভানেত্ৰী লাডলী বেগমকে প্ৰমুখ্য কৰি ভালেসংখ্যক অতিথিয়ে অংশগ্ৰহণ কৰে।

# ঐতিহ্যমণ্ডিত তিনিচুকীয়া পূজা মন্দিৰ সমিতিৰ উদ্যোগত সম্বৰ্দ্ধনা অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৪ মে' ঃ** বাণিজ্যিক চহৰ তিনিচুকীয়াৰ কলেজ পথত অৱস্থিত ঐতিহ্যমণ্ডিত তিনিচুকীয়া পূজা মন্দিৰত প্ৰতি বছৰৰ পহিলা মে'ত ৮০ ঊৰ্ধৰ পুৰোধা ব্যক্তিসকলক সম্বৰ্দ্ধনা জনোৱাৰ এক পুৰণি পৰম্পৰা আছে। সেই অনুসৰি, এইবাৰো শতাধিক ৰাইজৰ উপস্থিতিত তিনিচুকীয়াৰ তিনিগৰাকী পুৰোধা ব্যক্তিক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। তিনিচুকীয়া পূজা মন্দিৰ সমিতিৰ স্থায়ী সভাপতি নগেন বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত সভাত সুৰেন্দ্ৰ নাথ ভট্টাচাৰ্য, বিজয় কুমাৰ শৰ্মা আৰু অলি শৰ্মাক ফুলাম গামোছা, চেলেং চাদৰ, স্মাৰকৰ লগতে একোখনকৈ মানপত্ৰ প্ৰদানেৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্দ্ধিত ব্যক্তিসকলে তেওঁলোকৰ ভাষণত মন্দিৰ প্ৰতিষ্ঠা কালৰ অভিজ্ঞতাৰ বৰ্ণনা কৰাৰ লগতে ৰাইজৰ সহায়-সহযোগৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। সমজুৱাৰ দুআষাৰত পৰমানন্দ বৰুৱা, দুন্দুভি ভট্টাচাৰ্য, লিনু চক্ৰৱৰ্তী, অৰ্চনা বৰঠাকুৰ আদি ব্যক্তিসকলে সম্বৰ্দ্ধিত ব্যক্তিসকলৰ বৰঙনি শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। সভাত অনন্যা শইকীয়াই বৰগীত পৰিৱেশন কৰি উপস্থিত ৰাইজক মনোৰঞ্জন প্ৰদান কৰে। অনুষ্ঠানটি সফলভাৱে ৰূপায়ণ হোৱাত পূজা মন্দিৰ সমিতিৰ সম্পাদক মিণ্টু চক্ৰৱৰ্তীয়ে সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

# নবস্তিত ধমধমা সংকুলৰ ক্ৰীড়া সমাৰোহ সম্পন্ন

**অসম বাৰ্তা, বাগানপাৰা, ৪ মে' ঃ** শিশু শিক্ষা সমিতি অসমৰ অন্তৰ্গত ধমধমা সংকুলৰ ক্ৰীড়া সমাৰোহ খনি ২ মে'ত নবস্তিত সম্পন্ন হৈ যায়। পুৱাৰ ভাগত বন্দনা কাৰ্যসূচীৰে ক্ৰীড়া সমাৰোহৰ শুভাৰম্ভ কৰা হয়। নবস্তি নিকেতনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা বন্দনাত ধমধমা নিকেতনৰ প্ৰধান আচাৰ্য তথা ধমধমা সংকুলৰ প্ৰমুখ ৰমেন হালৈৰে বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰাৰ পিছত বড়িকাদঙাৰ বি আৰ ব্ৰহ্ম হাইস্কুল খেল পথাৰত অনুষ্ঠিত হয় বিভিন্ন খেল ধেমালি। ক্ৰীড়া সমাৰোহ খনি উদ্বোধন কৰে নলবাৰীৰ শাৰীৰিক প্ৰমুখ তথা ধমধমা নিকেতনৰ আচাৰ্য দিলীপ কলিতাই। ক্ৰীড়া সমাৰোহত বালক আৰু কিশোৰৰ মাজত বিভিন্ন পৰ্যায়ৰ দৌৰৰ লগতে দীঘল জাম্প, ওখ জাম্প, ওজন দলিওৱা, জেফলিং আদিকে ধৰি বিভিন্ন খেল অনুষ্ঠিত কৰা হয়। এই ক্ৰীড়া সমাৰোহত ধমধমা সংকুলৰ অধীনস্থ ধমধমা, বাগানপাৰা, শান্তিপুৰ, আঙ্গাৰধোৱা, চেংনৈ, সুৱণখাটা, নমাটি, নবস্তি, ঠালকুছি নিকেতনকে ধৰি দহখন নিকেতনৰ ছাত্ৰ -ছাত্ৰী সকলে অংশগ্ৰহণ কৰে। খেল পৰিচালনা কৰে জিৎজ্যোতি লেখাৰু আৰু দিলীপ কলিতাই। খেলৰ শেষত বিজয়ী ছাত্ৰ -ছাত্ৰী সকলক পুৰস্কাৰ সমূহ প্ৰদান কৰা হয়। এই ক্ৰীড়া সমাৰোহত ধমধমা সংকুলৰ অধীনস্থ তিনি শতাধিক ছাত্ৰ -ছাত্ৰী, আচাৰ্য আচাৰ্যা সকলে অংশগ্ৰহণ কৰে।

# ফকিৰাগ্ৰামত ৫৮ সংখ্যক ব'হাগ বিহু উদ্‌যাপন

**অসম বাৰ্তা, দোতমা, ৪ মে' ঃ** ফকিৰাগ্ৰাম আঞ্চলিক ৰঙালী বিহু উদ্‌যাপন সমিতিৰ উদ্যোগত আয়োজিত এই বিহু অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ মুকলি কৰে বাওঁখুংগ্ৰী সমষ্টিৰ প্ৰাৰ্থী ৰূপম চন্দ্ৰ ৰায়ে। ৰূপম চন্দ্ৰ ৰায়ৰ লগত উপস্থিত থাকে ফকিৰাগ্ৰাম পৰিষদীয় সমষ্টিৰ পাৰিষদ এজামুল হক আৰু বিশিষ্ট ব্যক্তিসকল। অইন অইন বছৰৰ দৰে এইবেলিও ফকিৰাগ্ৰাম আঞ্চলিক ৰঙালী বিহু উদ্‌যাপন সমিতিয়ে ফকিৰাগ্ৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গণত দুদিনীয়া কাৰ্যসূচীৰে বিহু অনুষ্ঠিত কৰে। প্ৰথম দিনা ৰাতিপুৱা বিহু মইনা আৰু বিহু কুঁৱৰী প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া বিটিচিৰ কাৰ্যবাহী সদস্য কৰ্মেশ্বৰ ৰায়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিহু প্ৰতিযোগিতাৰ মঞ্চ মুকলি কৰে। প্ৰথম দিনীয়া কাৰ্যসূচীত অনুষ্ঠিত মুকলি বিহু প্ৰতিযোগিতাত দূৰ দূৰণিৰ পৰা বিহু হুঁচৰি দলে আহি অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। দ্বিতীয় দিনা অৰ্থাৎ আজিৰ সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ হিচাপে জনপ্ৰিয় কণ্ঠশিল্পী দেৱজিৎ বৰাই সংগীত পৰিৱেশন কৰে।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited | Website : www.asombarta.in | Facebook : \asombarta | Instagram : \asom_barta
সম্পাদক ঃ তনয় বৰা | মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন